# গোৱালপাৰা মহাবিদ্যালয়

## আলোচনী

২৪তম সংখ্যা




সম্পাদনা- শ্ৰীজৰ্ব্যেন্দু জ্যোতি পাটগিৰী

## -ঃ উচৰ্গা ঃ-

গোৱালপাৰা মহাবিদ্যালয়ৰ হকে যি সকলে অশেষ কষ্ট স্বীকাৰ কৰিলে, যি সকল আজি আমাৰ মাজত নাই, তেওঁলোকৰ পবিত্ৰ স্মৃতিত এই চৰাৰ আলোচনী আগবঢ়ালোঁ।

সম্পাদক,

সম্পাদনা সমিতি ঃ—

সভাপতি— শ্ৰীযুত খগেন্দ্ৰ প্ৰসাদ ডেকা ( অধ্যক্ষ )

তত্বাৱধায়ক ঃ—

অসমীয়া বিভাগ — শ্ৰীৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী । ( অধ্যাপক, অসমীয়া বিভাগ )

ইংৰাজী বিভাগ — শ্ৰীমতী মঞ্জুশ্ৰী বৰুৱা । ( অধ্যাপিকা, ইংৰাজী বিভাগ )

উপদেষ্টা ঃ— শ্ৰীউত্তম শৰ্মা । ( অধ্যাপক, অসমীয়া বিভাগ )

শ্ৰীৰমাকান্ত বৰুৱা । ( অধ্যাপক, বুৰঞ্জী বিভাগ )

শ্ৰীকামিনি মোহন শৰ্মা । ( অধ্যাপক, ইংৰাজী বিভাগ )

সম্পাদক — জ্যোতিৰ্ময় জ্যোতি পাটগিৰী ।

সদস্য — আচৰাফুল হক, অজকেশ ভূঞা ।

● ● ●

অঙ্গসজ্জা — সম্পাদক

বেটুপাতৰ শিল্পী— নাজিমুদ্দিন আহমেদ ।

বেটুপাত মুদ্ৰণ— বিশাল ব্লক মেকাৰ এণ্ড ডিজাইনাৰ, গুৱাহাটী ।

পোহৰ ছবি— ষ্টুডিও ইলোৰা, গোৱালপাৰা ।

মুদ্ৰণ — জ্যোতি প্ৰিণ্টাৰ্চ, গোৱালপাৰা ।



## ॥ শ্ৰদ্ধাঞ্জলী ॥



৺ ৰজনীকান্ত দাস গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। তেওঁ যোৱা ২/৫/৯০ তাৰিখে আমাক এৰি গুচি গ'ল। তেওঁলৈ আমি শ্ৰদ্ধাঞ্জলী নিবেদিছোঁ।।

— সম্পাদক—

জন্ম — নবেম্বৰ ১৯০২ ইং চন।

মৃত্যু— ২ মে ১৯৯০ ইং চন।

---



বৰ্ত্তমান মহাবিদ্যালয় অধ্যক্ষ
শ্ৰীযুত খগেন্দ্ৰ প্ৰসাদ ডেকা

## কৃতজ্ঞতা স্বীকাৰ ঃ—

আলোচনীখন প্ৰকাশ কৰি উলিওৱাত যি সকলে মোক সহায় সহযোগ আগবঢ়ালে তেওঁ লোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালৰ ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা আংশিক মৰম জড়িত উদ্দিপনা বাৰুকৈয়ে মনত বব। তাৰ উপৰিও যি সকলে মোক বিশেষকৈ সহায় কৰিলে যেনে শিক্ষা গুৰু ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী চাৰ, শৈলেনজিৎ শৰ্মা চাৰ, ছাত্ৰ সন্থাৰ সদস্য বৃন্দ আৰু আচ্‌ৰাফুল, নমিতা, প্ৰীতিলতা, জয়ন্ত দা, মৃণাল, দেশৱাৰা, ষ্টুডিও ইলোৰাৰ নাৰায়ণ দা, বিশাল ব্লক মেকাৰৰ হিমু আৰু জ্যোতি প্ৰিণ্টাৰ্চৰ সমূহ কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

— সম্পাদক—

## অভিমত ঃ—

আলোচনী এখন উলিওৱা তেনেই উজু কাম নহয়। এখন সৰ্ব্বাঙ্গ সুন্দৰ আলোচনীৰ বাবে বৃহৎ পুঁজিৰ প্ৰয়োজন। আৰ্থিক সমস্যাৰ বাবে যিমান ভবা হয় সিমানখিনি সফলতা পোৱা নাযায়। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা উৎকৃষ্ট লিখনি আৰু সহায় সহোযগীতাৰ দৰকাৰ। এই চৰাৰ আলোচনীখন উলিয়াবলৈ যাওঁতে কিছুমান সমস্যাৰ সন্মুখিন হলোঁ। তাৰ ভিতৰত প্ৰধান কাৰণটো হ'ল ছাত্ৰ-ছাত্ৰীৰ সহযোগীতাৰ অভাৱ। দ্বিতীয়তে লিখনিৰ অভাৱ। লিখনি বিচাৰি হাবাথুৰি খাব লগা হোৱাটো মহাবিদ্যালয় এখনৰ বাবে দুৰ্ভাগ্যজনক। আলোচনীখন উলিয়াবলৈ বহুত ৰঙীণ কল্পনা আগত ৰাখি আগবাঢ়িছিলোঁ যদিও কিমান দুৰ সফলতা লাভ কৰিলো সেয়া ছাত্ৰ-ছাত্ৰী সকলে বিচাৰ কৰিব। বহু ক্ষেত্ৰত শিক্ষাগুৰু সকলৰ পৰাও তেনে কোনো সহায় উদ্দীপনা পোৱা নেযায়। কিয় কব নোৱাৰো সেয়ে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে অনুৰোধ কৰোঁ যে তেওঁলোকে যেন পিছৰ আলোচনীবোৰৰ বাবে সহায় সহযোগীতা আগবঢ়ায়। লগতে এটি শকত ধনৰ পুঁজিৰ বাবে খাটে। তেতিয়াহে এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী মহাবিদ্যালয়ে পাব।

—সম্পাদক—




# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্য্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন : যোৰহাট ৭৮৫০০১ : ফোন ২০৩৭৬

গুৱাহাটী কাৰ্য্যালয় : ভগৱতী প্ৰসাদ বৰুৱা ভৱন : গুৱাহাটী ৭৮১০০১ : ফোন : ৩৪৩২১

ডিফু কাৰ্য্যালয় : ৰংছিনা ভৱন : ডিফু ৭৮২৪৬০ : ফোন . ২৪৫৩

শ্ৰীনৰকান্ত বৰুৱা

সভাপতি


## শুভ ইচ্ছা

উছৱৰ কেইদিন মানুহ মতলীয়া হয়, ৰং ৰহইচ বুলি। তাৰ পিছত উদং ৰভাতলীত নীৰৱতাই বিৰাজ কৰে। এয়েই সাধাৰণ নিয়ম। সেইবাবেই মানুহে যুগে যুগে স্মৃতি সংৰক্ষণৰ কথা ভাবে। ইয়াৰ ফলতেই মন্দিৰ-মছজ্জিদ অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি উঠে। এয়া সময়ৰ বালিত খোদিত ইতিহাসৰ পদচিহন। তথাপি হেঁপাহ প্ৰৱল সৃষ্টিৰ বাট বিচাৰি- খোপনি পোটে ক'লাত।

মই আখৰ ভালপোৱা মানুহ। লেখাৰে চিনথৈ যোৱাটো বৰ মূল্যৱান বুলি ভাবো। সেইদেখি গোৱালপাৰা মহাবিদ্যালয়ে আলোচনী এখন উলিয়াই থকা বুলি জানি পৰম সন্তোষ লাভ কৰিছোঁ। এইখনৰ যোগেদি অঞ্চলটোৰ ভাষা, সাহিত্য-সংস্কৃতিৰ বিষয়ে বাকী ঠাইৰলোকেও নতুনৰ সন্ধান পাববুলি মই একান্ত আন্তৰিকতাৰে আশা কৰিলোঁ। আলোচনী খন মানুহে গ্ৰহণ কৰিলে মোৰ মনেও আকোৱালি ল'ব। শুভেচ্ছাৰ বাহিৰেনো মই আৰু কি দিব পাৰো !

সভাপতি,

অসম সাহিত্য সভা

৬/৪/৯০ ইং

**Prof. D. P. Barooah,**
M. A., LL.B, D. Phil.
*Vice Chancellor*

GAUHATI UNIVERS
Assam, India

Phone 88408 ( Res.
88412 ( Offi

NO. VCO/90/47
১৯/৩/৯০

## শুভেচ্ছা

গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ হৈ আলোচনীখনৰ পৰৱৰ্তী সংখ্যাটো প্ৰকাশ কৰাৰ দিহা কৰা হৈছে বুলি জানিব পাৰি আনন্দিত হৈছো আৰু আশা ৰাখিছো যে ছাত্ৰ ছাত্ৰীসমাজৰ সৃজনশীল প্ৰতিভাৰ স্বাক্ষৰ স্বৰূপে আলোচনী খনে সমাদৰ পোৱাৰ মৰ্য্যাদা আৰ্জন কৰিব পাৰিব। আলোচনী প্ৰকাশৰ লগত জড়িত সকলোলৈকে আৰু ছাত্ৰ সন্থাৰ প্ৰতি শুভেচ্ছা জনালো।



## শুভেচ্ছা বাণী

৩।৪।৯০ ইং
গুৱাহাটী

মৰমৰ পাটগিৰি,

ধন্যবাদ লবা।

তোমালোকৰ আলোচনীলৈ শুভেচ্ছা জনালোঁ। ইতি—

শ্ৰী হীৰেন গোহাঁই

## শুভেচ্ছা বাণী

গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ প্ৰতি মোৰ আন্তৰিক আশীৰ্ব্বাদ থাকিল।

ছাত্ৰৰ মূল কৰ্ত্তব্য যদিও অধ্যয়ন, ছাত্ৰ অৱস্থাতে দেশৰ হকে চিন্তা কৰাটোও মই নিজে কামনা কৰো।

মোৰ অভিজ্ঞতাৰ পৰা মই জীৱনত এই শিক্ষা পালো—

দেশ সেৱা কৰিবলৈ বহু পথ আছে উত্তম পথ হল সাহিত্য সংস্কৃতি আৰু অধম পথ হল ৰাজনীতি।

পুনৰ শুভ-ইচ্ছাৰে—

২৬/১৮/৮৯ ইং

"সাহিত্য আমাক কেলৈ? সাহিত্যৰ নানান বিভাগবোৰ আমাক বা জগতক কেলৈ? সেইবোৰৰ পৰা মানৱ সমাজৰ কি উপকাৰ সাধিত হৈছে? ব্যাপকভাবে কবলৈ গলে সাহিত্যই আমাক আনন্দ দিয়ে আৰু আমাক আনন্দলৈ নিবলৈ সদায় এটা প্ৰয়াস কৰি আছে। আনন্দ দিয়া আৰু আনন্দলৈ নিয়াই সাহিত্যৰ কাম। এই দুয়োটা কাম কেতিয়াবা সাহিত্যই একেলগে একে উশাহতে কৰে। কেতিয়াবা আগৰটো মুখ্য, পাচৰটো গৌণ আৰু কেতিয়াবা পাচৰটো মুখ্য, আগৰটো গৌণ।"

"সুন্দৰৰ পূজাই হৈছে কৃষ্টি বা সংস্কৃতি। সংস্কৃতিৰ পূৰ্ণ বিকাশতেই মানুহৰ জীৱনৰ পৰম আনন্দ। মানুহে সংস্কৃতিৰে, সভ্যতাৰে সুন্দৰকেই মানুহৰ জীৱনলৈ নমাই আনিবলৈ বিয়াকুল। আন্ধাৰ অতীত পোহৰলৈ বুলি যি ধ্বনি উঠিছিল, তাতেই ঘোষিত হৈছিল মানৱৰ সাংস্কৃতিক অভিলাষ, পোহৰৰ পিয়াহ।"

"সাহিত্যৰ মাজেদিয়েই পৃথিবীৰ জাতিৰ জাতীয় জীৱন গঢ়ি উঠিব লাগিছে, সভ্যতাৰ ক্ৰমবিকাশ আৰু ভাবৰাজ্যৰ বিপ্লৱ প্ৰসূত ৰাজনৈতিক পৰিবৰ্ত্তন হ'ব লাগিছে। সাহিত্যৰ মাজেদিয়েই জগতলৈ ন ন পোহৰৰ ৰশ্মি আহি পৃথিবীত ধৰ্ম্ম সম্বন্ধীয়, ৰাজনৈতিক, অৰ্থনৈতিক পৰিবৰ্ত্তন সংঘটিত কৰিছে, মৰিবলৈ যোৱাক ৰাখিছে মৰাক জীয়াইছে, নিস্পেষিতক আশাৰ অমৃত দিছে, দুখ-দৈন্যৰ অৱসানৰ বাবে জগতৰ অন্তৰ্জ্জাতিক সম্বন্ধৰ ক্ৰমবিকাশ নিয়ন্ত্ৰিত কৰিছে আৰু একো এটা ভূমিকম্পৰ দৰে ৰাষ্ট্ৰবিপ্লৱৰ অগনিয়ে চৌদিশ উদ্ভাসিত কৰি দুখ-দৈন্য, অত্যাচাৰ অনাচাৰৰ আন্ধাৰ দূৰ কৰি, জগতৰ মলিনতা আঁতৰাই জগতৰ জীৱন ফটিক-শুভ্ৰ কৰি নিৰান্দৰ ৰাজ্যত আনন্দৰ স্বৰ্গৰাজ্য পাতিবলৈ অভিযান কৰিছে। ভাবৰাজ্যৰ জোৰ লৈ বাট দেখুৱাওঁতা বাৰ্ত্তাবাদী আইদিয়াৰ ভাটিবোৰে সাহিত্যৰ মাজেদিয়েই মানুহৰ মনৰ ৰাজ্যত, পৃথিবীত সুন্দৰৰ ৰাজ্য পাতিবলৈ বুলি গীত গাই ফুৰিব লাগিছে।"

"জ্যোতিপ্ৰসাদ আগৰৱালা"



# সূচীপত্ৰ

সম্পাদকৰ কলমৰ পৰা–

## কৱিতা কানন ঃ


| | | |
|---|---|---|
| ঠিকনা— | অতনু ভট্টাচাৰ্য্য— | ১ |
| কেৱল ( ভিন্নসুৰী ) কবিতা— | কৰবী তালুকদাৰ— | ২ |
| আৰ্ত্তনাদ— | ৰৌশন আলম— | ৩ |
| যাত্ৰা বিপ্লৱ পথলৈ— | পঙ্কজ দাস— | ৪ |
| জীয়াই থকাৰ প্ৰস্তুতি— | খুৰ্শীদ হুচনেয়াৰা হক— | ৪ |
| শেৱালী পূৰা— | জগবন্ধু কলিতা— | ৫ |
| কবিতা — এটি প্ৰাসঙ্গিক চিন্তা— | দীপক কুঃ শৰ্মা মেধী— | ৭ |
| আশংকা— | ৰফিকুল ইছলাম— | ১০ |
| অন্বেষণ— | পূৰবী নাথ— | ১০ |
| প্ৰতীক্ষাৰ সময়— | বৰ্ণালী ৰায়– | ১০ |
| বিদায়— | চেলিম আখতাৰ— | ১১ |
| নাম নাই— | ফিৰোজ আহমেদ— | ১১ |
| স্মৃতি— | উজ্জ্বল চক্ৰৱৰ্ত্তী— | ১১ |
| চিঠি— | পূৰবী নাথ— | ১২ |





বিশিষ্ট ব্যক্তিৰ পৰা
কঢ়িয়াই অনা প্ৰবন্ধ :—
"গোৱালপৰীয়া লোক সাহিত্য"
— ভৱেশ দাস
প্ৰৱন্ধ প্ৰপঞ্চ
পৃষ্ঠা নং— ১

মহাবিদ্যালয়ৰ উল্লেখযোগ্য ফলাফল
(প্ৰবন্ধ প্ৰপঞ্চ
পৃষ্ঠা নং— ৩২

PHOTO ALBUM
FRONT
of
English Section

শুধৰণী
শেষ পৃষ্ঠাত

## প্ৰবন্ধ প্ৰপঞ্চ ঃ


নেলছন মেণ্ডেলা ··· ··· ··· ··· প্ৰণৱ বড়া ··· ··· ··· ··· ৫
লোক কৃষ্টিৰ দৃষ্টিকোণত
ইন্দ্ৰজাল বা মেজিক ··· ··· ··· ··· নন্দা শৰ্মা ··· ··· ··· ১০
মহাকাশত জৈৱিক
পৰিবেশ ··· ··· ··· ··· ··· অৰুণ শৰ্মা ··· ··· ··· ১৪
গোৱালপাৰা মহাবিদ্যালয়
(এক সংক্ষিপ্ত ইতিহাস) ··· ·মোজাম্মিল হক ··· ··· ··· ১৭


## গল্প গুচ্ছ ঃ


সময় ··· ··· ··· ··· ··· শান্তা শৰ্মা ··· ··· ··· ··· ··· ১
সহযাত্ৰী ··· ··· ··· ··· ৰাহিদৰ ৰহমান ··· ··· ··· ··· ··· ৯
পান্থশালাত শেষৰাতি ··· ··· পাঞ্চালি সিন্‌হা ··· ··· ··· ১২
নতুন সূৰ্য্য ··· ··· ··· ··· ··· অজিত সৰকাৰ ··· ··· ··· ১৬


## বিবিধা ঃ

অতিথি কবিৰ কবিতা :—


প্ৰাৰ্থনাৰ ঘৰ ··· ··· ··· ··· অৱনী চক্ৰৱৰ্ত্তী ··· ··· ··· ··· ৪
খবৰ ··· ··· ··· ··· ··· ··· ভূপেন দাস ··· ··· ··· ··· ৫
বুৰ্বক ··· ··· ··· ··· ··· উৎপল নাথ ··· ··· ··· ··· ৭


সাক্ষ্যাৎকাৰ ঃ


অতুলানন্দ গোস্বামীৰ সতে ··· ··· ··· ··· ··· ··· ৮
মাধুৰী ভৰালীৰ সতে ··· ··· ··· ··· ··· ··· ··· ১০
জিতেন ডেকাৰ সতে ··· ··· ··· ··· ··· ··· ··· ১১
সৈত্য নাৰায়ণ দেশৱাৰাৰ সতে ··· ··· ··· ··· ··· ১


ENGLISH SECTION

বিভাগীয় সম্পাদকৰ

প্ৰ তি বে দ ন

ইংৰাজী শিতানৰ পিছত

TEACHING STAFF

# গোৱালপাৰা মহাবিদ্যালয় আলোচনী

অসমীয়া

বি
ভা
গ

২৪ তম সংখ্যা

১৯৮৯—৯০ ইং চন
১৯১১—১২ শকাব্দ
৫৪২ শঙ্কৰাব্দ
১৩৯৭ ভাস্কৰাব্দ
১৪১১ হিজৰী

সম্পাদক ঃ— শ্ৰীজ্ঞানেন্দু জ্যোতি পাটগিৰী



স্বকীয় বৈশিষ্টই যদি জাতিৰ সৌৰভ বৃদ্ধি কৰে, তেন্তে সেই বৈশিষ্টতাৰ মাজত গঢ় লোৱা সাহিত্যই জাতি গঠনত সহায় কৰে। ইয়াৰ বাবে লাগে চৰ্চা। স্বকীয় সাহিত্য চৰ্চাৰ অবিহনে জাতিত্বৰ সোৱাদ লব নোৱাৰি। যুগৰ ক্ৰমবিকাশৰ লগে লগে আমাৰ সাহিত্যও বিভিন্ন স্তৰৰ মাজেৰে অগ্ৰসৰ হৈছে। আজি আমি বৰ্ত্তমান স্তৰত ভৰি দি ভৱিষ্যতৰ বাবে আমাৰ সাহিত্যক আঙুলিয়াই দিয়াটো কৰ্ত্তব্য বুলি ভাবো।

সময়ৰ সাক্ষী ইতিহাস। সময়ে কৰে ইতিহাসে তাক ধৰি ৰাখে ভৱিষ্যতৰ বাবে। বৰ্ত্তমানে আমাৰ ইতিহাসক লৈ গৰ্ব কৰোঁ জাতিৰ বাবে। প্ৰাগশঙ্কৰী যুগৰ পৰা শঙ্কৰদেৱ, মাধৱদেৱ, জ্যোতি, বিষ্ণু, লক্ষ্মীনাথ আদিৰ লগতে যি সকল আমাৰ জাতিৰ জনক আছে; যি সকলে আমাৰ সাহিত্যত অৱদান যোগাই জাতিত্বৰ সোৱাদ দিছে, তেওঁলোকৰ সমল সমূহ লৈয়ে আমি গৰ্ব কৰোঁ। আমাৰো আছে। কিন্তু আছে বুলি তেওঁলোকৰ নাম স্মৰণ কৰিলেই জানো আমি আগবাঢ়িব পাৰিম? তেওঁলোকৰ প্ৰতিটো দিশ যদি আমি পৰ্য্যবেক্ষণ কৰি চাওঁ, তেতিয়া ইয়াকে দেখা পাম যে আমি তেওঁলোকৰ কেৱল নামহে স্মৰণ কৰোঁ। তেওঁলোকে যি দি গ'ল, যি পথ আমাক বাচি দিলে তাক তুৰতে থৈ দিলোঁ।

ঠিক তেনেদৰেই আমাৰ সাংস্কৃতিক দিশটোও কেৱল মঞ্চ সজ্জাতহে পৰিণত হ'ল। আমি আমাৰ প্ৰতিটো কলা-কৃষ্টিক এক ক্ষুদ্ৰ পৰিসৰৰ মাজত বান্ধি ৰখা যেন লাগে। আমাৰ কলা কৃষ্টিক আমাৰ এই বিশাল সংস্কৃতিক যদি বহল ভাবে চিন্তা চৰ্চা নকৰোঁ, তেতিয়াহলে কি হব তাক নকলেও হব। আজি শঙ্কৰদেৱৰ কলা-কৃষ্টিক আমি কেইজনে জানো? আমি কেৱল শঙ্কৰদেৱ, মাধৱদেৱ, জ্যোতি, বিষ্ণুৰ নামত ৰচনা প্ৰতিযোগিতা পতাতেই সীমাবদ্ধ হলোঁ। আজি অসমৰ বাহিৰত শঙ্কৰদেৱক কিমানে জানে? এই বিষয়ে আজিৰ অসমীয়াই চিন্তা কৰিবৰ হ'ল। আজি আমি বহু জাতি, উপজাতি, ভাষা-ধৰ্মৰ লোকে এক অসমীয়া ভাষা আগত ৰাখি এক বিশাল সংস্কৃতিৰ মজিয়াত থিয় হৈ ভাৰতবৰ্ষৰ ডাঙৰ দুৱাৰ খনত টুকুৰিয়াইছোহঁক। আমি অসমৰ অসমীয়া জাতি। আমাৰ এটা স্বকীয় সংস্কৃতি আছে। কিন্তু বিৰাট আৰম্বৰ কৰি নিজৰ সংস্কৃতিক প্ৰদৰ্শন কৰিলেই, বিৰাট জন সভাত ডাঙৰ ডাঙৰ ভাষণ দিলেই আমাৰ সাংস্কৃতিক ঐতিহ্য ৰক্ষা পৰিবনে? অতিতকলৈ ৰাজ আলিত ডাঙৰ ডাঙৰ শ্লোগন দিলেই আমাৰ ভাষা

সাহিত্য ৰক্ষা পৰিবনে ? সেয়ে চৰ্চাৰ প্ৰয়োজন, উপলব্ধিৰ প্ৰয়োজন। বিহু আহিলে বিহু নাচিলেই আমাৰ জাতীয় উৎসৱ ৰক্ষা নপৰে। ইয়াৰ বাবে বহল দৃষ্টি ভঙ্গীৰে ইয়াক চালি-জাৰি, মূল উৎস আবিস্কাৰ কৰি তাক চৰ্চা কৰাৰ প্ৰয়োজন। অসমৰ গাৱেঁ-ভূঞে আৱদ্ধ হৈ থকা কলা-কৃষ্টি খিনিক অসমীয়া সংস্কৃতিৰ উৎস বুলি কলেই নহয়, তাক স্বকীয় সংস্কৃতিৰ ৰূপত বহল সমাজত উলিয়াই অনা হওঁক। তাৰ চৰ্চা হওঁক। জনজাতীয় কৃষ্টি বা সংগীত এটি মঞ্চত প্ৰদৰ্শন কৰিলেই; চাহ বাগিচাৰ নৃত্যটো ভাল লাগিল বুলি চালেই আমাৰ সংস্কৃতিৰ বাজহাড় টনকীয়াল নহয়। আমাৰ সাহিত্য সংস্কৃতিক প্ৰতিযোগিতাৰ মাজত, বক্তিতা মঞ্চত বা উৎসৱৰ মাজতে আৱদ্ধ কৰি নাৰাখি তাৰ প্ৰতিটো দিশ মুকলিলৈ অনা হওঁক, তাৰ চৰ্চা হওঁক। তেতিয়াহে হয়তো বিশাল লুইতপৰীয়া সংস্কৃতিৰ মজিয়া পুৰঠ হব। তাক বহল দৃষ্টিত চোৱাৰ কথা ভৱিষ্যতে ভাৱিব। আজি অসমৰ এই সংকট পূৰ্ণ পৰিবেশত সংস্কৃতিৰ বান্ধোন আৰু ঐতিহ্যৰ চিন্তা চৰ্চা অতি প্ৰয়োজনীয় হৈ পৰিছে।

অসমবাসী ৰাইজ আজি সচেতন হবৰ হ'ল। আজি অসমক ৰাজনীতিৰ ষ্টেডিয়াম হিচাবে ব্যৱহাৰ কৰি অহা সকলক কোৱা হওঁক এয়া ৰাজনীতিৰ খেল পথাৰ নহয়। ইয়াত এটা জাতি আছে। ইয়াত এটা জাতিত্বৰ পৰিচয় দিব পৰা পুৰঠ সংস্কৃতি আছে। প্ৰাপ্য বিচাৰি অসমীয়াই বহুত যুঁজিলে, ভাষা পালে, অস্তিত্ব ৰ'ল, কিন্তু তথাপিও আমাৰ আজি সংকট পূৰ্ণ অৱস্থা। আমি বহুত যুঁজিলোঁ। আজি অসমৰ প্ৰতিটো পিয়লৰ আগে আগে একো একোটা আন্দোলন হৈছে। এইবাৰো ১৯৯০—৯১ ৰ চলিত দিনবোৰ অসমৰ বাবে দুখ জনক নহয় নে ? সন্থাৰ পোনা মেলি দিয়া বন্ধ। আৰু অসমীয়া জাতিৰ বৃহৎ ঐক্যক থান-বান কৰিব খোজা বিষাক্ত পোকবোৰৰ অত্যাচাৰ। কাৰোবাৰ প্ৰৰোচনাত ভাৰতত বিদেশী সোমাল, ঠগিল অসমীয়া জাতি। ছহিদৰ তেজ গচকি কোনোবাই গাদী ললে আৰু ৰাজনীতিৰ ষ্টেডিয়ামত ফুটবল খেলিলে অসমীমাতৃক লৈ। আবেগে ছাত্ৰ সমাজৰ মগজু নিস্কয় কৰিলে আৰু শিক্ষাও পিছ পৰি ৰ'ল।

এই সংখ্যাৰ আলোচনী খনৰ বিষয়ে দুয়াষাৰ কওঁ। আলোচনী খন সজালোঁ। বহুত ৰং চঙেৰে ভাল এখন আলোচনী মহাবিদ্যালয়ত দিম বুলি। কিন্তু কিছুমান আহুকালৰ বাবে যিমান ভাবিছিলো সিমান নহল। নোহোৱাৰ আহুকাল সমুহ অভিমততে প্ৰকাশ কৰিছোহঁক। এই সংখ্যাৰ আলোচনী খনত সাহিত্যৰ প্ৰতিটো দিশকে অকোৱালি লোৱাৰ প্ৰয়াস কৰিছিলো। কিমান দুৰ ফলবতি হলোঁ কব নোৱাৰো। বোধ হয় নাট্য সাহিত্যৰ আৰু উপন্যাস সাহিত্যৰ



সমল দিব নোৱাৰিলো। বিশেষকৈ যি সকলে মোক লিখনি সমূহ দি সহায় কৰিলে তেওঁ-লোকৰ ওচৰত চিৰকৃতজ্ঞ আৰু মহাবিদ্যালয় আলোচনীখনৰ বাবে বিশিষ্ট্য ব্যাক্তি সকলে তেওঁলোকৰ বহু মূলিয়া লিখনি প্ৰকাশ কৰিব দিয়াত আৰু আলোচনীৰ মান দণ্ড বঢ়োৱাত সহায় কৰা বাবে তেওঁলোকৰ ওচৰত মোৰ লগতে মহাবিদ্যালয় খনেও কৃতজ্ঞতা স্বীকাৰ কৰিলোঁ।

মহাবিদ্যালয় সাহিত্য প্ৰতিযোগিতাৰ বিষয়েঃ মই আলোচনী সম্পাদক হৈয়ে মহাবিদ্যালয় সপ্তাহৰ সন্মুখীন হওঁ। মহাবিদ্যালয় সপ্তাহত সাহিত্য প্ৰতিযোগিতা পাতোঁ। আমাৰ মহাবিদ্যালয়ত যথেষ্ট লিখক-লিখিকা আছে। কিছুমানে হয়তো প্ৰকাশেই নকৰে। কিন্তু মই যথেষ্ট লিখনি পঢ়িবলৈ পাইছো ছাত্ৰ-ছাত্ৰী সকলৰ পৰা। মহাবিদ্যালয়ত তিনিবাৰ প্ৰাচীৰ পত্ৰিকা উলিয়াইছোঁ। প্ৰাচীৰ প্ৰত্ৰিকা কেইখনত যি সকলে মোক সহায় কৰিছে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ আগবঢ়ালোঁ। শেষত সকলো বোৰ ভুল ক্ৰটীৰ বাবে ক্ষমা বিচাৰি সম্পাদকীয় কলমৰ মুখা মাৰিলোঁ।



## ঃ অজ্ঞাতে ঃ

আলোচনীখনত মোৰ অজ্ঞাতে মহাবিদ্যালয়ৰ কিছু তথ্য বাদ পৰি গ'ল। তাৰ বাবে দুঃখিত। যেনেকৈ প্ৰাক্তন সাধাৰণ সম্পাদক সকলৰ নামৰ তালিকা, প্ৰাক্তন অধ্যক্ষ সকলৰ নামৰ তালিকা, মহাবিদ্যালয়ৰ সঙ্গীতটো, আমাৰ মহাবিদ্যালয়ৰ পৰা বহুত মৰম আৰু শ্ৰদ্ধা কঢ়িয়াই নিয়া অধ্যাপক সকল। মহাবিদ্যালয়ৰ N. C. C. ৰ তথ্য সমুহ ইত্যাদি ইত্যাদি।

এই তথ্য সমূহ পৰবৰ্ত্তী সম্পাদকে প্ৰকাশ কৰিব বুলি আশা ৰাখিলো।

## ॥ কৈফিয়ৎ ॥

এই সংখ্যাৰ আলোচনীত মহাবিদ্যালয় সপ্তাহৰ ফলাফল, সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন আৰু যি সকল ছাত্ৰ-ছাত্ৰীৰ লিখনি প্ৰকাশ কৰিব পৰা নগ'ল তাৰ বাবে মই দুঃখিত।

## ॥ বিঃ দ্ৰঃ ॥

বেটুপাতৰ শেষৰ মহাবিদ্যালয়ৰ প্ৰতীক চিহ্নটোৰ পৰিকল্পনা আৰু ভাষা আমাৰ প্ৰাক্তন অধ্যক্ষ মহেন্দ্ৰ ৰবাদেৱে কৰা।

সম্পাদক



১। "কবিতা সকলো প্ৰকাৰ জ্ঞানৰেই জীৱনী শক্তি আৰু শ্বাস প্ৰশ্বাস।"

— ওৱাৰ্ডছৱৰ্থ। —

* * *

২। "ভাব ৰাজ্যত কবিতাৰ সৃষ্টি। অন্তৰৰ হলাদিনী শক্তিয়েই কবিতা।"

— ৰঘুনাথ চৌধুৰী। —

* * *

৩। "------ কবিয়ে নিজৰ প্ৰাণৰ বাণীত এনে এটা সুৰ বজায়, যি সুৰ গোটেই মানৱ জাতিৰ হৃদয়ত প্ৰতিধ্বনিত হয় ------ এই বিশ্বজনীন সুৰ যাৰ প্ৰাণত থাকে সেয়ে কবি।"

— যতীন্দ্ৰ নাথ দুৱৰা। —

* * *

৪। কবিতায়ে যে মানুহৰ সূক্ষ্মাতিসূক্ষ্ম অনুভূতি জগাই তুলিব পাৰে আৰু পৰমান্দৰ সোৱাদ দিব পাৰে ই এটা মনোবৈজ্ঞানিক সত্য। — ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

* * *



# কবিতা কানন

# ঠিকনা

অতনু ভট্টাচাৰ্য্য
১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনৰ গোৱালপাৰা
মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ সাহিত্যিক

আগৰ ঠিকনাত আৰু মোৰ চিঠি নাহে।

আজিকালি মই প্ৰেমৰ চুবুৰীত নাথাকোঁ।
হৃদয় নামৰ ডাকঘৰটো এতিয়া
মোৰ ঘৰৰ পৰা বহুদূৰ।

ডাকোৱাল ত্নখে মোৰ নতুন ঘৰটো নিচিনে।

আগৰ দৰে মই আৰু মোৰ কলিজা নেবেচোঁ।
নিজৰ তেজৰ ব্যৱসায় নকৰোঁ।
আচলতে বজাৰত বেচাৰ জোখাৰে মোৰ শৰীৰে
মঙহৰ যোগান ধৰিব নোৱাৰে।

সেয়ে আগৰ ঘৰ-মাটি বেচি থৈ মই পালোঁগৈ
এখন নতুন চহৰ; য'ত ত্নখ নাই মৃত্যু নাই,
হৃদয় বাৰ্দ্ধক্য প্ৰেম পাপ একো নাই।

চিঠি দিব খোজা যদি মৰিশালীৰ ঠিকনাত দিবা।
টেলিগ্ৰাম কৰিব খোজা যদি কোনো শৱযাত্ৰীৰ
হাতত গুঁজি দিবা মোৰ নাম-লিখা এখিলা কাগজ।

মাজনিশা মই তোমাৰ বাৰ্তা পাম।

# কেৱল (ভিন্নসুৰী) কবিতা

কৰবী তালুকদাৰ
প্ৰবক্তা, শিক্ষা বিভাগ।

(১)

মুকলিত গা ধুৱে বয়সে,
উদং শৰীৰত বিয়পি ৰয়
লৱালি ।

(২)

হৃদয়ৰ সলহ অৱগুণ্ঠন
বসন্তৰ বা লাগি
কঁপি উঠে কিয় বাৰু ?

(৩)

পাপৰিৰ মাজডোখৰলে’
জুমি চালো—
দেখিলো,
লাজত দোঁ খাই থকা এখন হৃদয় ।

(৪)

বতাহৰ বুকুৱেদি
নিগৰি আহে
ৰ’দৰ উত্তাপ—
হাত মেলি দিলে
মন কঁপি উঠে, হৃদয়
যৰিবা হেৰায় !

(৫)

ব্যস্ততাৰ অসংযত
মূহুৰ্ত্তবোৰত সৰি পৰে,
সময়বোৰ—
নিশাৰ শেৱালীৰ দৰে ।

(৬)

পথাৰখনৰ এটা মুৰত বৈ
চাই পঠিয়ালো--
দেখিলো,
এটি বিন্দু
যাৰ বুকুত পথাৰখন শেষ হৈছে ।



# আৰ্ত্তনাদ

ৰোশন আলম
স্নাতক মহলা (কলা) ৩য় বাৰ্ষিক

মই বিপ্লৱী আৰু প্ৰহৰী হাজাৰ যুগৰ
অনন্ত ছটফটনি মোৰ বুকুত ।
মোৰ বাবে অতি নিদাৰুণ আশৈশৱৰ চিনাকি আৰু কোমলতা
এটি মিঠা সপোনত. কিন্তু শীতৰ কোব
তাতেই যে মূৰ্ত্ত হয়, মোৰ জীৱন ।
মোৰ কবিতাত দেশকালৰ পৰিধি নাই
প্ৰেমৰ মিঠা স্পন্দনত দিনবোৰৰ পাখ বাগৰি যায়
কবিতাই মোৰ একমাত্ৰ সুখ-দুখৰ চাবিকাঠি
কিন্তু ই যে তথাপি সমাধিত সময় !
পামগৈ নে নীলা সাগৰৰ সিপাৰৰ মোৰ দেশ
য'ত থাকি আহিল মোৰ হৃদয়, শান্তিৰ লীলা তাত,
খিৰিকী মেলিলেই নিতৌ এবুকু আশা
ছটফটনিত নৈ হৈ বয় ।
দেখিছোঁ মই যুগে-যুগে, স্তৰে- স্তৰে
সেই একেই মানৱৰ, একেই সমাজৰ
উত্থান-পতন আৰু ধ্বংসলীলা ।
ব্যস্ত পৃথিৱীৰ নিদাৰুণ কাহিনী, মানুহে মানুহৰ
আৰু আপোন ভাতৃৰ তেজহে বিচৰা হ’ল,
আঃ ! মানুহে-মানুহক পুৰি মাৰে, হত্যা কৰে
বাটে-পথে ইযে নিমৰ্ম দিন হত্যাৰ লীলা ।
শীতাৰ্ত অনুভূতি আৰু তাতেই আছে মোৰ
জীৱনৰ প্ৰত্যয় প্ৰতিশ্ৰুতি আৰু ভাতৃত্ববোধ ।
শেৱালী সৰা গহীন ৰাতিতো কিজানি
কোনেও কাৰো মুখ চিনি নেপায় !!

## যাত্ৰা-বিপ্লৱ পথ লৈ

পংকজ দাস
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

মায়ে যতনেৰে থৈ দিয়া
সেই তেজ লগা চোলাটো,
মই জোকাৰি দিয়াত
এটা পইতাচোৰা
তৎপৰতাৰে আতৰি গ'ল।

মোৰ কপি উঠা হাত দুখনেৰে
চোলাটো মেলি দিয়াত,
চোলাটোৰ প্ৰতিটোপাল
শুকাই যোৱা তেজত
মোৰ তেজৰ গোন্ধ পালো।

(গাঁৱৰ ৰঘুকাইইঁতে কয়,
মোৰ দেউতা হেনো বিপ্লৱী আছিল
চৰকাৰৰ মতে কিন্তু
তেওঁ সন্ত্ৰাসবহে সৃষ্টি কৰিছিল। )

দেউতাৰ তেজ লগা চোলাটো
গাত পিন্ধি লোৱাত,
মোৰ প্ৰতিটোপাল তেজত
এটা অবুজ শিহৰণ
অনুভৱ কৰিলো।

মোৰ ট্ৰিগাৰ টিপাত
অভ্যস্ত হাত দুখনে
কাষতে থকা বন্দুকটোক সাৱটি ধৰিলে।

মই ওলাই আহিলো
কান্ধত গুলিভৰা বন্দুকটো লৈ
উশহি যোৱা ঘৰটোৰ পৰা
এটি নতুন পথলৈ... ...... ।

## জীয়াই থকাৰ প্ৰস্তুতি

খুৰ্শীদ হুচনেয়াৰা হক
স্নাতক মহলা ২য় বৰ্ষ

ওখ ৰাস্তাটোৰ কাষেদি
জীয়াই থকাৰ প্ৰস্তুতি চলিছে
সিহঁত জীয়াই আছে
জীয়াই থাকিব
অনন্তলৈ অসীমলৈ—
হাতত জীয়াই থকাৰ অস্ত্ৰ।
পাকস্থলীৰ জোখাৰে
খাদ্য মুখলে নাযায়
কণা চকুযোৰ ঘোলা।
হাতৰ কাঁচি খন
জীয়াই থকাৰ প্ৰতীক
কঁহুৱাৰ ঘৰ
চালৰ মাজে মাজে
শূণ্য আকাশৰ নীলাভ ৰেখা।
কেঁচুৱাৰ কান্দোন
বুঢ়াৰ কেঁকনি
বানপানীৰ বাবেই নেকি?
প্ৰিয়জনৰ কবৰটো
নদীৰ বুকুত
আকাংক্ষীত সেই গছ জুপি
সেইয়াও দেখোন!
কিন্তু তথাপি
জীয়াই থকাৰ
প্ৰস্তুতি চলিছে।



## শেৱালী-পূৰা

জগবন্ধু কলিতা
উঃ মাঃ ২য় বাৰ্ষিক (বিজ্ঞান)

(১)

জোনাকত জুকলি জুপুৰি নিয়ৰৰ মণি
ওৰেটো নিশা উজাগৰে আছো
মুখ্য দুৱাৰৰ জাগ্ৰত প্ৰহৰী।

(২)

মোৰ সন্মুখত এখিৰিকি আকাশ
অগণন তৰাৰ লুকাভাকুৰ মাজত
অনন্ত বেদনাৰ ক্ষুদ্ৰ প্ৰকাশ

(৩)

কেতিয়াও উদ্‌যাপিত হোৱা নাই কামনাৰ উৎসৱ।
তথাপিও কিয় জানো ভাল লাগে
আকাশ, নদী আৰু ৰামধেনু সম কাৰোবাৰ হেঙুলী ওঁঠ।

(৪)

কোনে জানে আৰু কিমান দীঘলীয়া মোৰ আয়ুস
তথাপিও ভাব হয়
যাদুঘৰত সজোৱা প্ৰাচীন মূৰ্ত্তিবোৰৰ দৰে
মোৰ জীৱনটোৰ যেন এটি সাধু।

(৫)

নেজানো কেনেকৈ লগ পালো এই প্ৰাণ,
কেতিয়াবা শুনিছিলো, এয়া হেনো
গৰখীয়া ল'ৰা এটাৰ বাঁহীৰ গান।
এতিয়া মোৰ দুয়োটা চকুত হিম চেঁচা বান।

(৬)

কলমৰ সিৰলুতেই ভাল
আঁকি থলে থাকে চিৰকাল
জীৱনটোৰ ৰঙীন ফাল ;
মোৰ কণ্ঠত হাঁ.হিৰ ব-ৰ আকাল ।

(৭)

বৰ জাৰ, ব'দ খিনি লগাই ললো পিঠিত ।
কলম কামুৰি ভাবিছো, কিনো লিখো তোমাৰ চিঠিত,
কবিতা এটা নিশ্চয় পঠিয়াম আনটো পিঠিত
দেশৰ বাতৰিটো এতিয়া জুইশলাৰ কাঠিত ।

(৮)

তোমাৰ কথাবোৰ বুকুত শুই শুই ভাবিলে
আকাশত গোপনে তৰাফুল ফুলে,
হৃদয় খনে লাজতে ফুৰে
আলেঙে আলেঙে
প্ৰেমৰ কথা বাৰু আনক কব পাৰিনে ।

(৯)

কথা কলে বাঢ়ি হে যায়
তাতকৈ মনে মনে থাকো ।
ইয়াতকৈ উত্তম উপায়
ইজনে সিজনৰ বুকুত হাত থৈ
অন্তৰ খন বুজিব পাৰো ।

(১০)

বেদনাও তুলিকাৰ ভাষা
আত্মাটোৰ ইপাৰ সিপাৰ ছুয়োপাৰ কপোঁৱা
মৌন কবিৰ হেৰোৱা আশা ।

(১১)

কবিতাৰ কথা মনলৈ আহিলে
তুপৰ ৰাতিখনতে টোপনি ভাঙে
যৌৱনা স্বপ্নৰ পাপৰি বোৰে
কৰবী ফুলৰ পাঁহিত সাজোন কাচোন কৰে ।
মিঠা মিঠা সুৰ এটিয়ে দেহ মন ৰিম্ ৰিম্াই উঠে ।

(১২)

শব্দৰ বীজবোৰ মগজুত সিচিছিলো
পলস বিচাৰি
হৃদয় খন উলটাই চালো
দেও লগা কেইটামান কবিতাৰ শাৰী ।





# কবিতা— এটি প্ৰাসঙ্গীক চিন্তা

শ্ৰীদীপক কুমাৰ শৰ্মা মেধী
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

আজিৰ এই পৃথিৱীৰ মানুহৰ মাজত শিল্প-সাহিত্যক লৈ গুণা গঁঠা কৰাৰ শেষ নাই। মানুহৰ সৃষ্টি প্ৰক্ৰিয়া ইমান জটিল যে সকলো সময়তে তাক ব্যাখ্যা কৰা সম্ভৱ নহয়। "Great art is an unconscious creation"

কবিয়ে প্ৰকৃতিৰ লগত সংস্পৰ্শলৈ আহোতে কবিৰ মনত প্ৰকৃতিৰ বহিদৃশ্যই বহুল ভাৱে প্ৰভাৱ পেলাই আৰু এই প্ৰভাৱেই কবিৰ সৃষ্টি শক্তি ৰূপে কল্পনাৰ সহায়ত প্ৰকাশ পায়।

কাব্যত ভাৱৰ উদয় হয় এটি শান্তিপূৰ্ণ কল্পনা প্ৰৱণ মনত যি পৃথিৱীৰ সীমাৰেখা পাৰ হৈও ভাৱ-বস্তু সংগ্ৰহ কৰি উপযুক্ত শব্দৰ মাধ্যমৰ দ্বাৰা প্ৰকাশ কৰি ৰূপ দিয়ে কবিতাত। সংগীতময় শব্দ আৰু ছন্দৰ মাধ্যমেৰে কবিৰ লেখনীত কবিতা মূৰ্ত্তিমান হৈ উঠে কিয়নো বস্তুৰ কল্পনাময় ৰূপে কবিৰ অন্তৰত ভাৱৰ সৃষ্টি কৰে।

কবিতা হ'ল "Best Words in the best Orders." কবিৰ অন্তৰত যেতিয়া ভাৱবোৰে বিভিন্ন ধৰণে খেলা কৰে তেতিয়া কবিয়ে নিৰ্ব্বাচিত শব্দৰ মাধ্যমত সেইবোৰ প্ৰকাশ কৰে। এই ক্ষেত্ৰত শব্দবোৰক কবিয়ে অভিধানৰ পৰা আদৰি নানিবও পাৰে, সেই বুলি কবিতাই শব্দৰ অভিধা শক্তিক কেতিয়াও অস্বীকাৰ নকৰে। তাৰোপৰি কবিতাত শব্দই ব্যঞ্জনা শক্তি লগত লৈ আহে। সেয়েহে কবিতাত ব্যৱহাৰ হোৱা শব্দবোৰৰ উচ্চাৰণ ধ্বনি শুনিবলৈ মধুৰ হয়। কবিৰ ভাৱৰ ত্ৰিবেণীত শিক্ত হৈ ওলাই অহা শব্দবোৰৰ কিছুমানে মানুহৰ মনক বেছিকৈ আকৰ্ষিত কৰে—শ্ৰুতি মাধুৰ্য্যতাৰে। সেয়ে একোজন কবিৰ একো একোটা কবিতাৰ কিছুমান শব্দই অন্তৰত ডোলা দি থাকি যায়। যেনে— ৰঘুনাথ চৌধাৰীৰ 'আৰুনো কিমান দিয়া বেদনাৰ বোজা হে মোৰ হৃদয় দেবতা'। যতীন্দ্ৰ নাথ তুৱৰাৰ— 'আজিয়ে দিয়া কাইলৈ কিয়, কোনে জানে কালি কি হব, হেজাৰ হেজাৰ বছৰ বিয়পা হয়তো অতীতে সামৰি থব'। হীৰেন ভট্টাচাৰ্য্যৰ 'মৃত্যুওতো এটা শিল্প জীৱনৰ কঠিন শিলত কটা নিলোৰ্ভ ভাস্কৰ্য'। এনে ধৰণৰ বহু উদাহৰণ দাঙি ধৰিব পাৰি যিবোৰৰ কিছুমান শব্দই প্ৰাণত খুপি ৰৈ যায়।

কবিতাৰ সৃষ্টি হয় কল্পনাৰ ওপৰত ভিত্তি কৰি। সেয়ে অনুভৱৰ প্ৰাধান্য কবিতাত

কিছু তীক্ষ্ন। গতিকে প্ৰতি পদে পদে কবিতাক বুজিবলৈ চেষ্টা কৰিলে কবিতাৰ অনুভূতিও আঘাট লাগে। কল্পনাই মুৰ্ত্ত বিকাশ লাভ কৰাৰ আগতে বাস্তৱ বা অবাস্তৱ সামগ্ৰীৰে চহকী হৈ কবিতাই চিৰন্তন সত্যক সুন্দৰ ভাৱে প্ৰকাশ কৰে।

কাব্য সৃষ্টিৰ যোগেদি কবিয়ে— নিজকে প্ৰকাশ কৰে। কাব্যৰ প্ৰেৰণাই ভাৱধাৰাক সৌন্দৰ্য্যময় কৰি তোলে। উপনিষদে কৈ থৈছে 'আনন্দৰূপম মৃতংমদ্ বিভাতি'। অৰ্থাৎ য'ত কিছু প্ৰকাশ পাইছে সেয়ে তাৰ আনন্দ ৰূপ। যদি মনত আনন্দ নাথাকে তেনেহলে সেই মনৰ পৰা সৌন্দৰ্য্যময় ৰূপৰ ধাৰ নিস্বৃত হৈ আনন্দ দিব নোৱাৰে।

কবিতাৰ উদ্দেশ্যক লৈ মতানৈক্য আছে। কিছুমানৰ মতে কবিতাৰ উদ্দেশ্য হল শিক্ষা দান কৰা। কিন্তু কবিতাৰ কাম অকল শিক্ষা দান কৰাই হব নোৱাৰে। যদি হয় তেনেহলে কবিতাৰ সমাধি ঘটিব। কবি যিহেতু সামাজিক ব্যক্তি গতিকে কবিয়ে সমাজ আৰু জীৱনক কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰে। সমাজ আৰু জীৱনৰ মঙ্গল কৰাটো কবি সকলোৰ প্ৰধান কৰ্ত্তব্য। বাৰ্ণাড শ'ই কৈছে— 'Good art is never produced for its own sake.'' ক'লাৰ বাবে ক'লা আৰু কবিতাৰ বাবে কবিতা' এই কথা যি সকলে প্ৰচাৰ কৰিছিল তেওঁলোকেও মাজে সময়ে মানৱ জীৱনত কলাৰ আৱশ্যকতাৰ কথা চিন্তা নকৰাকৈ থকা নাই।

কবিয়ে কবিতাৰ স্থায়ী কুতুবমিনাৰ নিৰ্মান কৰে নিৰ্জীৱ কল্পনাক সৌন্দৰ্য্যৰ পাথৰেৰে গাঁঠি। ধুলি কণাৰ পৰা আৰম্ভ কৰি অদৃশ্য বস্তু জীৱ প্ৰকৃতি সমাজনীতি, ৰাজনীতি, ধৰ্মনীতি, অৰ্থনীতি আদি সকলো সামগ্ৰী কবিতাৰ বুকুত সামৰি থোৱা আছে।

ছন্দই কবিতাক গদ্যৰ পৰা পৃথক কৰে। ছন্দ হল কবিতাৰ প্ৰাণস্বৰূপ। ছন্দৰ সতে ভাৱৰ সম্বন্ধ হল এটা পইছাৰ পিঠি ভুখনৰ দৰে। সেয়ে সকলো ভাৱৰ কবিতা একেটা ছন্দতে লিখি উলিয়াব নোৱাৰি।

আধুনিক কবিতাত ছন্দৰ ধৰাবন্ধা নিয়ম নহোৱা হৈছে। আধুনিক কবিতাত ভাৱেও গতানুগতিকতাৰ পৰা ফালৰি কাটি আহি মনৰ গতিৰ সতে লগ লাগিছে। গতিকেই কবিতা প্ৰকাশৰ বাহন হৈছে ছন্দ। ভাৱৰ ওপৰতে ছন্দ নিৰ্ভৰ কৰে। যেতিয়া ভাৱেই অ-শৃংখল ভাৱৰ গতিত অ-শৃংখল হবলৈ বাধ্য। আধুনিক কবি সকলে ছন্দৰ বাহ্যিক ৰূপতকৈ ভাৱ আৰু শব্দৰ মাধুৰ্য্যতালৈ বিশেষ ভাৱে গুৰুত্ব দি আহিছে যেন অনুমান হয়।

কবিতাৰ মানস চিত্ৰ কি কৰলৈ যাওঁতে এজৰা পাউণ্ডে কৈছে— An image is that which present an intellectual and emotional complex in an instant of time.

কবি সকলে মানস চিত্ৰ কৰ পৰা সংগ্ৰহ কৰে? মানস চিত্ৰ সংগ্ৰহৰ বাবে প্ৰয়োজন এটা পৰিপুষ্ট মন যিয়ে অধ্যয়ণ, অনুসৰণ, বিশ্লেষণ আদিৰ দ্বাৰা নিজক চহকী



কৰিব পাৰে। আধুনিক কবিৰ মানসিক বিস্তৃতিয়ে প্ৰকাশৰ মাধ্যমৰ ক্ষেত্ৰত এক জটিলতাৰ সৃষ্টি কৰিলে। এটা কথা আজি কালি প্ৰায়ে শুনা যায় যে আধুনিক কবিতা ভুৰহ। ইয়াৰ উত্তৰত কব পাৰি যে বৰ্ত্তমানৰ সভ্যতাৰ চৰিত্ৰই যি ক্ষেত্ৰত জটিল সেই ক্ষেত্ৰত জটিল সেই ক্ষেত্ৰত আধুনিক কবিতা জটিল নহৈ নোৱাৰে। হোৱাটো স্বাভাৱিক।

আধুনিক কাব্যৰ ভাষা বুজিবৰ বাবে পাঠক সমাজেও অনুশীলন আদি অভ্যাসেৰে নিজক যোগ্য প্ৰতিপন্ন কৰিব লাগিব। কাণ, চকু, হৃদয়, মগজু আদি সকলো মাধ্যমৰ দ্বাৰা আধুনিক কবিতাক বুজিব পাৰিলেহে বুজা সম্পূৰ্ণ হয় বুলি কব পাৰি। সেই দৰে আধুনিক কবি সকলেও কবিতা লিখে তেওঁৰ মগজু আৰু সামগ্ৰীক ব্যক্তিত্বৰে।

কবিতাৰ সংজ্ঞা প্ৰকৃতাৰ্থত দিব নোৱাৰি। উপলব্ধিহে কৰিব পাৰি। একোটা ভাল কবিতাই সত্যক তুলি ধৰে পতাকাৰ দৰে, ৰহস্যক শব্দ দিয়ে, গন্ধ দিয়ে, বৰ্ণ দিয়ে, আয়তন দিয়ে। ভাল কবিতাই দিয়ে অনন্য এক আস্বাদ, অনন্য এক আবেগ, যাক একোৰেই প্ৰকাশ কৰিব নোৱাৰি।

বিঃ দ্ৰঃ— প্ৰয়োজন সাপেক্ষে সহায় লোৱা হৈছে।



# ‘আশংকা’

ৰফিকুল ইছলাম
স্নাতক মহলা ৩ বৰ্ষ
( বিজ্ঞান শাখা )

মোৰ মনৰ উত্তপ্ত দিশবোৰ
তিয়াই দিয়া কল্পনা,
তিক্ত ৰ বাস্তৱৰ প্ৰহাৰত
মৰুভূমিত বাট বিচাৰি ভাগৰি পৰা
পথিকৰ দৰে বিভ্ৰান্ত।
ৰক্ত পিপাসুবোৰৰ তীক্ষ্ম আচোৰত
ক্ষত-বিক্ষত দেহ,
বতাহে কাণে কাণে দি যোৱা সকিয়নি
( মোৰ ) মনৰ অটল গহ্বৰৰ পৰা
ওলাই অহা প্ৰতিবাদ মিছিল তাকেই কয়।
অক্টোপাছৰ লোলুপ দৃষ্টি
মোৰ ফালে —
চিন্তা শক্তি বিলুপ হোৱাৰ উপক্ৰম,
আন্ধাৰত খেপিয়াই বিচৰাৰ দৰে
বিচাৰিছো —
কিবা এটা নোপোৱা বস্তু।
সন্ধিয়া পছিমৰ ৰক্তিম আকাশ খনলৈ চালে
মনলৈ আহে --
পৃথিৱী খন যদি মৰিশালি হয়,
পাহাৰবোৰ যদি একোটা চিঁতা হয়
তেন্তে,
এই ৰক্ত পিপাসু, অক্টোপাছ বোৰৰ
বাৰু কেনে আনন্দ হব ???

# অন্বেষণ

মিচ্ পূৰবী নাথ।
স্নাতক ২ য় বাৰ্ষিক ( কলা )

মোৰ অশান্ত হৃদয়ত,
ভৱিষ্যতৰো কোনো শান্তি আৰু আশাৰ
সম্ভাৱনা নাই।
শান্তি আৰু আশাৰ স্বপ্নত
মই কিযে ভয়াবহ ভাবে অসহায়!
তথাপিও মই জীয়াই আছো
দুঃ সহ যন্ত্ৰনাৰ ভয়াবহ যাতনালৈ,
ঠিক দিশহাৰা চৰাই জনীৰ দৰে।
ৰাতিৰ প্ৰান্তৰে প্ৰান্তৰে, ৰাখো বিচাৰিছো
মোৰ অশান্ত হৃদয়ৰ সেই নিবিড় গোপন শব্দৰ
বৰ্ণ আৰু পোহৰৰ উৎস।

# প্ৰতীক্ষাৰ সময়

বৰ্ণালী ৰায়
উঃ মাঃ ১ম বৰ্ষ ( কলা )

খিৰিকী খন খোলাই থাকে
সূৰ্য্যটো সাৰ নোপোৱালৈকে ;
নিস্তব্ধ ৰজনী—
প্ৰতি ইন্দ্ৰিয় সজাগ
জানোচা ৰুদ্ধ দুৱাৰত টুকুৰিয়াই
তুমি উভতি যোৱা !



# বিদায়

মোঃ চেলিম আখতাৰ
স্নাতক ম'হলা, প্ৰথম বাৰ্ষিক
বিজ্ঞান শাখা

চাওঁ, মোৰ কান্ধৰ পৰা আতৰি যোৱা
(আৰু) চকু পানীবোৰ মছি পেলোৱা ॥
মোৰ কান্ধৰ পৰা হাত আতৰোৱা
সৌৱা চোৱা, ৰেলগাড়ী আহিছে ॥
মই তোমাক এৰি যাব খোজা নাই
দৰিদ্ৰতাই মোক পলুৱাই নিছে ॥

# নাম নাই

ফিৰোজ আহমেদ
স্নাতক মহলা, ২য় বৰ্ষ
(বিজ্ঞান)

গীতটি শেষ হ'ল
চকুপানী বৈয়ে থাকিল
হঠাৎ বেঁসুৰা শব্দত তাৰ
স্বপ্ন ভাগিল।
শুকান হাঁহিটিৰে সি,
পইচাবোৰ খেপিয়ালে
তাৰ চকুপানী গছকি
এজাক মানুহ পাৰ হৈ গ'ল।

# স্মৃতি

[ৰুচ কবি পুস্কিনৰ কবিতাৰ ভাৱানুবাদ]

উজজ্বল চক্ৰৱৰ্ত্তী
উঃ মাঃ ২য় বৰ্ষ (কলা)

মোৰ নামৰ মূল্যই বা কি
তোমাৰ বাবে ?
দূৰ লহৰৰ বিষন্ন কল্লোলৰ দৰে
অথবা
কোনো অৰণ্যৰ নৈশ প্ৰহৰৰ
হুমুনিয়াহৰ দৰে
ই শেষ হৈ যাব,
এলবামৰ উৱলি যোৱা পাতত ৰ'ব
অস্পষ্ট অচিন মুখ,
যেন সমাধিত খোদিত আখৰ
অথবা মৃত অতীতৰ
ভগ্নাৱশেষ
কিয়েইবা আছে মোৰ নামত!
কাহানিবাতে পাহৰি পেলোৱা
খেলি মেলি এক অনুভৱ
ই তো তোমাক নিদিয়ে
আকুলতা অথবা
মিঠা শিহৰণ !
যন্ত্ৰণাৰ মুহূৰ্ত্তত
এবাৰ এনেকৈ ভাবিবানে
মোৰ কথা
“এতিয়াও তেওঁ মোক
সোঁৱৰণ কৰে
তেওঁৰ হৃদয়ে এতিয়াও কৰে
কেৱল মোৰেই বন্দনা”।

কথা কবিতা

# চিঠি

পূৰবী নাথ
স্নাতক মহলা
৩য় বৰ্ষ (কলা)

তোমালৈ,

মৰমবোৰ লবা। এতিয়া পূৱতি নিশা। প্ৰতিটো পলে কটিয়াই অনা চেঁচা বতাহজাক হয়তো পূৱতি নিশাৰে পৰিচায়ক, এই পূৱতি নিশাত তোমালৈ বৰকৈ মনত পৰিছে জানা! মোৰ উজাগৰি সত্বাক সান্ত্বনা দিবলৈ টিনপাতত পৰি পিছলি যোৱা পুৱতি নিশাৰ নিয়ঁৰৰ টুপ্ টুপ্ শব্দৰ হিচাপ কৰি আছোঁ মই। তাৰ মাজে মাজে তোমালৈ ......... ।

ৰাতি পাৰ চৰাইয়ে কন্ দিয়া কিবা বিপদৰ ইঙ্গিত নেকি বাৰু? যোৱা কেৱা ৰাতি ধৰি পাৰ চৰাই কেইটাই কন্ দি আছে। হয়তো কিবা বিপদৰেই আগ জাননি।

তোমাৰ দীঘল দীঘল শ্বাস-প্ৰশ্বাসৰ শব্দ শুনি আছোঁ যেন লাগিছে জানা? পিছে কাণেৰে নে হৃদয়েৰে ঠিক ধৰিব পৰা নাই। ৰাতি পূৱাবলৈ আৰু বেছি সময় নাই। কথা এটা তুমি বাৰু জানা নে নাই? পূৱতি নিশা সপোন দেখিলে হেনো সপোনবোৰ বাস্তৱ হয়। তুমি বাৰু এতিয়া কিবা দেখি আছা নেকি?

বাহিৰত নিয়ঁৰৰ টুপ্-টুপ্ শব্দ ক্ৰমাৎ বাঢ়িছে জানা! তাৰ মাজে মাজে তোমালৈ । আজিলৈ আহোঁ দেই।

ইতি—
তোমাৰ
"মৰমৰ"





# প্ৰবন্ধ

প্ৰপঞ্চ

# ( গোৱালপৰীয়া লোক সাহিত্য )

( বিশিষ্ট ব্যক্তিৰ প্ৰবন্ধ )

ভবেশ দাস

পশ্চিম অসম লোক-সাহিত্যত বিশেষ ভাবে চহকী । এই অঞ্চল অকল যে লোকগীতৰ বাবেই প্ৰসিদ্ধ এনে নহয় । ইয়াত আছে ককৰা যোজনা, সাধু কথা, প্ৰবাদ আৰু আছে ময়নামতীৰ গীতৰ দৰে দেশী ভাবাত ৰচিত বেলাড। গোৱালপাৰা ( অবিভক্ত ) জিলাত জমিদাৰী প্ৰথা যেনেদৰে আছিল, তেনেদৰে আছিল হাতী ধৰা ফান্দ আৰু ম'হৰ বাথান। জমিদাৰৰ কৰত-লীয়া প্ৰজাই সাধাৰণতে জমিদাৰক হাতী ধৰি দিব লাগিছিল । মাহুতে যেতিয়া ৰাজন্যবৰ্গৰ নিৰ্দেশত হাতী চিকাৰলৈ ওলায়, তেতিয়া আপোনজনৰ মনত বিৰহে ঠাই পায় কাৰণ 'গজৰাজ হাতী' চিকাৰ কৰা যে দুঃসাধ্য, তাত প্ৰাণৰো সংশয় । সেয়ে লোকগীতত তাৰ বেঙনী শুনা যায়—

অ' মোৰ দন্তাল হাতীৰ মাহুত ৰে<br>
অ' ৰে যেই দিন মাহুত চিকাৰ যায়<br>
নাৰীৰ মন মোৰ ঝৰিয়া ৰয়ৰে ।

হাতী চিকাৰলৈ যাবলৈ ফান্দী মাহুতৰো অনিচ্ছা। প্ৰিয়জনীক এৰি যাবলৈ মুঠেই ইচ্ছা নাই। তাৰ সুৰ শুনা যায় লোকগীতত

যেদিন মাহুত কান্দিয়া ৰয়<br>
নাৰীৰ মন মোৰ ঝৰিয়া ৰয় ৰে ।

হস্তীৰ কন্যাক লৈ সুন্দৰ কাহিনী এটাও এই অঞ্চলত বহুলভাবে প্ৰচলিত । এজনী বামুণৰ ছোৱালী পানী আনিবলৈ কাষত কলহ লৈ নৈ ঘাটলৈ যায়। হস্তীৰ কুলে তাইক নিজৰ মাজতে ৰাখি নিজৰ কন্যা ৰূপে তুলি তালি ডাঙৰ দীঘল কৰে । এই জনশ্ৰুতিৰ আলমতে ৰচিত হৈ উঠিল এই গীতটি—

হস্তীৰ কন্যা হস্তীৰ কন্যা বামোনেৰে নাৰী ।<br>
মাথে নিয়া তাম কলসী অ' হাতে সোণাৰ ঝাৰী ।

সংস্কৃতত এষাৰ কথা আছে "স্ত্ৰীনাং চৰিত্ৰ, পুৰুষস্য ভাগ্যম, দেৱা ন জানন্তি কুতো মনুষ্যা' । আমাৰ গোৱালপৰীয়া তিৰোতাৰ চৰিত্ৰেও কিন্তু বৰ আচৰিত। যিজন মাহুত ফন্দীক ইমান ভাল পায়, সেইজন সম্পৰ্কেও সন্দেহ প্ৰকাশ কৰে ।

হস্তী নৰাণ হস্তী চৰাণ হস্তীৰ গালায় দৰী<br>
সত্য কৰিয়া কনৰে মাহুত ঘৰে কয়জন নাৰী ।

তাত ফন্দীৰ উত্তৰ—

হস্তী নৰান হস্তী চৰাণ হস্তীৰ গালায় দৰী<br>
সত্য কৰিয়া কহিলং কথা বিয়াও নাই কৰি ॥

তথাপিতো মনৰ সন্দেহ নাতৰে। মাহুতে চিকাৰলৈ গৈ জানো আকৌ উভতি আহিব। কিজানি অইন কাৰোবাৰ প্ৰেমত পৰে। সেয়ে তাতো সন্দেহ—

তোমৰা গেইলে কি আসিবেন মোৰ মাহুত বন্ধুৰে।

বিহুগীতত ডেকাই গাভৰুক উদ্দেশ্যি গায়—

তোৰ দৰে নাচনীক পলুৱাই নিনিলে
মৰিমে বৰলা হৈ,

গোৱালপৰীয়া ডেকাই গায়—

ধৌলি মোৰে মাই
সুন্দৰী মোৰে মাই
দোনো জনে যুক্তি কৰি চল পালেয়া যাই।

গোৱালপাৰাত যেনেদৰে আছে প্ৰেমৰ গীত তেনেদৰে আধ্যাত্মিকতাৰ গীত। মানুহৰ জীৱনটো কচুৰ পাতৰ পানীৰ দৰে ক্ষন্তেকীয়া। সঁজাৰ প্ৰাণ-পখী উৰি গ'লে দেহটোৰ স্থান হব, হয় শ্মশানত নাইবা কবৰত। সেয়ে গীতৰ মাজেৰে প্ৰকাশ পাইছে—

কচুৰ পাতেৰ জল যেমন ৰে
জীৱন টলমল টলমল কৰে
ঐ মতন মানুষেৰ জীৱন ৰাখিম কতকাল জীৱনবে।

× × ×

হিন্দুৰ মৰা হইলে পৰে ৰে নিয়া যায় গাঙেৰ ঘাটে
মুছলমানেৰ মৰা হইলে সাথে সাথে মাটি জীৱনৰে।

হৰিগুণ গান গালেহে স্বৰ্গলৈ যাব পাৰি ই সৰ্বজন স্বীকৃত সত্য। বৈষয়িক চিন্তা ভাৱনা এৰি জীৱনৰ ভাটি বেলাত হৰি নামত নিজকে বুৰ নিয়াই ৰাখিব লাগে। হৰি নামত নিজকে সম্পূৰ্ণ ৰূপে নিমজ্জিত কৰিলে মৃত্যুৰ পিছত বৈকুণ্ঠত স্থান পায়। কিন্তু যদি বৃদ্ধ কালছোৱা, এৰি থৈ অহা কালছোৱাৰ চিন্তা ভাৱনাতে কটাই দিয়া হয়। তাৰ সুৰ বাজে এই লোকগীতিত—

বাল্য কাল গেল হাসিতে খেলিতে
যৈৱন কাল গেল ৰঙ্গে
আৰ বৃদ্ধ কাল গেল ভাবিতে চিন্তিতে
হৰি ভজিব কোন কালে ...... ।

স্বামী অবিহনে নাৰীৰ জীৱন বৃথা। সেয়া লোক গীতত পৰিস্ফুট হৈছে এনেদৰে—

আকাশেতে নাইৰে চন্দ্ৰ কেমন কৰে তাৰা
যেই নাৰীৰ স্বামী নাই অ' তাৰ দিনে অন্ধিয়াৰা।

ইয়াৰ উপৰিও আছে বিভিন্ন পূজা পাতলত গোৱা ধৰ্মীয় গীত।

লোকগীত সমূহৰ উপৰিও এই অঞ্চলত ফকৰা যোজনাই লোক সাহিত্যত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। যি কোনো কথাৰ মাজতে একোটা ফকৰা মাতি নিজৰ যুক্তিক দৃঢ় কৰিবলৈ চেষ্টা কৰাটো গাঁৱলীয়া মানুহৰ এক স্বাভাৱিক প্ৰকৃতি। এসময়ত ডাক নামৰ সিদ্ধ পুৰুষ এজনে খেতিৰ মঙ্গল অমঙ্গলকে আদি কৰি ভালেখিনি প্ৰবাদ অসমীয়া জন সাহিত্যৰ ভঁৰাললৈ আগবঢ়াই থৈ গৈছে। সেইবোৰো গাঁৱলীয়া মানুহে কথা প্ৰসঙ্গত ব্যৱহাৰ কৰে তাৰ উপৰিও আন ফকৰাবোৰেও গাঁৱবাসীৰ মাজত সমানে জনপ্ৰিয়তা লাভ কৰিছে। এনে ফকৰা কিছুমানৰ উদাহৰণ আমি দিব পাৰো এনেদৰে—

কামাৰ বিদ্যা ঠকাস ঠুকুস বানিয়া বিদ্যা চোৰ
ওঝা বিদ্যা শিকিস যদি আশা পালি মৰ।

× × ×

কামাৰেৰ ভাঙা দাও, বৈদ্যেৰ কাসুলা মাৱ
ঘৰ কালাৰ ভিজে মাথা, জোলাৰ ছাৱাৰ গলত খেতা

× × ×

আছিলুং মাণ্ডৰ হইলুং কৈ
দিনে দিনে আৰ বা কি হৈ।

× × ×



এক তিৰীয়া হুকুৰ হুকুৰ, দুই তিৰীয়া কাখিৰ কুকুৰ
তিন তিৰীয়াৰ মাথাত হাত, চাইৰ তিৰীয়া খুজিয়া নাপায় ভাত।

পশ্চিম অসমত বড়ো সকলো এক অন্যতম জনগোষ্ঠী। অসমীয়া লোক সাহিত্যৰ বহল পথাৰখনলৈ এওঁলোকৰো অৱদান প্ৰচুৰ। বহাগ মাহত বড়ো সকলে তেওঁলোকৰ অতি প্ৰিয় উৎসৱ বৈশাগু পালন কৰে। তাত "বৈহাগু মেথায়' বা বিহুগীত গায়। বড়ো সকলৰ মাজত প্ৰেম প্ৰীতিৰ গীতবোৰ বাগৰুম্বা নামেৰে পৰিচিত। বাগৰুম্বা গীতবোৰ ডেকা-গাভৰু সকলৰ খুব জনপ্ৰিয়। তেওঁলোকে এনে গীত গাই আৰু নাচ নাচি নিজৰ মনৰ ভাব প্ৰকাশ কৰে।

ছিখ্লা আদা। হাথায় ছালিনি
থাও দিংগ্ৰিলো নোং বায়খা
আচ্ছান মুঠা, গোজোং লোলো
নোং দোনখা।

বজাৰৰ তেলৰ বটল তুমি কিনি ৰাখিবা।
খাৰু মুঠি, উজ্জ্বল মালা তুমি কিনি ৰাখিবা।

জাতি বা কুল লৈ বিয়াৰ ক্ষেত্ৰত বাধা প্ৰত্যেকখন সমাজত আছে। বড়ো সমাজতো তাৰ প্ৰভাৱ কম নহয়। উচ্চ জাতত বা নিজৰ কুলৰ মাজত বিয়া দিবলৈ প্ৰত্যেক মাক বাপেকে ইচ্ছা প্ৰকাশ কৰে। কিন্তু প্ৰেমে যে জাতি-কুল একো বিচাৰ নকৰে। বড়ো ডেকাই এটি গীতত গাভৰুক জাতি কুল বাদ দি স্বামী বৰণ কৰিবলৈ আকুল আহ্বান জনাইছে—

অ' খাফীৰ বৈশাখনি
অথা দৈজোং হনৈ
জৌনৈ নাইগদাও নাই গদাও
দাওৰী লাইগো হনৈ
জুলি লায়ৈ লায়ৈ না খুৰছা
না খুৰছা আগে।

মৈনাগুৰিৰ ছেওৱাৰী প্ৰাণৰ সোণ। জাতি বাছি বাছি পুৰুষ বাছি বাছি স্বামী বৰণ কৰিলে পাপ লাগিব চেনাই।

বড়ো সকলে বাথৌক পূজা কৰে। বাথৌ পূজাৰ বেদীৰ সন্মুখত তেওঁলোকে ধৰ্মীয় গীত "বাথৌ চিবিনায়নি মেথায়" গায়—

মুৱা থাৰি নোং আফা
মুলুগ গিডি় নোং আফা
স্বৌৰজি গিডি় নোং আভা দহায়
অই আফা দহায়! দহায়!

সকলোতে তুমি পিতা, জগত পৰ্বত তুমি পিতা, সৃষ্টি কৰ্ত্তা তুমি পিতা, ক্ষমা কৰা হে পিতা ক্ষমা কৰা।

নতুন বছৰৰ লগে লগে ৰাভা সকলৰ মনত আশাৰ সঞ্চাৰ হয়। সেই সময়ত সিহঁতৰ মাজলৈ আহে অতিকৈ চেনেহৰ বুকুৰ বান্ধৈ বায়খু উৎসৱটি। বায়খুই ডেকা গাভৰুৰ প্ৰাণলৈ জোৱাৰ আনে। সময়ৰ সোঁতত যৌৱনৰ আবেগত ৰাভা ডেকা-গাভৰু অধীৰ হৈ পৰে। ছাথাৰ বোৰ ৰাভা গাভৰুৰ সুখ-দুখৰ সাময়িক অভিব্যক্তি। ই প্ৰণয়ৰ উৎসৱ অন্তৰৰ বেদনা প্ৰকাশৰ মাধ্যম। অকংশৰীয়া গাভৰুৰ আকুল হিয়াৰ বেদনা প্ৰকাশৰ আলম হিচাবেই ছাথাৰৰ সৌন্দৰ্য—

আলি গোছা পাচাৰ
ছিৰা দাৰা পাচা
নাতং সোণাও ছাৰাই
চিংবা কাইনা বেংচা।

আলি এটাকে পাব নহওঁ, পানী নলা এটাকে ছেৰাই নাযাওঁ। তইঁত চেনাইক এৰিও আমি কলৈকো নাযাওঁ।

ডেকাই গছ তলত বাঁহী বজালে গাভৰুৰ মন ৰাইজাই কৰি উঠে। এনেয়ে ডেকালৈ ঘনাই মনত পৰি থাকে। তাতে যদি বাঁহীৰ সুৰ শুনে তেন্তে গাভৰুৰ হাতৰ বন নেওচি পথাৰলৈ ঢাপলি মেলিবৰ মন যায়। ইপিনে মাক দেউতাকৰ বাধাৰ বাবে মনৰ ইচ্ছা মনতে মাৰ নিয়াব লগা হয়। সেয়ে ছাথাৰত গাভৰুৱে দুখ কৰি গায়

তা ব্ৰাংছিং ছুকবে তা কাঢ়া তুক
ইকায় খুৰাং নাদংবৈ মণি চাঙা ছুক।

বাঁহী নবজাবি, কাঢ়াব বাৰ আৰু নুশুনাবি
সেইবোৰৰ মাত শুনিলেই মোৰ মনলৈ দুখ আহে।

দক্ষিণ গোৱালপাৰাত লক্ষীপুৰ থানাত যথেষ্ট সংখ্যক হাজং আছে। এওঁলোক পৰ্বতীয়া জনজাতিৰ অন্তৰ্ভূক্ত। হাজং সকলে খেতি শেষ হোৱাৰ সময়ত 'লেৱাটানা' গীত গায়। ই তেওঁলোকৰ প্ৰেমৰ গীত। হাজং ডেকা গাভৰুৰ মনৰ উদ্দাম বাসনা এই গীতবোৰৰ যোগেদি প্ৰকাশ পায়।

টানা টানি কৰাতে লেৱা ছিঙিল মাজতে
আই বৈনী লেৱা জৰেয়া দে।

× × ×

চিক্ চিকা পানীতে কাউছা ডিমা পাৰিছে।
চল বৈমী বিচাৰিবা যাং।

## বিদেশী বন্ধুলৈ চিঠি

ওঁ

নিজৰা শৰ্মা
স্নাতক ৩য় বাৰ্ষিক (বিজ্ঞান)
তাং—

মৰমৰ………

মোৰ বৰ্ত্তমানৰ ঠিকনা নজনাকৈ কেৱল গৌৰীপুৰীয়া গাভৰুৰ ঠিকনাৰে লিখা তোমাৰ চিঠিখনে যথেষ্ট পলমকৈ হলেও মোক আনন্দিত কৰিছে। কিন্তু হাঁহি উঠিছে তুমি লিখা কথা যাৰৰ বাবে, "গৌৰীপুৰীয়া গাভৰু দেখিলো গোৱালপাৰা লৈ গৈ" তুমি চতুৰ্থ শ্ৰেণীত অঁকা গোৱালপাৰা জিলাৰ বকাসুৰৰ ৰাজ্য সদৃশ মেপ খন আজিৰ ছাত্ৰই আকিব নালাগে। কেৱল নদীৰ দক্ষিণ পাৰৰ পাতি হাৰ ডাল (তোমাৰ ভাষাত্য) আঁকিলেই হ'ল। এই পাতিহাৰ ডালো চিঙো চিঙো অৱস্থা। যি হে বড়ো, কছাৰী, ৰাজবংশী প্ৰত্যেক সম্প্ৰদায়ে নিজ নিজ ৰাজ্যৰ দাবী কৰিছে কেৱল অধিকাৰৰ বাবে কৰ্ত্তব্য বিহীন ভাবে। তোমাৰ কল্পনাৰ সেই শিশিৰ মেধি, অনিল ডেকা, গীতুমনি আদি সদৃশ ডেকা গাভৰু বোৰ এতিয়া তুমি পঢ়া ইতিহাসৰ কোনোবা মৰিশালীত। তাৰ পৰিবৰ্ত্তে বিচাৰিব পৰা নতুন যুগৰ যুৱক যুৱতী (ডেকা গাভৰু নুবুলিবা হাঁহিব) যাৰ কদাৰ্য্যতা ইতিহাসে ঢুকি পাব নোৱাৰে।

এনে বিভৎস মানসিকতাৰ বাবে তুমি কাক জগৰীয়া কৰিবা, অন্ধ ধৃতৰাষ্ট্ৰ হৈ দ্ৰোণাচাৰ্য্য সদৃস্য শিক্ষকক গৰিহণা দিয়া, সন্তানৰ অভিৰুচি পুৰনৰ বাবে পিতৃ হোৱা অভিভাৱক= নে গোৱালপৰীয়া শিলভদ্ৰৰ কলা কৃষ্টি পূৰ্ণ সমাজ ব্যৱস্থাক ?

এখন চিঠিতে বহু কথা লিখিলো তোমাৰ কল্পনাই তোমাক প্ৰতাৰিত কৰা বুলি জনাবলৈ নহয়. আজিৰ গোৱালপৰীয়া ডেকা গাভৰুৱে নিজে নিজকে আৰু সমাজক প্ৰতাৰিত কৰাৰ কথা জনাবলৈ। শেষত গোৱালপৰীয়াৰ অন্তৰ বেদনাৰ মাজতে নতুন সপোন জাগ্ৰত হোৱাৰ কামনাৰে সামৰিলো তোমালৈ বহুত মৰমেৰ (ইতি— )

মহাবিদ্যালয় সপ্তাহত পুৰস্কৃত



# —ঃ নেলছন মেণ্ডেলা ঃ—

—প্ৰণৱ বড়া—
প্ৰাক্তন ছাত্ৰ

সুদীৰ্ঘ ২৭ বছৰ— প্ৰিটৰিয়া অন্ধকাৰ কাৰাগাৰত বন্দী হৈ ৰ'ল নেলছন মেণ্ডেলা। যাৰ নামেই সম্পূৰ্ণ পৰিচয়। দক্ষিণ আফ্ৰিকাৰ সংখ্যালঘু শ্বেতাঙ্গত সকলে সংখ্যাগুৰু কৃষ্ণাঙ্গ সকলক ক'লা বগা বৈষম্যৰ ভিত্তিত যুগৰ পিছত যুগ শাসন কাৰি আহিছে, তাৰোপৰি নিপীড়ন লাঞ্চনা আৰু বৰবৰতা, কিন্তু কৃষ্ণাঙ্গ সকলে বিছাৰিছে আক্ৰকাত সমতা মানবীয় মৰ্য্যদা, মুক্তি। সেই সংগ্ৰামৰে বালি হ'ল অঙ্গীকাৰ বদ্ধ মেণ্ডেলা। কিন্তু মেণ্ডেলাৰ জন প্ৰিয়তাই সমগ্ৰ বিশ্ব কপালে মেণ্ডেলা কাৰাগাৰ মুখী হওঁতে জনমলভা শিশুটি আজি যুৱক হ'ল, তাহানি প্ৰেঢ়ি আৰু বৃদ্ধ হ'ল, কিন্তু মেণ্ডলাৰ সংগ্ৰামী মন আজিও পূৰ্ণ যৌৱন প্ৰাপ্ত।

১৯১৮ চনৰ ১৮ জুলাইত South Africa ৰ দক্ষিণ পূৱ উপকুলৰ ট্ৰেন্ধাকেই অঞ্চলৰ ওমটাঠা নগৰৰ গ্ৰামাঞ্চলৰ টেম্বু জনজাতিৰ পৰিয়ালত নেলছন মেণ্ডেলাৰ জন্ম হয়। ১৮৩৮ চনত তেওঁ ফৰ্ট হাৰেৰ কৃষ্ণাঙ্গ বিশ্ব বিদ্যালয়ত ভৰ্ত্তি হোৱাৰ আগতে তেওঁ মেথদিষ্ট স্কুলত শিক্ষা আহোৰণ কৰে।

মেণ্ডেলা ১৯৪১ চনত Corospindant Course ৰ জৰিয়ত স্নাতক ডিগ্ৰী লাভ কৰি জোহান্ধাবাৰ্গৰ Wittwaterounb University ত L, L. B ত ভৰ্ত্তি হয়। মেণ্ডেলা ১৯৪০ চনত পোনা প্ৰথম বাৰৰ বাবে ছাত্ৰ আন্দোলনৰ গুৰি ধৰা বাবে জেললৈ যাব লগিয়া হয়। ১৯৪৪ চনত মেণ্ডেলা, টম্বো আৰু বাল্টাৰ ছিছুলৱ এ এন চিৰ যুৱ গোট গঠন কৰি ১৯৪৮ চনত মেণ্ডেলাই ইয়াৰ ৰাষ্ট্ৰিয় সম্পাদক আৰু ১৯৫০ চনত সভাপতি নিৰ্বাচিত হয়। ১৯৫২ চনত মেণ্ডেলা আইন অমান্য প্ৰচাৰ শাখাৰ ভাগলওঁতে দক্ষিণ আফ্ৰিকাৰ বৰ্ণবাদী আইন সমূহ ভঙ্গকাৰ বুলি জন সাধাৰণক উৎসাহিত কৰে। ১৯৫৩ চনত মেণ্ডেলাৰ ওপৰত নতুন বাধা আৰোপ কৰা হ'ল আৰু তেতিয়াৰ পৰা তেওঁ কিনোহাৰ কাচা কাম গোপন ভাবে অবাহত ৰাখে। দক্ষিণ আফ্ৰিকাত বৰ্ণ হীন গণতন্ত্ৰ আৰু সাম্যবাদী ভিত্তিত অৰ্থ নীতিৰ আহ্বান জনাই স্বাধীনতাৰ চনদত সমৰ্থন আগঢ়োৱাৰ বাবে ১৯৫৬ চনত ৬ ডিচেম্বৰত মেণ্ডেলা আৰু দক্ষিণ আফ্ৰিকাৰ অন্য ১৫৫ জন লোকৰ বিৰুদ্ধে ৰাজদ্ৰোহৰ আজলাগ অনা হয়। এই আজমানৰ বিচাৰত আত্মপক্ষ সমৰ্থন কৰাত

মেণ্ডেলাক সকলো লোকে সহায় আগবঢ়াইছিল। কিন্তু ১৯৬১ চনৰ ২৯ মাৰ্চত সকলোৱে এই আজগাৰ পৰা মুক্ত হয় অৱশেষত ইয়াৰ পিছত নেলছন মেণ্ডেলা প্ৰায় ২০ মাহ Under Ground হৈছিল।

১৯৫৮ চনৰ জুন মাহৰ ১৪ তাৰিখে উইনী নমজামো মাদিজেজেলাক বিয়া কৰায়। তেওঁৰ বয়স তেতিয়া ৪১ বছৰ আৰু পত্নী উইনীৰ বয়স মাত্ৰ ২৫ বছৰ আছিল। অৱশেষত ১৯৫৭ চনত মেণ্ডেলাই প্ৰথম পত্নী এভেলীন মাজেৰ সৈতে Divorce কৰে। প্ৰথমৰ ফলৰ পৰা দুগৰাকী ছোৱালী আৰু এগৰাকী পুত্ৰ আছিল। উইনীৰ ফালৰ পৰা জোনালী আৰু জিন্দজী নামৰ দুগৰাকী ছোৱালীও আছে।

Under Ground হৈ থাকোতেই নেলছন মেণ্ডেলাই ১৯৬১ চনৰ ২৯ মেত ৰাষ্ট্ৰ ব্যাপী হৰ বিদ্ৰো আহ্বান দিলে। অৱশেষত ইয়াক পুলিছে কঠোৰহাতে দমন কৰে। এই সম্পৰ্কত মেণ্ডেলাই কয়— "All oppornities for peace full agitation and streeggle have been closed to us. Africans no longer have the freedom to cven stay peace fully in there houses in protest against the opp ressive poliers of Government." তাৰ-পিছতেই মেণ্ডেলাই গেৰিলা ট্ৰেইনিং বাবে আল জেৰিয়া বাওঁপন্থী নেতাবোৰক লগ কৰিবলৈ London ভ্ৰমণ কৰে। এই ঘটনাৰ পিছতেই তেখেতক অবৈধভাবে দেশ এৰা আৰু দেশদ্ৰোহীতাৰ অপৰাধত পাছ বছৰ জেল দিয়ে।

এই জেল যাত্ৰাৰ প্ৰাক মুহূৰ্তত তেওঁ আদালতত "When my sentence ended I would take up again as best I can the straggle far the removal of those injustices until they are finally abolished once and f.r all."

মেণ্ডেলা কাৰাৰুদ্ধ অৱস্থাত থাকোঁতে ১৯৬৩ চনৰ ১১ জুলাইত পুলিছে জোহান্সবাৰ্গৰ সমীপৰ ৰিউনিয়াৰ এক পাম্প ঘৰত থকা আফ্ৰিকান নেচনেল কংগ্ৰেছৰ মুখ্যকাৰ্য্যালয় হঠাতে মেৰাওকাৰ তালাচী চলায় আৰু গেৰিলা কাৰ্য্য কলাপ চলোৱাৰ বহুতো তথ্য উদ্ধাৰ আৰু A N Cৰ নেটা গোভান মবেকী বেমাও মহলা বাল্টাৰ জিছুলু আহমেদ খাথ্ৰাদা জেনিছ গল্ডবৰ্গ আৰু লিওনেল বাৰ্প ষ্টেইনক গ্ৰেপ্তাৰ কৰি উক্ত তথ্যৰ ভিতৰত সংখ্যা গৰিষ্ঠ কৃষতংগ সকলৰ শাসনৰ বাবে অপাৰেশন মামিবুৰে নামৰ এক খচৰা পত্ৰ আৰু বিস্ফোৰক সামগ্ৰী প্ৰস্তুত কৰা সম্পৰ্কীয় নাম পত্ৰও আছিল। ১৯৬৩ চনৰ ২০ অক্টোবৰত ৰিউনিয়া বিচাৰ আৰম্ভ হয়। ১৯৬৪ চনৰ ২০ এপ্ৰিলৰ সামৰনিত দিয়া ৰায় মতে ১২ জুনত মেণ্ডেলাক ধৰি মুঠ আঠ জনক যাৱতজ্জীৱন কাৰাদণ্ড বিহা হয়। মেণ্ডেলাক ৰবেন আইলেণ্ড কাৰাগাৰত ৰখা হয়। সেই কাৰাগাৰৰ ৪৬৬/৬৬৪ নং কাৰাবন্দী হিচাপে উক্ত কাৰাগাৰত অকলশৰীয়া কোঠালিত ১৮ বছৰ কাল কটায়। ১৯৮২ চনত মেণ্ডেলাক পাছজন সহযোগী সহ পলছোমৰ কাৰাগাৰলৈ পঠিয়ায়। ১৯৮৪ চনৰ ১২ মেত ২২ বছৰৰ মুৰত পতি-



পত্নীক প্ৰথমবাৰৰ বাবে মিলিব দিয়া হয়। ১৯৮৮ চনৰ ১২ আগষ্টত T B. হোৱা বাবে চিকিৎসা লয়লৈ নিয়া হয়। উল্লেখযোগ্য কথা যে ১৯৮৯ চনৰ ১২ মেত মেণ্ডেলাই দক্ষিণ আফ্ৰিকা বিশ্ববিদ্যালয়ৰ পৰা যোগাযোগ পাঠ্যক্ৰমৰ মাধ্যমেৰে আইনৰ স্নাতক হয়। আজিৰ যুৱ সমাজৰ বাবেই তাকেই আদৰ্শ আৰু উৎসাহৰ কথা। মানসিক অশান্তি আৰু বাৰ্দ্ধক্যৰ হেচাত থাকিও তেখেতে যুৱ সমাজত উদাহৰণ ৰাখি যোৱাত ফলবাণ হ'ল।

শ্বেতাঙ্গ সকলে প্ৰণয়ন কৰা নীতি বোৰ মেণ্ডেলাই মুক্ত কণ্ঠে প্ৰতিবাদ কৰিছিল শ্বেতাঙ্গ চৰকাৰে প্ৰণয়ন কৰা নীতিবোৰৰ মাজত এইবোৰ আছিল, যেনে (ক) কৃষ্ণাঙ্গৰ বাবে ৰেল, বাছ, হাট, বজাৰ, দোকান আদি সুকীয়া (খ) ইউৰোপীয়ৰ ঘৰত অৰ্থাৎ কোনো শ্বেতাংগ ব্যক্তিৰ ঘৰত কৃষ্ণাঙ্গৰ প্ৰবেশ নিষেধ। (গ) প্ৰমান পত্ৰ পালেহে কৃষ্ণাঙ্গ লোকে ৰেল, বাছ, আদিত ভ্ৰমণ কৰিব পাৰিব। (ঘ) কলা মানুহে ৰাস্তাত নগৰ চহৰৰ কথা বাদেই নিজৰ গাওঁতো চলাফুৰা কৰিব নোৱাৰা ইত্যাদি। অৱশেষত ২৭ বছৰ কাল বন্দী কাৰি ৰখাৰ মূৰত ১৯৯০ চনৰ ২ ফেব্ৰুৱাৰীৰ দিনা দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি F. W. D Clerk এ বিশ্ববাসিক চমক লগাই হঠাতে ঘোষণা কৰি দিলে যে মেণ্ডেলাসহ সকলো ৰাজনৈতিক বন্দীক মুকলি কৰি দিয়া হব। লগতে African National congress সহ মুঠ ৬০ টা নিসিদ্ধ কৰি ৰখা সংগঠনৰ বৈধতাৰ কথা ঘোষণা কৰে। D. clerk এ সংসদত কয় যে— "The agenda is open and the over all aims to which all are aspring should be acceptable to all reasonable south Africa ns ··· ··· the time for talking has arrived and whoevere makes exwres doesnot really wish to talk. I respect my invitation with greater conviction than ever."

walk throught the open door, take your place at the negotiating table with the Government and other leaders who have important bosese inside and outside parliament Every bodies political points of view will be tested against their realism their workability and their fa'rness. the time for negotiation has arrived."

বিশ্বই অতি আগ্ৰহেৰে অপেক্ষা কৰি থকা মহূৰ্ততো আহিল। ১৯৯০ চনৰ ১১ ফেব্ৰুৱাৰী কাৰাগাৰৰ অন্ধকাৰ কোঠালিত ২৭ বছৰ শৃংখলিত হৈ থকা নেলছন মেণ্ডেলাই সেই দিনা এজন মুক্ত নাগৰিক ৰূপে বাহিৰৰ পৃথিৱী খনত ভৰি দিলে। ভাৰতীয় সময় মতে ৭-৪৫ বজাত লৌহ দ্বাৰৰ বাহিৰত পদক্ষেপ পেলায়। শুকুলা চুলিৰে ৭১ বছৰীয়া মেণ্ডেলা মুক্ত হ'ল। সমগ্ৰ South Africa আনন্দত আত্মহাৰা হৈ নেতা গৰাকীক স্বাগতম জনালে। দিন ৰাতি পৰ্থক্য নোহোৱা হ'ল। সমগ্ৰ South Africa ত উৎসৱ মুখৰ পৰিবেসৰ সৃষ্টি হ'ল।

বৰ্ণ বৈষম্যৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ কৃষ্ণাংগ সকলে সুদীৰ্ঘ কাল যুজি আহিছে। মেণ্ডেলাৰ ভাষাত তেওঁ সুদীৰ্ঘ কাল জেল হোৱাৰ সময়ত কৈছিল 'Long lonlely and wrsted yours তেখেতে কাহানিও সংযম হেৰুওৱা নাছিল। ১১ মহীয়া বিশ্বাৰখ্যাত বিভনিয়া বিচাৰত যাৱজ্জীৱণ কাৰাদণ্ড লাভ কৰা সময়তো আদালতত সাহস আৰু প্ৰত্যয়েৰে কব পাৰিছিল A time comes in the life of any nation where there remains only two choices- submit or fight that time has now come to south African. we shall not submit and we have no choice but to hit back by all the means ie our power in defencn power of our peaple our fature. our freedom.

During my life time. I have Aedicated my self to this struggle of the African people. I have feught against white domination and I have feught against block domination.

I have charished the ideal of a democratice and free society in which all persons live togethere in hormony and with egual appa-tunities, it is an ideal whiph I hoce to live for, and to see reacized. but my lord of needs be. it is an ideal for which I am prepared to die."

এতিয়াও দক্ষিণ আফ্ৰিকাৰ ১২.০০০ শ্বেতাংগই অন্য ২.৭ নিযুত শ্বেতাংগৰ সমৰ্থনত ২৭ নিযুত কৃষ্ণাঙ্গ। ৩ নিযুত মিশ্ৰিত বৰ্ণৰ লোক আৰু ১ নিযুত এতিয়াৰ চন্নাকক অত্যা-চাৰ অবিচাৰে পদদলিত কৰি শাসন চলাই আছে। নেলছন মেণ্ডেলা মূক্তি কামী বৰ্ণ বৈষম্যৰ বিৰো-ধীৰ জীৱন্ত প্ৰতীক। কৈ থাকিলে যাৰ অন্ত নাই। সেয়ে কমনৱেলথৰ প্ৰখ্যাত ব্যক্তিৰ গোটে ১৯৮৮ চনৰ মেত এক প্ৰতিবেদনত কয় - " Nelson Mandla has inded become a living legond. just as the gaoling of nationalist leaders like Mahatma Gandhi and jomo kenyatta invested them with a unigul atra and helped galvanise resistanch to the colonial power."

African National congress ৰ অন্য এক প্ৰতিদ্বন্দী হ'ল ইনকাথ ৰ জুলু আন্দোলন। ১৯৮০ চন লৈকে দুয়োটা দলৰ মাজত মধুৰ সম্পৰ্ক আছিল। অৱশ্যে তেওঁলোকৰ মতানৈক্য জুলু কাথত নাতালতহে তীব্ৰ। ইনকাথাই পুজিবাদক সমানত্ৰি কৰে।

মুক্তি লাভ কৰিয়েই মেণ্ডেলাই এখন স্বাধীন বৰ্ণবাদ বিৰোধী আৰু গণতান্ত্ৰিক সমাজ গঠনৰ সংগ্ৰাম অব্যাহত ৰখাৰ বাবে South Africa ৰ কৃষ্ণাঙ্গ শ্বেতাঙ্গ নিৰ্বিশেষে সকলোকে আহ্বান জনায়।



মুক্তি লাভৰ কেই ঘণ্টা মানৰ পিছত মেণ্ডেলাই বৰ্ণ বৈষম্য অৱসান ঘটোৱা সম্পৰ্কত কয়— "Majority of soute Afriharis. black and white. recognise the fact that apartheid has no futare. It has to be ented by out own dceissive aetion in order to build peaee and security" ···· ·····

মেণ্ডেলাৰ জীৱনীকাল আৰু সুদীৰ্ঘকাল পৰিয়ালৰ বন্ধ অধ্যাপিকা ফাটিমা মিৰে মেণ্ডেলা সম্পৰ্কে কয়— "Mandala is the only sovi our of south Africa becouse of the tremendous respeet and influenee of the copmmands among the different leaders and organi-sati ns including the pritoria regime. He has achieve this aura around him because of the tremendous sacrifices he has made on behalf fore fredam and liberation"

অধ্যাপিকা মীৰে মেণ্ডেলাৰ জীৱনী মূলক গ্ৰন্থ "Higher than Hope Rolihlahla we love you" ত বৰ্তমানৰ যুৱ শক্তি তেওঁলোকৰ কাৰ্য্য আৰু শৰীৰ চক্ৰত অধিক উগ্ৰ-হলেও মেণ্ডেলাই তেওঁলোকক পথ প্ৰদৰ্শন কৰিব বুলি আশা কৰি কয়—

"The younger weneration dinill indispen sible the expercenie hum-inity and special facilsties of man-dala and his colleaglles ·············

At the same time white people expect great things of Mandala after his release it should be remembered that for all his end-earing qualities and telents he is still human··············

It is clear that he is a great leader and that he will provide the future direction. Now ever it will be up to the south African people to pide up and respond to that direction.

মেণ্ডেলাৰ মূক্তিয়ে দক্ষিণ অফ্ৰিকাৰ ইতিহাসত এটা যুগৰ অৱসাণ ঘটালে আৰু সেই মূহুৰ্ত্ততে আৰম্ভ হ'ল আন এটা যুগ, মেণ্ডেলাৰ এই মুক্তি মেণ্ডেলাৰ এই পদক্ষেপ অন্ধাৰৰ পৰা আলোকলৈ নিশ্চয় নেলছন মেণ্ডেলা আজি মাথো এটা নহয় ······ ত্যাগ বিযা সহাস সংগ্ৰাম আৰু আদৰ্শ নিষ্ঠাৰ এক সুদীৰ্ঘ বিপ্লৱী ইতিহাস South Africa ৰ শাসক গোষ্ঠীৰ বৰ্ণ বৈষম্যবাদী নীতি প্ৰসুত অবৰ্ণনীয় অত্যাচাৰ উৎপীড়ণ শোষণ নিৰ্যাতণৰ পৰা দক্ষিণ আফ্ৰিকা মুক্ত কৰাৰ দৃঢ় সংকল্পেৰে জীৱন জোৰা কষ্ঠ সাধ্য সাধনাৰ জীৱন্ত দৃষ্টান্ত নেলছন মেণ্ডেলা সমগ্ৰ বিশ্বৰ শোষিত জনগণৰ প্ৰেৰণৰ উৎস। ❋ ❋

---

(বিমান চন্দ্ৰ হাজৰিকাৰ প্ৰৱন্ধৰ সহায় লোৱাহৈছে)

# লোককৃষ্টিৰ দৃষ্টিকোণত ইন্দ্ৰজাল বা মেজিক ( MAGIC )

—নন্দা শৰ্মা—
স্নাতক ২য় বাৰ্ষিক ( কলা )

আদিম মানুহৰ আচহুৱা মনস্তত্বই সৃষ্টি গুৰুত্ব পূৰ্ণ বিষয় হৈছে যাদু বিদ্যা, ইন্দ্ৰজাল বা মেজিক ( Magic ), কিন্তু ইয়াত মঞ্চ বা বজাৰৰ মাজত প্ৰদৰ্শিত মেজিক বুজোৱা হোৱা নাই। ই এটা নৃবৈজ্ঞানিক পৰিভাষা মাত্ৰ। মেজিক হ'ল আদিম মানুহে বাস্তৱক নিয়ন্ত্ৰন কৰিব খোজাৰ এক সম্পূৰ্ণৰূপে মনোধৰ্মী কৌশল যাক জনগোষ্ঠীয়ে আলৌকিক বুলি অভিহিত কৰিছিল। ইংলণ্ডৰ চাৰ জেম্চ ফ্ৰেজাৰৰ মতে, "Magic rests on the principle that by creating the illusion that you control reality 'you can actually control it" মালিনৌস্কিৰ মতে, "Magic has greater aftinity with emofional out bursts. with day-dreamings, with long unrealisable desire' আনহাতেদি হেৰিচন নামৰ আন এগৰকীৰ মতে, "Magic is not the outcome of intellectual illusion, even in the exercise of a mimetic instinct, but imply in its ultimate analysis, an utterance a discharge of emotion and longing."

কিন্তু মানসিক উত্তেজনাহীন ভ বেও বহুত মেজিক সম্পাদিত কৰা হয়। উদাহৰণ স্বৰূপে, অসমত কোনো মাতৃয়ে কেচুৱা কোলাত লৈ মাটিৰ লদা হাতেৰে গোল পৰে যাতে কেচুৱাটোৰ মুৰৰ আকৃতি গোল হয়। ধান পকিবৰ সময়ত নিগনি এটা ৰচীৰে ডিঙিত বান্ধি পথাৰত মেলি থোৱা হয় যাতে নিগনিয়ে ধান খাই শেষ কৰিব নোৱাৰে। বহুত পৰীক্ষাৰ্থীয়ে পৰীক্ষাৰ আগত গোল আকৃতিৰ শূণ্য নোপোৱাৰ বাবে আলু কণী আদি নাখায়। হিন্দুৰ পূজা পাতলত তিৰোতাবোৰে ফেঁচাৰ মাতৰ অনুকৰণ কৰি উৰুলি দিয়ে যাতে ভূত-প্ৰেত আদি আঁতৰি যায়। যদিও হয়তো এইবোৰ কৰ্ম এসময়ত উত্তেজনা নিঃসৰণৰ কাম কৰিছিল, বৰ্ত্তমান এইবোৰ অনুভূতিবিহীন অন্তঃসাৰ শূন্য অনুষ্ঠানত পৰিণত হৈ পৰিছে।

বাস্তৱৰ এটা ঘটনা অনুকৰণ কৰি তাৰ অনুৰূপ ফল পাবলৈ যিবোৰ মেজিক ব্যৱহৃত হয়, সেইবোৰক অনুকৃত মেজিক বোলা হয়। সুমাত্ৰাত বাঁজী তিৰোতাই সন্তান পোৱাৰ আশাত কাঠেৰে সজা কৃত্ৰিম কেচুৱা কোলাত লয়, বৃটিছ কলম্বিয়াৰ অধিবাসী সকলে সৰহ



মাছ পাবলৈ মাছ মৰাৰ আৰম্ভণীতে কাঠেৰে সজা মাছ এটা পানীত এৰি দিয়ে, ভাল চিকাৰ পাবলৈ চিকাৰীয়ে প্ৰথমে নিজেই এবাৰ জালত পৰাৰ ভাও ধৰে। প্ৰাচীন আৰ্য্য সমাজত আৰ্য্যসকলে শত্ৰু ধ্বংস কৰিব খুজিলে মন্ত্ৰপুত কুশ চুছোৱা কৰিছিল। প্ৰাচীন হিন্দু বিয়া-বিলাকত শিলৰ ওপৰত কইনা বহুৱাই পতিকুলত শিলৰ দৰে স্থিৰ হবলৈ বুজাইছিল আৰু তাক শিলাৰোহন পৰ্ব বোলা হৈছিল। 'এম্বইনা' নামৰ অঞ্চলৰ কৃষক সকলে লংখেতি ভাল কৰিবলৈ ৰাতি নঙঠা হৈ 'বহুত লং লাগক' চিঞৰি চিঞৰি নাচে।

যিবোৰ মেজিকৰ দ্বাৰা এসময়ৰ সংস্পৰ্শত থকা দুটা বস্তুৰ এটা আনটোৰ দূৰত থাকিলেও সি আনটোৰ ওপৰত দূৰৈৰ পৰাই ক্ৰিয়া কৰিব পৰা বুলি ভবা হয়, তাক স্পৰ্শক মেজিক বুলি কোৱা হয়। নিউ গনিত যুঁজাৰু বিলাকে নিজৰ তেজলগা কাপোৰ বোৰ সাগৰলৈ দলিয়াই দিছিল যাতে শত্ৰুই সেই বিলাক পাই সিহঁতৰ অনিষ্ট কৰিব নোৱাৰে। মালেছিয়াত সৈনিক বিলাকে যিবিলাক আঘাত পায়, নিজৰ কাপোৰবোৰ জেকা ঠাইত পুতি থয় যাতে আঘাত প্ৰাপ্ত ঠাইৰ বেদনা কমে। অসমৰ বহুত জালোৱা সম্প্ৰদায়ে সৰহ মাছ পোৱাৰ আশাত ধৰৰ হুৱাৰ দলিত জালৰ টুকুৰা ওলোমাই ৰাখে। অসমত গৰ্ভৱতী নাৰীৰ ছিগা চুলি, নখ, গাত লোৱা কাপোৰ, ভৰিৰ ধুলি আদি লৈ শত্ৰুৱে গৰ্ভস্থ সন্তানৰ অনিষ্ট সাধন কৰিব পাৰে বুলি ভবা হয় বাবে সেইবিলাক বস্তু যাতে বেলেগে পাব নোৱাৰে তাৰ প্ৰতি সজাগ দৃষ্টি দিয়া হয়। ঠিক একেটা কাৰণতে সন্তান জন্ম হোৱাৰ পিছত "গৰ্ভফুল" ( Placenta ) পুতি থোৱাও দেখা পোৱা যায়। হিন্দু সমাজত গৰ্ভধাৰণৰ পঞ্চম মাহত সন্তানৰ মংগলৰ বাবে "সাধুভক্ষন" নামৰ অনুস্থান এটাও পতা হয়। সাধুভক্ষনত সন্তান মুকলমে প্ৰসৱ কৰোৱাৰ উদ্দেশ্যৰে কেইগৰাকীমান পুত্ৰৱতী মহিলাক ঘৰলৈ মাতি আনি খুওৱা হয়। ভাৰতৰ কোনো কোনো ঠাইত শত্ৰুৰ অন্যায় সাধিব বিচাৰিলে শত্ৰুজনৰ ভৰিৰ গছকৰ চিন সংগোপনে লোৱা হয় আৰু মন্ত্ৰ মতা হয়, প্ৰেয়সীৰ মন পাবলৈ প্ৰেয়সীৰ চুলি আনি মন্ত্ৰপুত কৰা কথাও শুনিবলৈ পোৱা যায়। অসমৰ প্ৰাচীন "বেজালি" পুথিত থকা মতে, "কোনো শত্ৰুৰ বিনাশ বিচাৰিলে ৬৪ খন অতি বেয়া, লেতেৰা, ভয়াবহ ঠাইৰ পৰ মাটি সংগ্ৰহ কৰি তাৰ লগত অপকাৰ কৰিব খোজা মানুহজনৰ শৰীৰৰ পৰা আহৰণ কৰা চুলি, নখ আৰু কাপোৰৰ টুকুৰা চামৰা আদিৰ লগত মিলাই শত্ৰুজনৰ এটা প্ৰতিকৃতি তৈয়াৰ কৰিব। সেই প্ৰতিকৃতিতোৰ বুকুত শত্ৰুজনৰ নাম লিখিব আৰু এডাল মন্ত্ৰপুত লোৰ শলাৰে প্ৰতিকৃতিটো খুচি-বিন্ধি থাকিব যাতে সেই শত্ৰুজনে প্ৰতিটো খোছতে নিৰ্মম যাতনা অনুভৱ কৰে।" প্ৰস্তৰ যুগৰ মানুহে মৃতকৰ দেহ ৰঙা বোলেৰে অংকিত কৰিছিল যাতে মৃত মানুহজনে পূৰ্ণজন্ম পায়। একে কাৰনতে হিন্দুৱেও বলি দিব খোজা পশুটোৰ গাত সেন্দুৰৰ লেও দিয়ে ("পশুম্ স্নাপিতম্ সিন্দুৰ মাল্যাদলংকৃতম্" )।

মালিনৌস্কিৰ মতে, "Magic changes its form, it shifts its ground, but it exists everywhere." প্ৰাক্‌ঐতিহাসিক যুগৰ পৰা আজিৰ আধুনিক যুগলৈ আমাৰ

লোক সংস্কৃতিৰ বিভিন্ন অংগত মেজিকৰ প্ৰভাব বিদ্যমান। আমাৰ দেশৰ ল'ৰা-ছোৱালীবোৰে গাখীৰদাঁত সৰিলে ঘৰৰ চাললৈ দলিয়াই দিয়ে যাতে দাঁতবিলাক এন্দুৰে খাব পাৰে আৰু ল'ৰা-ছোৱালীৰ নতুন দাঁত এন্দুৰৰ দৰে ধুনীয়া হয়। কোনো কোনো ভাৰতীয় সমাজত পাণ্ডুৰোগগ্ৰস্ত আক্ৰান্ত ৰোগীক গাৰ ৰং হালধীয়া গুছি ৰঙা আৰু ভাল স্বাস্থ্য বাবলৈ ৰঙা ষাড়গৰুৰ নোমত তিওৱা মন্ত্ৰপুত পানী খাবলৈ দিয়া হয়। প্ৰাচীন ভাৰতৰ আৰ্য্যসকলে কোনো শত্ৰুক মাৰিবলৈ মানুহজনৰ প্ৰতিকৃতি দাহ কৰিছিল যেনেকৈ বৰ্ত্তমান অপ্ৰিয় ৰাজনৈতিক নেতাৰ প্ৰতিকৃতি দাহ কৰা হয়। যাদুকৰ বিলাকে মৰা মানুহৰ হাড়েৰে অলৌকিক কাৰ্য্য কৰিব পাৰে বুলি ভাবি মৰা মানুহৰ হাড় লগত ৰাখে। নৰ-বলিও এনে উদ্দেশ্যেৰেই কৰা হয়। হিন্দুৰ শ্ৰাদ্ধ কৰোঁতে, কেচুৱা উপজাৰ সময়ত মাকে দৰা কইনা আনিবলৈ যাওঁতে ইত্যাদি কামত প্ৰেতাত্মাৰ পৰা অসুবিধা নাপাবলৈ লগত চুৰি কটাৰী ৰখাৰ নিয়ম আছে। একে কাৰণতে দফলাসকলে মৃতদেহ সমাধিস্থ কৰাৰ পিছত চাৰিওফালে কঁড় মাৰি পঠায়। বড়ো সমাজত অবিবাহিত বড়ো ডেকা মৰিলে পিছৰ জীৱনটো ভাল হোৱাৰ বাবে সমাধিৰ কাষত কলগছ ৰুই দিয়া হয়। বড়ো তিৰোতামৰিলে ওচৰত বৰগছ ৰোৱা হয় যাতে পিছৰ জন্মত একোছা ভাল চুলি পায় আৰু ওঁঠৰ ফাকত ৰঙা সূতা ৰাখে যাতে পৰজন্মত ওঁঠ দুটা ৰঙা হয়। মুখ নালাগিবৰ বাবে কেচুৱাক ক'লা ফোট দিয়া এটা অতি সাধাৰন মেজিক, যি বৰ্ত্তমান সকলো ঠাইতেই দেখিবলৈ পোৱা যায়।

ভেকুলীৰ বিয়া পাতি বৰষুণ অনাবলৈ পতা ভেকুলী বিয়া এতিয়াও অসমৰ বহুত ঠাইত দেখা পোৱা যায়। গোলাঘাটৰ বিশেষকৈ চুতীয়া সম্প্ৰদায়ৰ বৰষুণ আনিবলৈ পতা পানীতোলা সবাহ। তিনিজনী অপুস্পিতা, অংগখুত নথকা আৰু মাক-বাপেক থকা ছোৱালীয়ে গায়ন বায়নৰ লগন বেলেগ বেলেগ ঘাটৰ পৰা পানী তোলেগৈ। প্ৰাচীন আৰ্য্যসকলে বৰষুন আনিবলৈ জুই ধৰি তাত মন্ত্ৰপুত পানী ঢালি দিছিল। কচিয়াত বৰষুণ আনিবলৈ প্ৰাৰ্থনাৰ পিছত পুৰোহিতক মাটিত বগৰাই গাত পানী ঢালা নিয়ম আছে। জাৰ্মানত একেই কাৰণতেই এজনী গাভৰুক নাঙঠ কৰি আলি দোমোজত থিয় কৰাই ৰাজহুৱাভাবে গা ধুৱাই দিয়াৰ প্ৰথা আছিল। বৰষুণৰ প্ৰয়োজনত গাভৰু ছোৱালীয়ে নগ্ন হৈ হুচুম দেৱতাৰ সমুখত নৃত্য কৰাৰ প্ৰথা এতিয়াও গোৱালপাৰাৰ কোনো কোনো অঞ্চলত আছে। কুৱাৰন অঞ্চলত বৰষুণ বন্ধ কৰিবলৈ এটা কুকুৰৰ কানত গৰম তেল ঢালি দিয়া হয় যাতে কুকুৰটোৰ চিঞৰ ইন্দ্ৰদেৱতাই শুনে আৰু বৰষুণ বন্ধ কৰে।

মানুহৰ নামটো যাদুকৰী শক্তি থাকে বুলি ভবা হয়। সেয়ে আমাৰ অসমীয়া সমাজত প্ৰত্যেকৰে গুপুনাম এটা থাকে। সেই নামটো অনিষ্ট সাধন কৰিব পাৰে বুলি বেলেগক কোৱা নহয়। কেতিয়াবা কোনো পৰিয়ালত ল'ৰা-ছোৱালীৰ অসুখ হৈ থাকিলে মাক-বাপেকে সিহঁতৰ ভাল নামটোৰ গুছাই বেয়া নাম হয় আৰু কম পইচাতে ল'ৰা-ছোৱালীক বেচি দিয়ে।



এনেদৰেই আমাৰ লোক সংস্কৃতিৰ কোঁহে কোঁহে মেজিক বা ইন্দ্ৰজালৰ প্ৰয়োগ সোমাই আছে। অথৰ্ববেদৰ যোগেদি অসমত যাদুবিদ্যাৰ প্ৰাদুৰ্ভাব মধ্যযুগত খুব বেছি হৈছিল যে বাহিৰৰ মানুহে অসমলৈ আহিলেই ভেৰা বনাই থব বুলি ভয় কৰিছিল। যাদুবিদ্যাৰ প্ৰভুক্ত সেই সময়ত অসমৰ মানুহৰ ধাউতিৰ বাবেই বিকাশ হৈছিল। উপনিষদ আদিৰ প্ৰভাব অসমীয়া সমাজত পৰিছিল যদিও তাৰ কিছুমান কথাৰ বাবে যিবোৰ অসমীয়া মানুহে পালন কৰিব টান পাইছিল, সেইবোৰক প্ৰত্যেক কথাত মানি লোৱা হোৱা নাছিল। উদাহৰণ স্বৰূপে বৃহদাৰন্যক উপনিষদত লিখা মতে, "পণ্ডিত, খ্যাতিমন্ত, প্ৰিয়ভাষী, বেদাধ্যায়ী আৰু আয়ুষ্মান পুত্ৰ লাভৰ বাবে পতি-পত্নী দুয়ো গো-মাংস মিশ্ৰিত অন্ন ( ঔক্ষেন বাৰ্ষভেন বা ) ঘিউৰে খাব লাগে।" এনে কিছুমান কথা সেই সময়ৰ ৰক্ষনশীল সমাজে সহ্য কৰিবলৈ টান পাইছিল।

বৰ্ত্তমান মানুহে মেজিক বা ইন্দ্ৰজালক আগৰ নিচিনাকৈ পদে পদে নমনা হৈছে। মেজিকৰ কিছুমান কু প্ৰভাব এতিয়াও আমাৰ সমাজত বিয়পি আছে। যেনে ভূঁতে ধৰা বুলি বেজে ৰোগীক শাৰিৰীক নিৰ্যাতন দিয়াটো। বহু ক্ষেত্ৰত মানসিক বিকাৰ গ্ৰস্ত ৰোগী মৃত্যুৰ মুখত পৰাও দেখা যায়। আন কিছুমান মেজিক মানুহে অন্ধ বিশ্বাস বা ৰীতি-নীতিৰ মাধ্যমৰ দ্বাৰাই মানে। উদাহৰণ স্বৰূপে বিষাক্ত সাপে খুটিলে মানুহে ডক্তৰৰ আগতে বেজহে বিচাৰে। বৰ্ত্তমান মানুহে মেজিক বুলি ক'লে মঞ্চত উপ-স্থাপন কৰা বৈজ্ঞানিক দৃষ্টিভংগীৰ হাতৰ কলা কৌশল বুলিহে জনা হৈছে।

মেজিক অতীজৰে পৰা আহিছে আৰু লুপ্ত নোহোৱাকৈ ভৱিষ্যতেও চলি থাকিব। গতিকে আমি আবেগৰ বশবৰ্ত্তী নহৈ কুপ্ৰভাব থকা মেজিক ত্যাগ কৰিবলৈ চেষ্টা কৰিব লাগিব। চকুৰ চামনিৰ দৰে কু-প্ৰভাব থকা মেজিকবোৰক সমাজৰ পৰা দূৰ কৰিলেহে ভৱিষ্যতৰ উন্নতিৰ জখলাডাল মানুহে দেখিবলৈ পাব। ● ● ●



বিজ্ঞান ভিত্তিক প্ৰবন্ধ

# ঃ মহাকাশত জৈৱিক পৰিবেশ ঃ

— অৰুণ শৰ্ম্মা —
প্ৰৱক্তা, পদাৰ্থ বিজ্ঞান, গোৱালপাৰা মহাবিদ্যালয়

— স্ক্ৰটো কত পৰিছে ?

— কেনেকৈ কওঁ !

— তোমাৰ কেউপিনৰ ফটোগ্ৰাফ পঠিয়াই দিয়া ।

ৰবটটোৱে তাৰ কেউপিনৰ ফটোগ্ৰাফ তুলি নিঃয়ন্ত্ৰণ কক্ষলৈ পঠিয়াই দিলে । তাৰ পিছত ফটো গ্ৰাফৰ ওপৰত চকু ফুৰোৱা হ'ল— স্ক্ৰটো ক'ত পৰিছে । স্ক্ৰটোৰ 'পজিচন' ওলোৱাৰ পিছত পুণৰ সংকেত পঠোৱা হ'ল— ৰবটটোলৈ ।

— তোমাৰ বৰ্ত্তমান 'পজিচন'ৰ পৰা ৩০ ছেঃ মিঃ পূৱলৈ সোঁহাতখন নি উলম্ব দিশত তলৰ ফালে ১০৫ ছেঃ মিঃ নমাই দিলেই স্ক্ৰটো পাবা । তৎক্ষনাত উঠোৱা । কথা মতে কাম । ৰবটটোৱে এইবাৰ স্ক্ৰটো লগাই তাৰ অকামিলা হৈ যোৱা বাওঁ হাতখন পুণৰ কাৰ্য্যক্ষম কৰি গৱেষণাত লাগি পৰিল ।

কল্পনা যেন লাগিলেও কথা খিনি প্ৰায় সঁচা । আমেৰিকাই মঙ্গল গ্ৰহত নিম্নস্তৰৰ কিবা জীৱ আছে নেকি চাবলৈ যিটো অত্যাধুনিক ৰবট পঠিয়াইছিল, তাৰ এখন হাত হাঠাতে অকামিলা হৈছিল — স্ক্ৰ এটা সুলকি পৰাৰ ফলত । পৃথিৱীৰ পৰা পুণৰ সংকেত পঠিয়াই দিয়াত ৰবটটোৱে থিকে থিকে স্ক্ৰটো লগাই অকামিলা হাতখন কাৰ্যাক্ষম কৰি তুলিছিল ।

সৌৰজগতৰ অন্য গ্ৰহত জীৱৰ সন্ধান বিচাৰি মানুহে অদ্ভুদ যেন লাগিলেও এনে অভিনৱ প্ৰকল্প হাতত লৈছিল । দূৰবীণত সম্পূৰ্ণ "Dull" যেন লগা চন্দ্ৰত অৱতৰণ কৰি নীল আৰ্মষ্ট্ৰং চন্দ্ৰ পৃষ্ঠৰ মৰুভূমি সদৃশ বালিত খোজ পেলাই কৈছিল "... ...... a small step for me but a giant leap for the mankind."

যেতিয়া আফ্ৰিকাৰ অভ্যন্তৰ ভাগত কি আছে তাকো সম্পূৰ্ণকৈ জনা নাছিল । উত্তৰ মেৰু আৰু দক্ষিণ মেৰুত কোনেও উপস্থিত হোৱা নাছিল ; অথচ নিজ গ্ৰহটোৰ বিষয়ে সম্পূৰ্ণকৈ নজনা স্বত্তেও তেতিয়াই মানুহে গ্ৰহান্তৰত জীৱৰ সন্ধান বিচাৰি ফুৰিছিল । ১৮৩৫ চনত নিউয়ৰ্কৰ বাতৰি কাকত এখনে "great lunor hoax" নামৰ বাতৰি এটা পৰিবেশন কৰি কাকতখন দহ গুণ বেছিকৈ চপাব লগাত পৰিছিল । দক্ষিণ আফ্ৰিকাত চাৰজন হাৰ্চেলে নতুনকৈ নিৰ্মিত বৃহৎ দূৰবীণেৰে চন্দ্ৰ পৃষ্ঠত আচৰিত মানুহ আৰু কিছুমান বিশেষ প্ৰাণী দেখা বুলি উক্ত বাতৰিটো প্ৰকাশ পাইছিল ।

জীৱৰ সন্ধান বিচাৰিবলৈ যাওঁতে জীৱৰ বাবে অনুকুল পৰিবেশৰ কথা প্ৰথমতেই আহে । এই পৃথিৱীতে এনে কিছুমান ঠাই আছে যত জীৱৰ অনুকুল পৰিবেশ নাই । ওখ পৰ্বতৰ উপৰিভাগ বা মেৰু অঞ্চলত জীৱৰ অস্তিত্ব পাবলৈ টান । বিশ্বব্ৰহ্মাণ্ডৰ সকলোতে, যত আমি জীৱৰ অস্তিত্ব বিচাৰিম, তাতেই জীৱৰ বাবে অনুকুল ভৌতিক পৰিবেশ থাকিব লাগিব । বায়ুমণ্ডলত অক্সিজেন, নাইট্ৰজেন, পানীৰ কণিকা আদি থাকিব লাগিব, পোহৰ আৰু তাপৰ মাত্ৰা ঠিকে থাকিব, লাগিব মাটি আৰু জলবায়ুও অনুকুল হব লাগিব । আচৰিত কথা আজিৰ পৰা দুশ বছৰ আগলৈকে মানুহে জীৱৰ বাবে এনেবোৰ প্ৰায়োজনীয় পৰিবেশৰ কথা সমূলি চিন্তা কৰা নাছিল । প্ৰমাণ হিচাবে বিখ্যাত জ্যোতি বিজ্ঞানী চাৰ উইলিয়াম হাৰ্চেলেও ( ইউৰেনাচ গ্ৰহৰ আৱিস্কাৰক ) বিশ্বাস কৰিছিল যে সূৰ্য্য পৃষ্ঠতো কিবা প্ৰকাৰৰ জীৱ থাকিব পাৰে । আজিৰ দিনত এই কথা অসম্ভৱ বুলি সকলোৱে জানে ।

কুৰি শতিকাৰ তিনিটা জ্যোতি বিজ্ঞানৰ প্ৰধান আৱিস্কাৰ জনাৰ পিছত প্ৰথম দৃষ্টিত বিশ্বব্ৰহ্মাণ্ডত জীৱৰ অস্তিত্ব বিচৰাৰ কোনো কাৰণ নেথাকে । প্ৰথম আৱিস্কাৰটো হ'ল— বিশ্বব্ৰহ্মাণ্ডৰ শতকৰা ৯০ ভাগ পদাৰ্থ কেবা নিযুত ডিগ্ৰী বা তাতকৈও অধিক উষ্ণ । দ্বিতীয়টো বিশ্বব্ৰহ্মাণ্ডত নিচেই তাকৰ কিন্তু কথা হল, বৈজ্ঞানিকৰ এই আৱিস্কাৰেই শেষ নহয় । বিশ্বব্ৰহ্মাণ্ডৰ বিশালতাৰ কথা চিন্তা কৰিলে ভৱিষ্যতৰ নতুন আৱিস্কাৰে ইয়াক ম্লান পেলাব বুলি সকলোৱে কব পাৰিব ।

আমাৰ সৌৰজগতখনলৈ চাওঁক । পাতল গেছীয় পদাৰ্থ আৰু ধুলিকণাৰ ( dust ) প্ৰায় এক আলোক বৰ্ষ ( পোহৰ বেগ প্ৰতি ছেকেণ্ডত তিনি লাখ কিলোমিটাৰ, সেই হিচাবত ৩৬৫ দিনত পোহৰে অতিক্ৰম কৰা দূৰত্বকে, এক আলোকবৰ্ষ বোলো । ) ডাঠ স্তুপ এটাৰ পৰাই সূৰ্য্যই, ইয়াৰ গ্ৰহ-গ্ৰহানুপুঞ্জ, উপগ্ৰহ সমূহ ধুমকেতু আদি গঠিত হৈছে । হিচাব মতে সেই স্তুপটোৰ ৯৯ ভাগ সূৰ্য্যত আৰু মাত্ৰ এভাগৰ পৰাহে বাকীখিনি অৰ্থাৎ গ্ৰহ-উপগ্ৰহ, ধুমকেতু আদি গঠিত হৈছে । এই গ্ৰহ-উপগ্ৰহত জীৱৰ অনুকুল পৰিৱেশ বিচাৰি কুৰি শতিকাৰ বিজ্ঞানী সকলে নানা প্ৰকল্প হাতত লৈ আহিছে । কিন্তু কোনো প্ৰকল্পই জীৱৰ অস্তিত্ব প্ৰমাণ কৰিব পৰা নাই । শেহতীয়া কৈ আমেৰিকাই পঠোৱা 'পায়োনিয়াৰে' গোটেই সৌৰজগতৰ গ্ৰহ সমূহ পৰ্য্যবেক্ষণ কৰি তথ্য পঠিয়াই আছে । শনিগ্ৰহ পৰ্য্যন্ত যিবোৰ তথ্য সংগ্ৰহ কৰা হৈছে কতোৱেই জীৱৰ সন্ধান দিব পৰা নাই । এতিয়া এইটো প্ৰায় খাটাং হৈ পৰিছে যে সৌৰজগতৰ ভিতৰত একমাত্ৰ পৃথিৱীতে জীৱ আছে । পৃথিৱীৰ কাষতে থকা চন্দ্ৰত মানুহে নিজে গৈ চাই আহিছে । মঙ্গলগ্ৰহত জীৱৰ অনুকুল পৰিৱেশ লক্ষ্য কৰা হৈছিল । মঙ্গলৰ বায়ুমণ্ডলত শতকৰা ৩ ভাগ নাইট্ৰজেন থকাৰ উমান পোৱাৰ পিছতে তালৈ আধুনিক ৰবট এটা পঠোৱা হৈছিল, কিজানি নিম্ন স্তৰৰ জীৱ ( এক কোষী জীৱ, ভাইৰাচ বা বেক্টেৰীয় ) আছেইব । ৰবটটোৱে মঙ্গলৰ পৃষ্ঠত এক ফুট তলৰ পৰা মাটি খান্দিয়ে,

জীৱৰ অস্তিত্ব সম্পৰ্কে পৰীক্ষা চলাইছিল। কিন্তু একো শুংসূত্ৰ নোলাল।

অধ্যাপক লোৱেলে বিশ্বাস কৰিছিল যে মঙ্গলত আধাতকৈও অধিক সভ্য জাতি এটাই বাস কৰিছিল আৰু পৰিৱেশিক সমস্যাৰ বাবে বিলুপ্তিৰ পৰা সাৰিৰলৈ সংগ্ৰাম কৰিব-লগীয়া হৈছিল। আজিৰ বৈজ্ঞানিকে লোৱেলৰ বিশ্বাসত পতিয়ন নগ'লেও মঙ্গলৰ পৰিৱেশ তেনে বিশ্বাসৰ অযৌক্তিকতা প্ৰমাণ কৰিব নোৱাৰে। মঙ্গলত অধিক উন্নত পৰীক্ষা কৰাৰ কাৰণে (মানুহ পঠিয়াই) এতিয়া চেষ্টা চলিব লাগিছে।

নক্ষত্ৰ, ধুমকেতু, উল্কা পিণ্ড আদি কতো-ৱেই যে জীৱ থাকিব নোৱাৰে এই কথা নিশ্চিত বুলি প্ৰমাণিত হৈছে। নক্ষত্ৰ এটাৰ মাত্ৰ উত্তাপৰ কথা বিবেচনা কৰিলেই ইয়াত জীৱৰ অস্তিত্ব কল্পনা কৰিব নোৱাৰি। ধুমকেতু আৰু উল্কাপিণ্ডৰ ভৰ তুলনামূলক ভাৱে যথেষ্ট কম ৰাবে মাধ্যাকৰ্ষনৰ বলে ইয়াত জীৱৰ বাবে প্ৰয়োজনীয় বায়ুমণ্ডল ধৰি ৰাখিব নোৱাৰে (চন্দ্ৰত মাধ্যাকৰ্ষনিক বল কম হোৱা বাবে বায়ুমণ্ডল নাই। গতিকে দেখা গ'ল একমাত্ৰ গ্ৰহ বা উপগ্ৰহত বাদে কোনো জ্যোতিষ্কতে জীৱৰ অস্তিত্ব নাই বুলি পতিয়ণ যাব পাৰি। আনহাতে এইটোও দেখা গ'ল যে আমাৰ সৌৰজগতৰ পৃথিৱীৰ বাদে কোনো এটা গ্ৰহ বা উপগ্ৰহতে জীৱৰ সন্ধান পোৱা হোৱা নাই। সেয়েহে বৰ্ত্তমান মহাকাশৰ ভিতৰত জীৱৰ সন্ধান বিচাৰি থকা হৈছে।

আমাৰ সূৰ্য্য, হাতীপটিৰ এক বিশেষ স্থানত অৱস্থিত। হাতীপটিত সূৰ্য্যৰ দৰে নক্ষত্ৰ বহুত আছে। কিন্তু সাইলাখ সূৰ্য্যৰ দৰে নক্ষত্ৰ বেছি নাই। বেচিভাগ নক্ষত্ৰ যোৰ পাতি বা দলবদ্ধ হিচাবে থাকে। জীৱৰ অনুকুল পৰিৱেশ নক্ষত্ৰত যে থাকিব নোৱাৰে, সেই কথা আগতে কোৱা হৈছে। এতিয়া প্ৰশ্ন হ'ল সূৰ্য্যৰ দৰে অকলশৰীয়া আৰু গ্ৰহ মণ্ডলীৰে আবৃত কিমান নক্ষত্ৰ আমাৰ হাতীপটিত আছে?

আনহাতে বিশ্বব্ৰহ্মাণ্ডত হাতীপাটিৰ (তাৰকাৰাজ্য) সংখ্যাও অলেখ। আমাৰ নিজৰ হাতীপটিও যদি খুব কম সংখ্যক সাইলাখ সূৰ্য্যৰ দৰে আৰু গ্ৰহমণ্ডলীৰে আবৃত নক্ষত্ৰ থকা বুলি ধৰো, তেতিয়া হলেও গোটেই বিশ্ব-ব্ৰহ্মাণ্ডত জীৱৰ অনুকুল পৰিৱেশ থকা সৌৰ-জগতৰ সংখ্যা ভালেমান হব। অৱশ্যে এই সকলোবোৰ কেৱল অনুমানহে। প্ৰমাণ কৰাৰ তথ্য নাই। বিজ্ঞানী সকলে ভাৱে, এই সম্ভাৱনা প্ৰতি হাজাৰত এক বুলি ধৰিলেও বিশ্বব্ৰহ্মাণ্ডত 100, 000, 000 (এক নিযুত) সূৰ্য্যৰ দৰে গ্ৰহমণ্ডলীৰে আবৃত নক্ষত্ৰ ওলাব। পিচে গ্ৰহ থাকিলেই জৈৱিক পৰিৱেশ নাথাকিব পাৰে, কিয়নো আমাৰ সৌৰজগতত্তে নটা গ্ৰহৰ ভিতৰত মাত্ৰ এটাত্তহে জৈৱিক পৰিৱেশ বৰ্ত্তমান। এই হিচাবে জৈৱিক পৰিৱেশ থকা গ্ৰহ সমন্বিতে নক্ষত্ৰৰ সংখ্যা হয়তো আৰু কম হব। তথাপি এটা কথা খাটাংকৈ কব পাৰি যে বিশ্বব্ৰহ্মাণ্ডত আমি অকলশৰীয়া নহয়। ইতিমধ্যে আমাৰ নিজৰ হাতীপটিতে সূৰ্য্যৰ দৰে অকলশৰীয়া নক্ষত্ৰ বাচি লৈ তাৰ গ্ৰহমণ্ডলী থকা বুলি অনুমান কৰি সেই দিশত বৈজ্ঞানিক সংকেত পঠিয়াই দিয়া হৈছে— এই আশা কৰি যে যদি তাত বুদ্ধিমান জীৱৰ উৎপত্তি হৈছে তেতিয়া হলে এই সংকেতৰ উত্তৰ পঠিয়াব। অৱশ্যে ইয়াৰ বাবে বাট চাব লাগিব বহু বছৰ। কিয়নো এই নক্ষত্ৰবোৰ আমাৰ বহু নিলগত আছে। পোহৰৰ বেগত সংকেত পঠিয়ালেও আমাৰ নিচেই ওচৰত থকা নক্ষত্ৰটোৰ পৰা সেই সংকেত উভতি আহিবলৈ আঠ বছৰ লাগে। তথাপি কিন্তু আমি আশা ৰাখিছো আমাৰ দৰে সভ্যতা কিজানি অন্য নক্ষত্ৰ জগতত আছেইবা।



# গোৱালপাৰা মহাবিদ্যালয়
## (এক সংক্ষিপ্ত ইতিহাস)

—মুজাম্মিল হক—
গ্ৰন্থা গাৰিক

গোৱালপাৰা কলেজ দক্ষিণ গোৱাল-পাৰা এলাকাৰ শিক্ষা জগতত বাণীতীৰ্থ বা জ্ঞানপীঠ। এই বাণীতীৰ্থ স্থাপিত হোৱাৰ পূৰ্বে এই এলাকাত এম, এ, পাছ আৰু উচ্চ ডিগ্ৰী-ধাৰী লোকৰ সংখ্যা নিচেই তাকৰ আছিল। এনেকি গ্ৰেজুৱেটৰ সংখ্যাও আঙুলিৰ মূৰত লেখিব পৰা আছিল। চমুকৈ কবলৈ হ'লে এই শতিকাৰ আৰম্ভনীৰ পৰা মাজভাগলৈ উচ্চ বা উচ্চতৰ শিক্ষাৰ ক্ষেত্ৰত এই এলাকাত অন্ধকাৰ যুগ চলিছিল বুলিয়েই কব পাৰি। ১৯৫৫ চনত গোৱালপাৰা চহৰৰ বুকুত আমাৰ এই গোৱাল-পাৰা কলেজখন প্ৰতিষ্ঠা হোৱাত যি এগছি অক্ষয় বন্তি জ্বলি উঠিল তাৰ পোহৰত বৰ্ত্তমান গোৱালপাৰা জিলাৰ চুকে কোনে দিন যেন পোহৰ হৈ পৰিল। এলাকাৰ শিক্ষিতৰ সংখ্যা বাঢ়িল, শিক্ষাৰ পৰিসৰ বাঢ়িল। দূধনৈ কলেজ ( লক্ষীপুৰ কলেজ (১৯৮৯), পশ্চিম গোৱালপাৰা কলেজ (১৯৮২) হাবৰাঘাট কলেজ, কৃষ্ণাই ( ) বিকালি কলেজ, ধূপধাৰা (১৯৮২) মানকাছাৰ কলেজ আদি প্ৰতিষ্ঠা হোৱাৰ আগলৈকে গোৱালপাৰা কলেজেই এই বৃহৎ এলাকাৰ সৰ্ববৃহৎ আকৰ্ষণীয় শিক্ষা-কেন্দ্ৰ আছিল।

এই শতিকাৰ মাজভাগত গোৱালপাৰাৰ নেতৃ স্থানীয় মুষ্টিমেয় শিক্ষিত লোকৰ মাজত এই বিৰাট এলাকাৰ উচ্চ শিক্ষাৰ চাহিদা পুৰণাৰ্থে আলোচনা বিলোচনা হয় আৰু এই ক্ষেত্ৰত তেতিয়াৰ উকিল সন্থা (Bar Association) আৰু স্থানীয় গুণগ্ৰাহী ব্যক্তি কেই-জনমানে অগ্ৰনি ভূমিকা গ্ৰহণ কৰে আৰু ৰাজহুৱা সমৰ্থন আদায়ৰ কাৰণে ১৯৫৫ চনৰ ২ এপ্ৰিল তাৰিখে "অসম ক্লাবত" মৰহুম জনাব মুজিবৰ ৰহমান (মজি মহাজন) চাহাবৰ সভা পতিত্বত মিলিত হয়। সভাত বিভিন্ন বক্তাই এলাকাৰ উচ্চ শিক্ষাৰ প্ৰয়োজনীয়তাত জোৰ দিয়ে। স্বৰ্গীয় খগেন্দ্ৰ নাথ (প্ৰাক্তন এম, এল, এ,) ডাঙৰীয়াই তেখেতৰ ভাবনত গোৱালপাৰা মহকুমাৰ বাহিৰে অসমৰ প্ৰত্যেক খন মহকুমা চহৰত কলেজ থকাৰ কথা উল্লেখ কৰে আৰু গোৱালপাৰা চহৰতো পলম নকৰি নৈশ কলেজ হিচাপে হলেও কলেজ এখন পতাৰ সপক্ষে মত প্ৰকাশ কৰে। সভাই সৰ্ব্ব

সম্প্রতি ক্ৰমে চলিত শিক্ষা বছৰৰ পৰা ( ১৯৫৫ ) কলেজৰ শিক্ষাৰম্ভ হব লাগে বুলি মতামত দিয়ে আৰু শ্ৰেণীৰ কাম স্থানীয় পি, আৰ, চৰকাৰী হাইস্কুলত-নৈশ কলেজ হিচাপে-আৰম্ভ কৰাৰ সিদ্ধান্ত লয়। এই সভাতে স্বৰ্গীয় নাথ ডাঙৰীয়াই কলেজখনৰ দৰকাৰী মাটিৰ কথা উত্থাপন কৰি প্ৰসঙ্গক্ৰমে বৰ্ত্তমানে কলেজখন থিয় দি থকা শ্যামসুন্দৰ দেৱোত্তৰৰ মাটিৰ কথাও উল্লেখ কৰে। ডাক্তৰ মেহদি আলী আৰু স্বৰ্গীয় ওৱাজউদ্দিন আহাম্মদ চাহাবে এই মহৎ উদ্যোগক সমৰ্থন কৰে। ডাক্তৰ অন্নদা চৰণ দাস ডাঙৰীয়াই শ্ৰমদান আগবঢ়ায় আৰু এই মহান কাৰ্য্যত অংশ লোৱাৰ বাবে যুবক সকলক অহ্বান জনায়।

২ এপ্ৰিল তাৰিখৰ এই সভাখনেই চাৰিওফালৰ পৰা পিছপৰি থকা আমাৰ এই বৃহত্তম এলাকাৰ পথ প্ৰদৰ্শনী সভা আৰু জ্ঞান বৰ্ত্তিৰ বাহক স্বৰূপ আছিল। সিদিনাই এই জ্ঞানপীঠৰ নামাকৰণ হয় আৰু সময় সাপেক্ষে বিভিন্ন পৰিকল্পনাও হাতত লয়।

মাননীয় খগেন্দ্ৰ নাথ, নাথ জনাব ওৱাজ-উদ্দিন আহম্মেদ আৰু জনাব মুজিবৰ ৰহমান ( মজি মহাজন ) এই স্বৰ্গীয় ব্যক্তি সকলক যথাক্ৰমে সভাপতি, সম্পাদক আৰু ধনভঁড়ালী হিচাবে লৈ ৩৬ জন সদস্যৰে এখন সাধাৰণ সমিতি আৰু ৮ জন সদস্যৰে উপ সমিতি এখনো সিদিনাই গঠন কৰা হয়।

উপসমিতিয়ে যুগুত কৰা প্ৰতিবেদন ১০/৬/৫৫ তাৰিখৰ সমিতিত মহকুমাৰ গণ্যমান্য ব্যক্তিৰ উপস্থিতিত আলোচনা কৰি আমাৰ মৰমৰ কলেজখন "Ints mediate callege" হিচাবে ১৯৫৫ চনৰ শিক্ষা বছৰৰ পৰা আৰম্ভ কৰাৰ সিদ্ধান্ত হ'ল আৰু লগতে ৪১ জন সদস্যৰে শক্তিশালী কলেজ পৰিচালনা সমিতি এখন গঠন কৰা হয়। পৰিচালনা সমিতি খনত সাধাৰণ সমিতিৰ ৩৬ জন সদস্যৰ লগত নতুন ৫ জন সদস্য লোৱা হয়। ২ মাহ পাছতে আগৰ সমিতি খনৰ সাল সলনি কৰি ১৪ জন সদস্যৰে এখন নিয়মিয়া পৰিচালনা সমিতি গঠণ কৰা হয়। এই সমিতিখনে ১৬ আগষ্ট, ১৯৫৫ ৰ পৰা কাৰ্য্য পৰিচালনা আৰম্ভ কৰে।

১৯৫৫ ৰ ৩ আগষ্ট তাৰিখে পি, আৰ চৰকাৰী হাইস্কুলত গীতা, বাইবেল কোৰাণৰ আবৃত্তিৰে আৰম্ভ কৰা সভাত মাননীয় মুখ্যমন্ত্ৰী স্বৰ্গীয় বিষ্ণুৰাম মেধি, স্বাস্থ্য মন্ত্ৰী ৰূপনাথ ব্ৰহ্ম আৰু গড় কাপ্তানী মন্ত্ৰী সিদ্ধিনাথ শৰ্মা-দেৱে প্ৰধান অতিথি হিচাবে যোগদান কৰে। মুখ্যমন্ত্ৰী দেৱে সভাত পৌৰহিত্য কৰে আৰু আনুষ্ঠানিক ভাৱে এই মহাবিদ্যালয়ৰ দুৱাৰ মুকলি কৰে।

ইতিমধ্যে সিদ্ধান্ত লোৱা আমাৰ কলেজ-খনৰ শিক্ষা দান পৰ্ব ৫৯ জন ছাত্ৰ আৰু ৫ জনী ছাত্ৰীক লৈ ৮ আগষ্ট তাৰিখে আবেলি ৫ বজাৰ পৰা ৰাতি ৯ বজালৈ পি, আৰ, চৰকাৰী হাইস্কুলত আৰম্ভ হ'ল। শ্ৰেণী বোলোতে এটা আই, এ, প্ৰথম বাৰ্ষিক। শ্ৰেণী বহুৱাবলৈ স্কুলৰ ৭নং কোঠালিটো আৰু হল ঘৰটো ব্যৱহাৰ কৰাৰ স্থানীয় অনুমতি পোৱা গ'ল। ইয়াতেই গোৱালপাৰা কলেজৰ পুঁলি ৰোৱা হ'ল। সেই পুলি আজি ৩৩ বছৰৰ মূৰত এজোপা বিৰাট



মহীৰুহত পৰিণত হ'ল। ভৱিষ্যতৰ কথা আমি আশা হে কৰিব পাৰো। কিন্তু তাৰ স্বৰূপ নেদেখোঁ। কোনে জানিছিল প্ৰথমে পি, আৰ, চৰকাৰী হাইস্কুলত তাৰ পাছত ১৯৫৬ চনত স্থানীয় ল'ৰাৰ এম, ই মাদ্ৰাছা আৰু জাতুন নেছা ছোৱালী এম, ই স্কুলত আৰু এটা শ্ৰেণী Children Library ত থাকি এন্ধাৰ আৰু পোহৰৰ দোমোজাত চলি থকা টিপ্ টিপ্কৈ চলাই ৰখা ডলাৰ বগৰী হেন শ্ৰেণী কেইটাই গৈ সময়ত গোৱালপাৰা জিলা তথা অসমৰ ভিতৰত লেখত লোৱা কলেজ হৈ পৰিব।

যথা সময়ত পৰিচালনা সমিতিয়ে বিশ্ব বিদ্যালয়ৰ পৰা আই, এ, প্ৰথম বাৰ্ষিক শ্ৰেণী খোলাৰ অনুমতি আদায় কৰিবলৈ সক্ষম হয়। এই বিষয়ত স্বৰ্গীয় অধ্যক্ষ ওৱাজ উদ্দিন চাহাবৰ কৃতিত্ব উল্লেখযোগ্য।

ছাত্ৰ ভৰ্ত্তি কৰা হব বুলি জাননী দিয়াত ভৰ্ত্তি প্ৰপত্ৰ নিবলৈ নিতৌ গধুলি Children library ত পতা কলেজ কাৰ্য্যালয়ত ছাত্ৰই জুম বান্ধে। ভৰ্ত্তি হোৱা ছাত্ৰ-ছাত্ৰী সকলৰ বয়সৰ গড় প্ৰায় আমাৰ কলেজত বৰ্ত্তমানে চলাই থকা গোৱালপাৰা আইন কলেজৰ ছাত্ৰ-ছাত্ৰীৰ বয়সৰ গড়ৰ লেখৰ আছিল। এওঁ বিলাকেই গোৱালপাৰা কলেজৰ প্ৰকৃত প্ৰতিষ্ঠাপক। যি যত যেনেকৈ আছে সেই প্ৰতিষ্ঠাপক সকলৰ ভগবানে মঙ্গল কৰক।

আৰম্ভনীৰ অধ্যক্ষ স্বৰ্গীয় ওৱাজদ্দিন আহাম্মদ এম, এচ, চি, বি এল, মহোদয়ে ১৯৫৪ চনত স্বাধীন আইন ব্যৱসায় কৰাৰ উদ্দেশ্যে গোৱালপাৰা Bar Association ৰ লগত সম্বন্ধ পাতে। ইয়াৰ আগতে তেখেত কটন কলেজত ৰসায়ন বিভাগৰ অধ্যাপক আছিল। গোৱালপাৰা কলেজ পতাৰ জল্পনা-কল্পনা আৰম্ভ হোৱাৰ দিনৰে পৰা ইয়াৰ পৰিকল্পনা, পুঁজি সংগ্ৰহ আৰু কলেজৰ হকে শ্যাম সুন্দৰ দেৱোওৰৰ মাটি ৫১ বিঘা ৰায়ত মহি উদ্দিন আহাম্মদ ওৰফে কালঠামেখ ( কালঠাবুঢ়া ) আৰু মতিজান বেওঁয়াৰ দখলৰ পৰা কলেজৰ দখললৈ অনালৈ যাবতীয় কাম কাজত সক্ৰীয়ভাৱে লাগি থাকি আমাৰ মৰমৰ কলেজখনৰ ৰূপদান দি আৰম্ভনীৰ সম্পাদক আৰু অধ্যক্ষ উভয় পদৰে সন্মান ৰাখি গৈছে। অবৈতনিক অধ্যক্ষ হিচাবে ১৯৫৫ চনৰ ১ চেপ্তেম্বৰ তাৰিখে তেখেতে দায়িত্ব গ্ৰহণ কৰে।

জয়যাত্ৰাৰ দিনৰ অধ্যাপক সকলৰ এজনো বৰ্ত্তমানে আমাৰ কলেজত নাই। এই দিনৰ মাননীয় অধ্যাপক সকল আছিল ডঃ মহিনী শইকীয়া ( বৰ্ত্তমান গোলাঘাট কলেজৰ অধ্যক্ষ পদত থাকিব পায় অথবা অৱসৰ লৈছে ) ডঃ টি, এন, বৰুৱা ( বৰ্ত্তমান অধ্যক্ষ বা অৱসৰ লৈছে ), শ্ৰীযুত সুভাষ চন্দ্ৰ চাটাৰ্জী আৰু অধ্যাপক অহিদ চাহাব ( বৰ্ত্তমান বি, বৰুৱা কলেজৰ বুৰঞ্জী বিভাগৰ প্ৰধান প্ৰৱক্তা )। এই মাননীয় অধ্যাপক সকল ১৫৫৮ চনৰ আগলৈকে আমাৰ এই গোৱালপাৰা কলেজ গঢ়াৰ মহা-সপোনৰ লগত জৰিত। ইয়াৰ পাছত বিভিন্ন বিভাগত অধ্যাপক হিচাপে আহিছে শ্ৰীযুত আৰ, পি, শুভ ৰায় ( ১৭/৩/৫১ — ২৩/১১/৬০ ) বাণিজ্যিক ভূগোল, শ্ৰীযুত বিষ্ণু প্ৰসাদ খাউণ্ড ( ২১/৭/৫৮—৯/৭/৬২ ) অৰ্থনীতি, শ্ৰীযুত লুতফুৰ ৰহমান ( ১১।১১।৫৮ — ) লজিক আৰু ফিলচফী, ডঃ মনোজ কুমাৰ চক্ৰৱৰ্ত্তী ১৯।১১।৫৮ বুৰঞ্জী, শ্ৰীযুত শশীনাথ চৌধুৰী

( ৩-৭-৫৯— ) বুৰঞ্জী, শ্ৰীযুত বোহিত কুমাৰ শৰ্মা ( ৬-৭-৫৯ ) অসমীয়া, শ্ৰীযুত লক্ষী প্ৰসাদ বৰা ( ১০-৭-৫৯ ) অৰ্থনীতি আৰু চিভিকস্‌ শ্ৰীযুত কিৰণ চন্দ্ৰ চৌধুৰী (২৮-৭-৫৯) লজিক আৰু ফিলচফী, শ্ৰীযুত এ, ভি, ৰামাইয়াহ ( ২৮—৭-৫৯—১৯৮৭ ) ইংৰাজী।

এই সকলেই আছিল গোৱালপাৰা কলেজৰ বাটকটীয়া। ইয়াৰ পিছতো নতুন বিভাগ হৈছে, নতুন অধ্যাপক আহিছে আৰু গৈছে। গোৱালপাৰা কলেজ গঢ়াত এই সকলোৱে কম বেছি পৰিমাণে অৱিহনা দি গৈছে আৰু আছে নিশ্চয়। এওঁবিলাক আমাৰ নমস্য।

এই চাম অধ্যাপক বৰ্ত্তমানে আমাৰ মাজত মাননীয় উপাধ্যক্ষ ডঃ মনোজ কুমাৰ চক্ৰৱৰ্ত্তী ( চক্ৰৱৰ্ত্তী চাৰ ), মাননীয় বোহিত কুমাৰ শৰ্মা ( শৰ্মা চাৰ ) আৰু মাননীয় কিৰণ চৌধুৰী ( চৌধুৰী চাৰ ) আছে। উপাধ্যক্ষ লুতফুৰ ৰহমান চাৰ আৰু ইংৰাজী বিভাগৰ প্ৰধান হৈ থকা এ, ভি, ৰামাইয়াহ চাৰক সৌ সিদিনা আমি বিদায় সভা পাতি দীৰ্ঘায়ু কামনা কৰি চকুলোৰে বিদায় দিছো। খাউণ্ড চাৰ আমাৰ অধ্যাপনা এৰি আইনৰ ডিগ্ৰী লয় আৰু তাৰ পাছত ভাৰত চৰকাৰৰ ministy of communication বিভাগৰ উচ্চ পদস্থ বিষয়া হিচাবে থাকি কিছুদিনৰ পৰা ঠিকা ব্যৱসায়ত সোমাইছে। খাউণ্ড চাৰ নিজেই নিজৰ পৰিচয় আছিল। এজন দক্ষ ফুটবল খেলুৱৈ হিচাবে ছাত্ৰ সমাজ তথা ৰাইজৰ মাজত নাম আছিল আৰু ভাল কৰ্মী বুলি সুনাম আছিল। লক্ষীবৰা চাৰ ৬১—৬২ চনতে এইখন কলেজ এৰি থৈ গোলাঘাটৰ ডি, আৰ কলেজত যোগদান কৰে। শ্ৰীযুত শশী নাথ চৌধুৰী চাৰ আমাৰ কলেজৰ অধ্যাপনা এৰি বেৰিষ্টাৰী পঢ়িবলৈ যায়। বেৰিষ্টাৰী ডিগ্ৰী লাভ কৰাৰ পাছত কিছুদিন অষ্ট্ৰেলিয়া চৰকাৰৰ চাকৰীত থাকি বৰ্ত্তমান তেখেত ভাৰতৰ উচ্চতম ন্যায়ালয়ত আছে।

কলেজৰ কাম কাজ গতানুগতিক ভাৱে চলিবলৈ ধৰিলে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বাঢ়িবলৈ ধৰিলে। বাঢ়িলে কি হব নিজৰ ঘৰ নাই। ইপিনে পি, আৰ, চৰকাৰী হাইস্কুলৰ কৰ্তৃপক্ষই স্কুলখন ব্যৱহাৰ কৰিব নিদিয়ে। গতিকে কলেজে নিজাকে পোৱা দৰোস্তৰ মাটিত নিজৰ স্বকীয়া ব্যৱস্থাৰ কাৰণে চিন্তা কৰাটো প্ৰয়োজনীয় হৈ পৰিল।

কলেজৰ স্থায়ী ঘৰ সজাৰ স্বৰ্ত্ত সাপেক্ষে সিদ্ধান্ত সমিতিয়ে ১৯৫৬ চনৰ ৫ জুন তাৰিখৰ সভাতে লৈ ৰাখিছিল। ফাণ্ডত ( Fund ) অন্ততঃ ৩০,০০০ ( ত্ৰিশ হেজাৰ ) টকা জমা হ'লেই কলেজৰ স্থায়ী ঘৰ সজা কাম হাতত লোৱা হ'ব। কিন্তু পৰিস্থিতিয়ে সমিতিক এতিয়া সময় সাপেক্ষে নীতি আৰু পৰিকল্পনা গ্ৰহণ কৰিবলৈ বাধ্য কৰালে। ইতিমধ্যে কৰ্ত্তৃপক্ষই অভিযন্তাৰ দ্বাৰা কৰাই লোৱা নক্‌সা খনৰ প্ৰাথমিক ৰূপদান দিয়াৰ ( Plinth works ) কাৰণে ১৯৫৭ ৰ ২৬ চেপ্তেম্বৰ তাৰিখে পৰিচালনা সমিতিয়ে ২০০০.০০ (দুহেজাৰ টকা) Sanction দিলে আৰু এই কাম চোৱা চিতা কৰাৰ ভাৰ ডাঃ মেহদি আলী আৰু স্বৰ্গীয় ৰামেশ্বৰ দাস ডাণ্ডৰীয়াৰ ওপৰত ন্যস্ত কৰিলে। পাছত



যি হয় হ'ব বুলি যা-যোগাৰ চলিল। পুঁজি সংগ্ৰহ অভিযান আৰু কলেজ ঘৰ নিৰ্মাণৰ পৰিকল্পনা সমানে চলি থাকিল।

মৰণত শৰণ দি তুৰমুৰ যাত্ৰা যি কৰে বিধাতা বুলি সমিতিয়ে আগবাঢ়িবলৈ মনস্থ কৰিলে। ১৯৫৭ চনৰ অক্টোবৰ মাহৰ ৪ তাৰিখ শুক্ৰবাৰৰ দিনা কলেজৰ স্থায়ী ঘৰৰ ভেটি স্থাপন কৰা হ'ল। প্ৰথম খুটাটোত শিলন্যাস কৰিবলৈ আহিছিল তেতিয়াৰ মাননীয় ৰাজহ মন্ত্ৰীদেৱে। আমাৰ কলেজ পুখুৰীৰ পাৰৰ উত্তৰ মূখী ঘৰ খনেই আমাৰ প্ৰথম বাণী মন্দিৰ যত বৰ্ত্তমানে বিজ্ঞান শাখাৰ ৰসায়ণ আৰু পদাৰ্থ বিভাগৰ গৱেষণাৰ ( Labortary ) কাম চলাই থকা হৈছে।

কলেজ এখনে কৰ্ত্তৃপক্ষৰ পৰা পৰিক্ষাৰ্থী প্ৰেৰণ কৰাৰ অনুমতি আদায় কৰাৰ নিয়ম সহজ কিন্তু কৰ্ত্তৃপক্ষৰ পৰা নিয়মিত affiliation আদায় কৰা সহজ নাছিল। আমাৰ কলেজে প্ৰথমবাৰ ( ১৯৫৭—৫৮ ) আই, এ. পৰিক্ষাৰ্থী প্ৰেৰণ কৰাৰ অনুমতি পালেও নিয়মিত affiliation পোৱাৰ অৰ্হতা কলেজখনে অৰ্জন কৰিব পৰা নাছিল। অৰ্হতাৰ কাৰণে প্ৰথম প্ৰয়োজন আছিল কলেজৰ নিজা মাটি, স্থায়ী ঘৰ আৰু সংৰক্ষিত পুঁজি ( Reserve fund ), দ্বিতীয় স্বৰ্ত্ত কেৱল ৰাতিৰ কলেজ হৈ থাকিলেও বিশ্ববিদ্যালয়ে স্থায়ী স্বীকৃতি নিদিয়ে।

ইতিমধ্যে আমাৰ কলেজখনৰ ঘাঁহি বঠা ধৰা আৰম্ভণীৰ সম্পাদক আৰু অধ্যক্ষ স্বৰ্গীয় ওৱাজ উদ্দিন আহাম্মদ চাহাব ( ১/৯/৫৫-১৮/১/৫৭ ) স্বাস্থ্য জনিত কাৰণত ১৮/১/৫৭ তাৰিখে অৱসৰ লয়। এই জনা মহান ব্যক্তি আমাক কন্দুৱাই ৯/৮/৫৮ তাৰিখে স্বৰ্গবাসী হয়। স্বৰ্গীয় ওৱাজউদ্দিন আহম্মদ চাহাব অৱসৰ লোৱাত অধ্যক্ষৰ খালি ঠাই পূৰণ কৰে মাননীয় অমল বয় ডাণ্ডৰীয়া। তেখেত ১৯।১/৫৭ তাৰিখৰ পৰা অধ্যক্ষৰ কাৰ্য্যভাৰ গ্ৰহণ কৰি ১১/১১/৬০ লৈকে এই কলেজৰ অধ্যক্ষ পদত বাহাল থাকে। এখেতৰ দিনতেই প্ৰাইভেট হিচাবে আমাৰ কলেজৰ প্ৰথম বাৰৰ আই, এ, পৰিক্ষাৰ্থী প্ৰেৰণৰ যাবতীয় ব্যৱস্থা কৰা হয়।

১৯৫৮ চনৰ কথা, ইতিমধ্যে কলেজৰ কিছু সংখ্যক ছাত্ৰ আই, এ, পৰীক্ষা দিছে। আৰু তাৰ ফলও নতুকৈ স্থাপিত কলেজৰ কাৰণে সন্তোষজনক। এই চাম ছাত্ৰ-ছাত্ৰীৰ ভবিষ্যত শিক্ষাৰ কথা আগত ৰাখি কৰ্ত্তৃপক্ষই ১৯৫৯ চনৰ শিক্ষা বছৰৰ পৰা বি, এ, শ্ৰেণীৰ শুভাৰম্ভ কৰিলে। বিষয় সমূহ আছিল অৰ্থনীতি, বুৰঞ্জী আৰু দৰ্শন শাস্ত্ৰ। কৰ্ত্তৃপক্ষই যথা সময়ত বিশ্ব বিদ্যালয়ৰ পৰা অনুমতি আৰু স্বীকৃতি আদায় কৰিলে। মুঠতে কৰ্ত্তৃপক্ষৰ তৎপৰতা অধ্যাপক সকলৰ মহান ত্যাগ আৰু ছাত্ৰ সমাজৰ সহযোগীতা আৰু পৰিশ্ৰম আৰু ৰাইজৰ সহায় সহানুভূতিৰ ফলস্বৰূপে ১৯৬১ চনতে গোৱালপাৰা কলেজ ( কলা শাখাৰ ) এটা লেখত লোৱা উচ্চ শিক্ষাৰ অনুষ্ঠানৰূপে প্ৰতিষ্ঠিত হয়।

১৯৫৮—৫৯ চনৰ শিক্ষা বছৰ আৰম্ভ হোৱাৰ আগে আগে কলেজৰ মূলঘৰৰ ৪টা কোঠালীৰ কাম দুৱাৰ-খিৰিকি আৰু মজিয়া পকা কৰা আদিৰ চিন্তা পাছত ৰাখি কোনো মতে উলিয়াই লোৱা হ'ল আৰু লগে লগে ডলাৰ বগৰীৰ দৰে থকা আমাৰ কলেজ খন

উঠাই আনি নিজা ঘৰত কোনোমতে থিতাৰি লগোৱা হ'ল। নিজা ঘৰত থিতাপি লগাৰ প্ৰাছৰে পৰা কতৃপক্ষই দিনৰ কলেজৰ শুভাৰম্ভ কৰিলে। অৱশ্যে তেতিয়াও ৰাতিৰ শ্ৰেণী এটা Clildren Library ত চলাই ৰখা হৈছিল।

আজি চহৰৰ মাজ মজিয়াত অধিষ্ঠিত হলেও আৰম্ভনীৰ সময় চোৱাত কলেজখন চহৰৰ এচুকত স্থাপন কৰা যেন হে লাগিছিল। কলেজৰ চাৰিসীমাৰ ৰাতিৰ পৰিবেশ ধৰি থাওঁ যেন আছিল। আজিৰ দৰে তেতিয়া চহৰত যান নাহৰৰ চলাচল নাছিল. পোহৰৰ ব্যৱস্থাও নাছিল, অফিচ আদালতৰ সংখ্যাও কম আছিল। চহৰৰ উত্তৰ সীমাত নৈৰ পাৰতে গোটেইখিনি থুপ খাই আছিল। মানুহৰ খেলা মানুহৰ মেলা এই এলাকাতেই চলিছিল।

ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক সকলৰ বাবে সা-সুবিধা বোলোতে একোৱেই নাছিল। তথাপি কতৃপক্ষই যিখিনি আগবঢাইছিল তাতে সন্তুষ্ট থাকি মাননীয় অধ্যাপক সকল আৰু ছাত্ৰ-ছাত্ৰী সকলে নিশ্চয় দৃষ্টান্ত ৰাখিছে। আমি আৰু আমাৰ ভবিষ্যত বংশধৰ সকলে নিশ্চয় তেওঁবিলাকক সুঁৱৰি যাব লাগিব। পুঁজি সংগ্ৰহৰ পৰা আৰম্ভ কৰি কলেজৰ বিভিন্ন কাৰ্য্যত সহযোগীতা কৰাৰ ক্ষেত্ৰত এই চাম অধ্যাপক আৰু ছাত্ৰৰ অবদান লেখত লবলগীয়া। আজৰ পৰত বন্ধৰ দিনত আৰু এনেকি কলেজ খোলা থকা দিনতো গাঁৱে ভুঁৱে হাটে বজাৰে টেমা লৈ ঘুৰি ঘুৰি কলেজৰ ভবিষ্যত সম্মান অটুত ৰখাৰ চিন্তাত ব্ৰতী আছিল এই চাম ব্যক্তিয়ে। কতৃপক্ষৰ ফালে চাই নাথাকি শ্ৰম দানেৰে দক্ষিণ কালৰ আলি বাটটোও বান্ধি লৈছিল।

১৯৬০ চনৰ ডিচেম্বৰ মাহলৈ দুৱাৰ খিৰিকি নথকা কেচা ভেটিৰ কোঠালিত বহি শিক্ষা গ্ৰহণ কৰিব লগা হৈছিল। ছাত্ৰ জিৰণী কোঠা নাছিলেই। এটা কোঠালিকে চাৰিৰ বেৰেৰে তিনিভাগ কৰি শিক্ষক আৰু ছাত্ৰীৰ জিৰণী কোঠা হিচাবে আৰু এভাগত পুথি ভঁৰালৰ কাম চলাই ৰখা হৈছিল। এই সময় চোৱত পুথি ভঁৰালৰ Profe sor incharge মোৰ শ্ৰদ্ধাগছ বৰ্ত্তমান কলেজৰ উপাধ্যক্ষ ডঃ মনোজ কুমাৰ চক্ৰৱৰ্ত্তী মহোদয় আছিল।

১৯৬০ চনৰ ২২ আগষ্ট তাৰিখে অধ্যক্ষ অমল ৰয় ডাঙৰীয়া এমাহৰ ছুটিত গ'ল যদিও ঘুৰি নাহিল। কতৃপক্ষই অৱস্থা চাই ব্যৱস্থা ললে। ২/১২/৬০ তাৰিখৰ পৰা ডঃ মহেন্দ্ৰ বৰা মহোদয়ক এই গুৰুত্ব পূৰ্ণ পদত মকবল কৰিলে।

অপ্ৰিয় হলেও সঁচা কথা যে আমাৰ কলেজখনে আৰম্ভনীৰ পৰা অৰ্থ সংকটৰ মাজেৰে আহি আছিল। অৰ্থাভাৱৰ কাৰণে কতৃপক্ষই কলেজৰ অভাৱ অভিযোগ বোৰৰ স্থায়ী সমাধানৰ পৰিকল্পনা হাতত লব পৰা নাছিল।

কলেজখনে সন্মুখীন হোৱা গুৰুতৰ বহু বোৰ সমস্যাৰ ভিতৰত বাহিৰৰ পৰা পঢ়িব অহা ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়া হোষ্টেল, শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ বাবে জিৰণী কোঠা, Library আৰু Reading Room, ১৯৫৮—৫৯ চনত বন্ধ কৰা I. A. শ্ৰেণীৰ নৈশ শাখা পুনৰ আৰম্ভ, বিজুলী বাতিৰ ব্যৱস্থা, কলেজত অহা যোৱা কৰা আলিবাটৰ দুখ লগা অৱস্থা, আচবাব পত্ৰ আৰু শ্ৰেণীৰ কোঠালীৰ অভাৱ, অধ্যাপকৰ অভাৱ আৰু এনেকি ছাত্ৰ-ছাত্ৰী তথা অধ্যাপকৰ একেবাৰে মৌলিক প্ৰয়োজনীয় খিনিকো যোগান ধৰিব পৰাৰ উপযুক্ত ব্যৱস্থা নাছিল।



আয়ৰ তুলনাত ব্যয়ৰ অঙ্কটোৰ ওজন বেছি হোৱাৰ ফলত অভাৱবোৰ সমস্যা থুপ খাইছিল। ছাত্ৰ-ছাত্ৰীৰ পৰা লোৱা মাচুল. চৰকাৰৰ পৰা ইতিমধ্যে পোৱা সামান্য অদৰ্থ মঞ্জুৰি ( Adha grant ) আৰু fee compensation ৰ টকাৰে মাহিলি খৰচ মুঙ্কুৰিছিল। ৰাইজৰ বৰঙনীৰে ঘাঁটি পুৰাই কোনো মতে কলেজখন চলি আছিল।

এফালে সীমাহীন সমস্যা আছিল যদিও আনফালে গঠন মূলক বাতাবৰণ কলেজখনৰ বাবে লক্ষণীয় আছিল।

পুৰণি সমস্যাৰ মেৰামতি হোৱাই নাই ১৯৬১ চনৰ আৰম্ভনীতে আকৌ ডাঙৰ নতুন সমস্যা এটি কতৃপক্ষৰ সন্মুখত দেখা দিলে। ইতিমধ্যে চৰকাৰে ঘোষনা কৰা পুৰণি ২ বছৰীয়া স্নাতক শ্ৰেণী পাঠ্যক্ৰমৰ সলনি ১৯৬২—৬৩ ৰ শিক্ষা বছৰৰ পৰা কলেজ সমূহত ৩ বছৰীয়া নতুন পাঠাক্ৰম প্ৰৱৰ্ত্তন হ'ল। এই নতুন পাঠ্যক্ৰম প্ৰবৰ্ত্তনৰ ক্ষেত্ৰত বিশ্ব বিদ্যালয় আয়োগৰ ( University geants rommission ) নিয়মাৱলীত কিছুমান পূৰ্বস্বৰ্ত্ত আৰোপ কৰা অ ছিল। আমাৰ কলেজখনৰ আয়োগৰ নিয়মাৱলীৰ মাজত তৎক্ষণাত সোমাব পৰাৰ সম্পুৰ্ণ অৰ্হতা নাছিল। সেয়ে Reserve fund বা সংৰক্ষিত পুঁজি আৰু working fund বা চলিত পুঁজিৰ সমস্যাটো কতৃপক্ষৰ আগত জটিলৰূপে দেখা দিলে। ৰাইজৰ সহায় সহযোগ আৰু মতামতৰ দৰকাৰ অনুভৱ কৰি কতৃপক্ষই ২৪ জানুৱাৰী ( ১৯৬১ ) ৰ ভিতৰত এখনি সাধাৰণ সভা পতাৰ ব্যৱস্থা লয় আৰু লগতে কতৃপক্ষই কলেজৰ পুঁজিৰ কাৰনে "পুঁজি সংগ্ৰহ সপ্তাহ" ( College week for fund collection ) পতাৰ সিদ্ধান্ত গ্ৰহণ কৰি অধ্যাপক আৰু ছাত্ৰ সকলক এই ক্ষেত্ৰত সহযোগ কৰাৰ আহ্বান জনায়।

৩১ মাৰ্চ ( ২৯৬১ ) ৰ ভিতৰত কাগজে কলমে কলেজৰ দৰকাৰী অৰ্হতাখিনি দেখুৱাব পৰা নহলে কলেজখনৰ ভবিষ্যত অন্ধকাৰ হব বুলি উপলব্ধি কৰি কতৃপক্ষই পুঁজি সংগ্ৰহ অভিযান অব্যাহত ৰখাৰ উপৰিও হাজী মিৰউল্লা ( আমবাৰী, ধুপধাৰা ) আৰু জনাব ইন্নাছিন মোল্লা ( চিমলী তোলা ) এই দুজন দাতাঁৰ পৰা কলেজৰ হকে দান পোৱা ৭৭ বিঘা মাটি ( যাৰ দাগ নং ১৬১২—১৬১৩ চন ১৯৫৫ আৰু ৫৭০ চন ১৯৫৯ ) চৰকাৰৰ ঘৰত বন্ধক ৰখাৰ সিদ্ধান্তও লোৱা হৈছিল।

থোৰতে কবলৈ হ'লে অধ্যাপক ছাত্ৰ-ছাত্ৰী তথা ৰাইজ আৰু হিতাকাঙ্খী সকলৰ সহানুভূতী সহায় সহযোগীতা আৰু চৰকাৰৰ মৰমৰ ফলত কতৃপক্ষই সময়মতে কলেজখনৰ প্ৰয়োজনীয় অৰ্হতাখিনি থকা বুলি কাগজে কলমে আয়োগক দেখুৱাব পৰা ক্ষমতা অৰ্জন কৰিলে।

বহু প্ৰতিভাৰ গৰাকী অসম মাতৃৰ যোগ্য সন্তান ডঃ মহেন্দ্ৰ বৰা দেৱ ইংৰাজীৰ অধ্যাপনা এৰি কটনৰ পৰা আমাৰ কলেজত অধ্যক্ষ হিচাবে নিযুক্তি গ্ৰহণ কৰে। ডঃ বৰাদেৱ গোৱালপাৰা কলেজৰ এই গুৰুত্বপূৰ্ণ পদৰ দায়িত্বত ১৩ বছৰৰো

অধিক কাল থাকে (২ | ১২ | ৬০–৭ | ৬ | ৭৩)

ডঃ বৰা দেৱে দায়িত্ব লোৱাৰ পাছত কতৃপক্ষৰ পৰামৰ্শ, অধ্যাপক ছাত্ৰ তথা ৰাইজৰ সহায় সহযোগীতাত কলেজখনৰ শিক্ষা দান আৰু শিক্ষা গ্ৰহণৰ নিম্ন সুবিধা খিনিৰ ব্যৱস্থা প্ৰথমে হাতত লয়। কলেজঘৰৰ আধৰুৱা ২য় পৰ্য্যায়ৰ কাম কম সময়ৰ ভিতৰত কৰাই শিক্ষা দানৰ সুবিধা কৰিলে। আছবাব পত্ৰৰ অভাৱ কিছু গুছালে। ১৯৬১ ৰ চেপ্তেম্বৰৰ পৰা কলেজৰ কাষতে ১৩৫·০০ (এশ পয়ত্ৰিশ) টকা ভাড়াৰ ঘৰ এখন লৈ (বৰ্ত্তমান হাজৰিকা প্ৰিন্টিং প্ৰেছ) লৰাৰ হোষ্টেল পাতি কিঞ্চিত হ'লেও বাহিৰৰ পৰা পঢ়িবলৈ অহা ছাত্ৰৰ সুবিধা কৰি দিলে। বাহিৰৰ পৰা পঢ়িব অহা অন্তত কেইজনীমান ছাত্ৰীক চেণ্ট্ৰল ছোৱালী হাইস্কুলৰ ছাত্ৰী হোষ্টেলত ৰখাৰ চিন্তা কৰি যুদ্ধ কালীন তৎপৰতাৰে আগবাঢ়িবলৈ ললে। কতৃপক্ষৰ সৎ পৰামৰ্শ, অধ্যাপক সকলৰ অকৃত্ৰিম সহযোগীতা ৰাইজৰ সহায় সহানুভূতি আৰু ছাত্ৰ সমাজৰ মহান দায়িত্ব বোধে বাধাহীন ভাৱে কাম কৰি যোৱাৰ বাবে ডঃ বৰাদেৱৰ সহায়ক হৈছিল। কম দিনৰ ভিতৰতে সমস্যাৰ আংশিক সমাধান কৰি পেলালে।

১৯৬২-৬৩ ৰ শিক্ষা বছৰৰ পৰা নতুন পাঠ্যক্ৰম (TDC) আমাৰ মহাবিদ্যালয়তো আৰম্ভ হ'ল। পুৰণি বি, এ, মহলাৰ বিষয় সমূহ একে ৰাখি মাত্ৰ ৰাজনীতি বিজ্ঞান সংযোগ কৰা হ'ল আৰু লগতে ৰাজনীতি বিজ্ঞান বিষয়ত Hons ও আৰম্ভ কৰা হ'ল। কতৃপক্ষৰ পৰামৰ্শ অনুসাৰে ৬২ ৬৩ ৰ শিক্ষা বছৰৰ পৰা প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীত বিজ্ঞান শাখা খুলি বিজ্ঞান পৰীক্ষাগাৰৰ প্ৰয়োজনীয় কিছু সা-সজুলিও কিনা হয় আৰু লগতে অধ্যাপক নিযুক্তিৰ ব্যৱস্থা কৰি এজন অধ্যাপকৰ দ্বাৰা শ্ৰেণীৰ শুভাৰম্ভও কৰা হয়। চীন ভাৰত যুদ্ধ হেতু নিযুক্তি গ্ৰহণ কৰিও বাহিৰৰ পৰা অধ্যাপক নাপালে (সেই সময়ত অসমত বিজ্ঞান শিক্ষাৰ বাবে শিক্ষকৰ অভাৱ আছিল) আৰু আনফালে চৰকাৰৰ পৰা এই সংক্ৰান্তত আশা কৰা সাহায্য সোনকালে পোৱাৰ আশাঁও তেনে ক্ষীন বিবেচনা কৰি কতৃপলই বিজ্ঞান শাখা সাময়িক ভাৱে ৩/১১/৬২ ৰ পৰা বন্ধ কৰিলে। ইচ্ছুক ছাত্ৰ-ছাত্ৰী সকলক ক'লা শাখাত ৰাখি বাকীবোৰৰ বিজ্ঞান পঢ়াৰ সুবিধা কতৃপক্ষৰ সহায়ত বেলেগ মহাবিদ্যালয়ত কৰি দিয়া হ'ল।

ইতিমধ্যে নতুন পাঠ্যক্ৰমৰ প্ৰবৰ্ত্তন, পুৰণি সমস্যাৰ আংশিক সমাধান, বিজ্ঞান শাখাৰ উদ্বোধন দৰমহা আৰু অন্যান্য খৰচৰ ফলত কলেজৰ কোষ প্ৰায় উদং হয়। কতৃপক্ষই অত দিনে কলেজৰ যাৱতীয় কাম কাজ চলাই ৰাখিছিল ১৯৫৯ চনৰ পৰা চৰকাৰৰ পৰা পাই থকা সামান্য তদৰ্থ মঞ্জুৰী, (Adhoc grant) ছাত্ৰ-ছাত্ৰীৰ মাচুলৰ টকা fee conp nsatory grant ৰ টকা আৰু ৰাইজৰ দান বৰঙণীৰ পৰা সময়ে সময়ে পোৱা ধনেৰে।

ইমান দিনে শিক্ষাৰ খাতিৰত ৰাইজ আৰ্থিক ভাৱে ক্ষতি গ্ৰস্থ হৈছিল যদিও গঠন মূলক ভাৱধাৰাৰ অভাৱ হোৱা নাছিল। কলেজ খনৰ দুৰ্দিনত কতৃপক্ষই দিয়া সময়ৰ আহ্বানক ৰাইজে সদায় সন্মান জনাই আহিছে। এইবাৰো ৰাইজে ব্যতিক্ৰম নকৰিলে। কতৃপক্ষই গ্ৰহন কৰা নতুন পুজি সংগ্ৰহ অভিযানত ৰাইজে পূৰ্ণ সহাঁৰি জনালে। অধ্যাপক আৰু ছাত্ৰৰ সহযোগীতাত কতৃপক্ষই আয়োজন কৰা charity football match চাই, যাত্ৰী টিকট আৰু চিনেমা টিকটৰ মূল মূল্যতকৈ ৪ (চাৰি) পইচাকৈ বহু দিনলৈ কলেজৰ সাহায্যাৰ্থে আপত্তি নকৰাকৈ দি থাকি অনুষ্ঠানখন আগবাঢ়ি যোৱাত সহায় কৰিছে।

১৯৬২-৬৩ ৰ বিত্তীয় বছৰৰ পৰা আমাৰ কলেজখন চৰকাৰে ঘাঁটি মঞ্জুৰি প্ৰাপ্ত (Deficit system) কলেজ সমূহৰ তালিকাভূক্ত (Arts section) ইয়াৰ ফলত ১৯৬৩-৬৪ বিত্তীয় বছৰৰ পৰা কলেজ কতৃপক্ষৰ খৰচৰ বোজা কিছু পাতল হ'ল। ১৯৬২-৬৩ 'ত প্ৰবৰ্ত্তন কৰা তিনি বছৰীয়া পাঠ্যক্ৰমৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰাওঁ ১০,০০০·০০ (দহ হেজাৰ) টকাৰ অনুদান ইতিমধ্যে কলেজ কোষত জমা হয়।

আমাৰ মহাবিদ্যালয় আকাশৰ ডাঠ ক'লা ডাৱৰ লাহে লাহে পোহৰৰ ক্ষীন ৰেখা দেখা দিলে। চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ অনুগ্ৰহত এতিয়াৰ পৰা মহাবিদ্যালয় খনে পুৰণি মোট সলনি কৰি নতুন মোট ললে। উপযুক্ত অভিযন্তা এজনৰ হতুৱাই Master plau এখন কৰাই কতৃপক্ষই পৰ্য্যায়মান কলেজৰ মূলঘৰটো সঁজাৰ পৰিকল্পনা হাতত ললে। প্ৰথম পৰ্যায়ৰ (Fist phase sitting menler GB) ডাঙৰীয়াক প্ৰথম পয্যায়ৰ কামৰ ঠিকা দিয়া হ'ল। তেখেতে সময়মতে কামখিনি কৰি দিয়াত দ্বীতিয় পয্যায়ৰ কাম খিনিকো ৺ দাস ডাঙৰীয়াৰ হতুৱাই কৰাই লোৱা হ'ল। তৃতিয় পয্যায়ৰ কামৰ বাবে মুঠ ৪৬,০০০'০০ (চিয়ল্লিশ হেজাৰ) টকা ধায্য কৰি নিয়মৰ মাজত কাম কৰি দিয়াৰ কাৰনে ঠিকাদাৰ শ্ৰীপ্ৰফুল্ল দাসক ১৯/৮/৬৬ তাৰিখে হুকুম দিয়া হ'ল আৰু সময়মতে কাম হৈ উঠিল।

১৯৬৪-৬৭ চনৰ ভিতৰতে সবলোখিনি নহলেও উপস্থিত ক্ষেত্ৰত দৰকাৰী ঘৰ দুৱাৰ আছবাব পত্ৰ আদি যোগাৰ হ'ল। অস্থায়ী ভাৱে হলেও কলেজৰ গ্ৰন্থাগাৰ, অধ্যাপকৰ বিশ্ৰাম প্ৰকোষ্ঠ, ছোৱালীৰ জিৰণি কোঠা, শ্ৰেণীৰ কাৰণে অধিকা কোঠাৰ আংশিক পূৰণ হ'ল।

অভাব অনাটন আৰু অসুবিধাৰ কাৰণে ১৯৬২-৬৩ ৰ শিক্ষা বছৰত আৰম্ভ কৰি বন্ধ কৰা বিজ্ঞান শিক্ষা ১৯৬৬ ৬৭ চনৰ শিক্ষা বছৰৰ পৰা পূণৰ দিন বাৰ চাই ২৭ জন ছাত্ৰ-ছাত্ৰীৰে (প্ৰাক্‌বিশ্ব বিদ্যালয় শ্ৰেণী) আৰম্ভ কৰা হ'ল। ১৯৬৭—৬৮ ৰ শিক্ষা বছৰৰ পৰা বি, এচ, চি (B.Sc.) ১ম বাৰ্ষিক শ্ৰেণীও ৭ জন ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ হ'ল।

১৯৬৬-৬৭ চনৰ পৰা বিজ্ঞান শাখা পূণৰ আৰম্ভ কৰা হ'ল সঁচা কিন্তু অধ্যাপক কৰ্মচাৰী আদিৰ দৰমহা আৰু দৈনন্দিন সম্ভাব্য খৰচৰ (Contingenlier) সুঁকীয়া পুঁজিৰ ব্যৱস্থা কৰা নহল। ফলত কম সময়ৰ ভিতৰত কলেজ কতৃপক্ষৰ সন্মুখত বিভিন্ন সমস্যা দেখা দিয়ে আৰু সময়তেই সুদূৰ প্ৰসাৰী হ'ল। এই শাখাৰ ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা টকাৰ

অঙ্কটো একেবাৰে নগন্য আছিল, কাৰণ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম আছিল। ১৯৬৬—৬৭ ৰ পৰা ১৯৭২—৭৬ লৈ এই দীৰ্ঘ সাত বছৰৰ কাল-চোৱাত মুঠ ৩৯৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান শিক্ষাৰ বাবে আগবাঢ়ি আহিছিল আৰু ছাত্ৰ-ছাত্ৰীৰ পৰা মুঠ ৩৮,০৭৪ ০০ মাছুল বাবদ আদায় হৈছিল। এই সময় চোৱাত চৰকাৰী ধন ( Adhoc grant ) মাত্ৰ ১৪.০০০ (চৈধ্য হেজাৰ) টকা আহিছিল। দান বৰঙণীৰ পৰা এই চোৱা কালত মুঠ ৪৬৮১.০০ টকা অনুষ্ঠানখনে পাইছিল। ( ৩৮,০৭৪.০০ + ১৪০০০.০০ + ৪৬৮১.০০ = সৰ্ব্ব মুঠ ৫৬,৬৫৯.০০ ) ইয়াৰ বিপৰীতে কতৃপক্ষই অকল অধ্যাপক কৰ্মচাৰীৰ দৰমহা ববাদ ( ১, ৪৬৭,৭৫ + ২২,৭৬৭.৪০ = ১,৬৯.৫২৭.১৫ ) মুঠ ১৬৯৫২৭.১৫ পইচা বহন কৰিব লগা হৈছিল ফলত এই শিতানত ঘাঁটি পৰিছিল মুঠ ১,১২,৮৬৮.১৫ ( ১,৬৯৫২৭.১৫— ৫৬, ৬৫৯ ,.০০ ) ইয়াৰ লগত এই সময় চোৱাৰ Contingency খৰচ ১০,১৬৪.০০ টকা ধৰিলে ঘাঁটিৰ অঙ্কটো হয় গৈ মুঠ ( ১,১২,৮৬৮.১৫ + ১০,১৬৪, ০০ ) ১, ২৩,০৩২, ১৫ ( এক লাখ তেইশ হেজাৰ বত্ৰিশ টকা পোন্ধৰ পইচা )

১৯৬৭—৬৮ চনৰ পৰা ১৯৭২—৭৩ চন লৈকে বিজ্ঞান শিক্ষাৰ কাৰণে চৰকাৰী কতৃপক্ষই কলেজখনলৈ পৰীক্ষাগাৰৰ উন্নতি, সা-সজুলি কিনা আৰু বিজ্ঞান গৃহ সম্প্ৰসাৰণ বাবদ সৰ্ব্ব মুঠ ১,১৫০০০.০০ ( এক লাখ পনৰ হাজাৰ ) টকা অনুদান দিয়ে। অনুদানৰ এই টকাৰ পৰা কতৃপক্ষই পৰীক্ষাগাৰৰ সা-সজুলি আদি কিনা বাবদ মুঠ ৪৬,৫২৮ ২৬ ( চিয়াল্লিশ হাজাৰ পাচশ অঠাইশ টকা চাব্বিশ পইচা ) খৰচ কৰে। নিৰ্দ্দিষ্ট শিতানৰ টকা ( Specific fund ) নিৰ্দ্দিষ্ট শিতানত খৰচ নকৰি ( ১, ১৫০০.০০ — ৪৬,৫২৮.২৬ ) মুঠ ৬৮,৪৭১.৭৪ টকা বিজ্ঞান শাখাৰ দৰমহা আদিৰ ঘাঁটিৰ ক্ষেত্ৰত সুমুৱাই দি ঘাঁটি পুৰণ নহোৱাত ( ১, ১২,৮৬৮.১৫ — ৬৮,৪৭১.৭৪ ) = মুঠ ৪৪,৩৯৬.৪১ টকা কলেজৰ বিজ্ঞান শিক্ষাৰ কথা চিন্তা কৰি কলেজখনৰ বৃহত্তম স্বাৰ্থৰ খাতিৰত কলেজবোৰ্ডৰ অইন শিতানৰ পৰা খৰচ কৰি কতৃপক্ষই সময়ৰ চাহিদা নিশ্চয় পূৰণ কৰিছে। ১৯৬৬—৬৭ চনৰ পৰা আৰম্ভ কৰা আমাৰ বিজ্ঞান শিক্ষা অব্যাহত ভাবে আজিলৈ চলি আছে। আৰম্ভনীৰ অধ্যাপক সকল সৰ্বশ্ৰী কুল ভূষণ দাস ( Biology + botany ) জিয়াউৰ ৰহমান (Chemistry) কমলেশ্বৰ গোস্বামী ( Physics ) আৰু নন্দ দুলাল অধিকাৰী (maths ) জিনাব জিয়াউৰ ৰহমানৰ বাহিৰে বাকী আমাৰ মাজত আছে। ইয়াৰ পাছতো নতুন নতুন বিভাগত অধ্যাপক আহিছে আৰু গৈছে। গোৱালপাৰা মহাবিদ্যালয়ৰ নৱৰূপ দিয়াত এই সকলোৱে কম বেছি পৰিমাণে অৰিহণা যোগাইছে নিশ্চয়।

বহু বাধা বিঘিনী অতিক্ৰম কৰি বহু তিতা কেঁহা হজম কৰিও কতৃপক্ষ, অধ্যাপক ছাত্ৰ সমাজ আৰু ৰাইজৰ সহযোগীতা ১৯৭৩ চনৰ আগ মূহুৰ্ত্ততে আমাৰ কলেজ খনক ক'লা আৰু বিজ্ঞানৰ এখন পূৰ্ণ পৰ্য্যায়ৰ কলেজ হিচাবে ৰূপ দিয়াত ডঃ বৰা দেৱ সক্ষম হৈছিল।



২০-১২-৬০ পৰা ৭-৬-৭৩ ৰ সময় চোৱাৰ ভিতৰতে কলেজ খেল পথাৰৰ আংশিক উন্নতি বৰ্ত্তমান ছাত্ৰা বাসটো নিৰ্মাণ কৰি ভাড়া ঘৰৰ পৰা উঠাই আনি থিতাপি লগোৱা, বৰ্ত্তমান অধ্যক্ষ শ্ৰদ্ধেয় ডেকা চাৰে ব্যৱহাৰ কৰি থকা ( N. C. C. ) আহল বহল ঘৰখনো সাঁজি উলিয়াই ১৯৭১ চনৰ পৰা ইয়াক অস্থায়ী হিচাবে ছাত্ৰী নিবাস কৰা, কলেজৰ চাৰি সীমাৰ উত্তৰ পূব কোনত হৈ থকা Short Shooting Range টোও ইয়াৰ ভিতৰতে সাঁজা। অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান লগতে বুৰঞ্জী বিষয়ত Hons এওঁৰ সময়তে আৰম্ভ হোৱা। কম কথাত কবলৈ হলে আমাৰ মহাবিদ্যালয়ৰ সোঁহাতে থকা গ্ৰন্থাগাৰ (৫৬´ × ২২´, ৩২´ × ২২´, ৩২´ × ৮) অধ্যাপকৰ বিশ্ৰাম প্ৰকোষ্ঠ ( ৩৬ × ২৪´ ) লৰাৰ জিৰণী কোঠা (৩৬´ × ২২´) ছোৱালীৰ জিৰনী কোঠা ৩৬´ × ২২´ ) ছাত্ৰা নিবাস, উত্তৰ ফালৰ শ্ৰেণী বহা কোঠালী এটা ( ৩৬´ × ২১´ ) উত্তৰ ফালৰ কলেজ ঘৰৰ লগত সংলগ্ন মহাবাহু যেন ঘৰখন, প্ৰানী ভূগোল আৰু জীৱ বিজ্ঞানৰ পৰীক্ষাগাৰ কেইটা আৰু তেঁতেলি গছৰ কাষৰ আধকৰা ঘৰটোৰ বাহিৰে কলেজৰ আটাইখিনি ব্যৱস্থা ১৯৫৮ পৰা ১৯৭৩ চনৰ মাৰ্চ এপ্ৰিলৰ ভিতৰত হোৱা।

১৩ বছৰ ৫ মাহ ১৮ দিন গোৱালপাৰা কলেজৰ অধ্যক্ষতাৰ গুৰু দায়িত্বত থাকি ডঃ মহেন্দ্ৰ বৰা দেৱ ১৯৭৩ চনৰ জুন মাহৰ ৭ তাৰিখে অধ্যক্ষ পদৰ পৰা ইস্তাফাদি বহু বেদনা লৈ গুছি যায়। চাকৰী জীৱনৰ এদিনো নষ্ট হব নিদি বিলাসীপাৰা কলেজৰ অধ্যক্ষ পদত নিযুক্তি লয়। ইয়াত কিছুদিন থকাৰ পাছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া বিভাগত সোমায়। আমাৰ চিৰনমস্য শ্ৰদ্ধাষ্পদ ডঃ মহেন্দ্ৰ বৰা দেৱ বৰ্ত্তমানে বেজবৰুৱা আসনৰ অধ্যাপক হিচাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত কাম কৰি আছে।

প্ৰতিষ্ঠাৰ দিনৰ পৰা সময়ে সময়ে কলেজখনৰ সম্পাদকৰ মহান দায়িত্ব পালন কৰি কলেজখনক গঢ় দিয়াত আপ্ৰান চেষ্টা কৰিছিল স্বৰ্গীয় ওৱাজুদ্দিন আহাম্মদ ( আৰম্ভনীৰ অধ্যক্ষ ) ( ২৮/৯/৫৭—২৪/১০/৫৭, ৺ ৰজনী কান্ত দাস ২৭/৭/৫৯—১৯৭৩ ) ৺ মনিকান্ত দাস আৰু শ্ৰীযুত হাকিম চন্দ্ৰ ৰাভা, যুতীয়া ভাৱে ( ১৫/৭/৫৭—২৩/১০/৫৭ ) আৰু শ্ৰীযুত মাধৱ চন্দ্ৰ বৰুৱা দেৱ ( ১৯৭৩ – ১৯৭৬ )

এখেত সকল আছিল উৎসৰ্গিক প্ৰান সমাজ কৰ্মী। এখেত সকলে কলেজখনৰ সৰ্বাংগীন মংগলৰ হকে দেহে কেহে খাটিছিল।

স্বৰ্গীয় ৰজনী কান্ত দাস দেৱ একেৰাহে বহু বছৰ সম্পাদকৰ দায়িত্বত থাকি কলেজখনৰ উন্নতি হকে প্ৰান পনে যুঁজি যি অৰিহণা আগবঢ়াই থৈ গ'ল সি অকল আমাৰ কলেজখনৰ গৌৰৱ বৃদ্ধি কৰা নাই, গোৱালপাৰা তথা এই বৃহত্তম এলাকাৰ জীৱনবো ৰিভিন্ন দিশ সমৃদ্ধ কৰিছে। স্বৰ্গীয় ৰজনী কান্ত দেৱৰ ব্যক্তিত্বৰ সবাতোকৈ আকৰ্ষনীয় দিশ হৈছে নম্ৰতা আৰু বিনয়। তেখেতৰ এই মহান গুন ৰাজিয়ে ১৯৬২ চনত কলেজৰ সাহায্যাৰ্থে আয়োজন কৰা charity football match competition ক কেন্দ্ৰ কৰি উত্তৱ হোৱা আৰু ১৯৬৪

চনত গোৱালপাৰা বিদ্যাপীঠ আৰু নিউ হাই-স্কুলৰ কর্তৃপক্ষই অনুমতি নহোৱাকৈ কলেজৰ সোঁহাতে স্কুল ঘৰ নির্মাণৰ পৰিপ্রেক্ষিতত উদ্ভৱ হোৱা পৰিস্থিতি সুন্দৰ ভাৱে মিট-মাট কৰাত কর্তৃপক্ষই সক্ষম হৈছিল।

কর্তৃপক্ষৰ ২/৫/৭২ তাৰিখৰ সিদ্ধান্ত অনুসৰি কলেজ পৰিচালনা সমিতিৰ তিনি জনীয়া সঁজাতি দল এটি বিজ্ঞান শাখাৰ বাবে চৰকাৰৰ পৰা সহায়ৰ কাৰণে শিলঙলৈ গৈ ঘূৰি অহাৰ পথত মটৰ দুর্ঘটনাত কলেজৰ হকে প্ৰানাহুতি দিয়া স্বৰ্গীয় দিনেন্দ্ৰ নাৰায়ণ সিংহ, "হঙ্গুদা" ( Sitting member, G. B. ) অঙ্কুৰতে বিনাশ হোৱা ডেকা কর্মী বন্ধুবৰ ৺ শিশিৰ মেধী আৰু ৺সাহাদত আলী জোংদাৰ ডাঙৰীয়া আৰু চিৰদিনৰ কাৰনে ঘুঁনিয়া হোৱা শ্রদ্ধেয় শ্রীযুত বিনয় কৃষ্ণ ঘোষ ( Sitting member, G. B. ) আৰু মাননীয় উপাধ্যক্ষ লুতফুৰ ৰহমান চাৰ ( ) এওঁলোকক আমি পাহৰিম কেনেকৈ ?

– গোৱালপাৰা কলেজ প্রতিষ্ঠাৰ পৰিকল্পনাৰ দিনৰ নমস্য ব্যাক্তি সকলৰ কেই গৰাকী ডাঃ অন্নদা চৰন দাস ( শিল্পী বঁটা প্ৰাপ্ত, ১৯৯০ ) ডাঃ মেহদি আলী জনাব মজিৰুদ্দিন আহাম্মদ, M. L. A: আৰু শ্রীযুত হাকিম চন্দ্ৰ ৰাভা ( Ex. M L. A.) মহোদয় বর্তমান আমাৰ মাজত আছে। আমাৰ প্রার্থনা ঈশ্বৰে এওঁলোকৰ মঙ্গল কৰক।

জনম দি অনুষ্ঠানখনৰ সৰ্বাংগীন মংগলৰ হকে দেঁহে কেঁহে খাটি আমাক এৰি যোৱা মহান সকলক আমি কৃতজ্ঞতা আৰু শ্রদ্ধাৰে সোঁৱৰো ৺খনেন্দ্ৰ নাথ নাথ ৺ওৱাজুদ্দিন আহাম্মদ, ৺ মুজিবৰ ৰহমান ৺ক্ষীৰোদ মোহন সেন, ৺মহবুবৰ ৰহমান ৺আজিমুদ্দিন আহাম্মদ ৺ এচ, এম. সেনগুপ্ত ৺মনিকান্ত দাস, ৺নজমুলহক, ৺ অমূল্য ভূষন অধিকাৰী, ৺ কুমুদেশ্বৰ নাথ ৺ ৰজনী কান্ত দাস, ৺ভৃগুনাথ, ৺ৰমেশ চন্দ্ৰ দাস, ৺ চাৰু মোহন দাস ৺ ভুপেন্দ্ৰ নাৰায়ণ চৌধুৰী, ৺প্ৰতাপ চন্দ্ৰ ঘোষ, ৺ভৱেন্দ্ৰ নাৰায়ণ সিংহ, আৰু মহাবিদ্যালয়ৰ পৰা চিৰ বিদায় লোৱা অন্যান্য সকলোকে এওঁলোকৰ স্মৃতিয়ে আমাক প্ৰেৰণা যোগাব। এওঁলোকৰ আত্মাই চিৰ শান্তি লাভ কৰক, এয়ে কামনা।

ডঃ বৰাদেৱৰ পাছত উপাধ্যক্ষ লুতফুৰ ৰহমান চাহাবে ৪/২/৭৫ লৈকে কাৰ্য্যকাৰী অধ্যক্ষ হিচাবে কলেজৰ কাম চলাই ৰাখে। এই চোৱা কালতে অর্থাৎ ১/০/৭৪ তাৰিখৰ পৰা চৰকাৰে আমাৰ বিজ্ঞান শাখাটোক ঘাঁটি মঞ্জুৰিৰ মাজত ধৰে। ৫-২-৭৫ তাৰিখৰ পৰা ডঃ বীৰেন্দ্ৰ নাথ দত্ত মহোদয়ে আমাৰ কলেজৰ অধ্যক্ষতাৰ পদত অধিষ্ঠিত হয়। ডঃ দত্তচাৰ আমাৰ কলেজত ২ বছৰ ৬ মাহ (৫-২-৭৫-৫--৭৭) অধ্যক্ষ পদত বর্তমান তেখেত গৌহাটী বিশ্ববিদ্যালয়ৰ Folklore বিভাগত আছে।

কম সময়ৰ ভিতৰত বহু কাম কৰি দেখুৱাব পৰা মানুহ বহু আছে। যদিহে অৰ্থাভাব নাথাকে, আকৌ অর্থ থাকিলেও বুদ্ধি আৰু কৌশলৰ অভাৱত বহু কাম পেলাই ৰখা মানুহবো আমাৰ মাজত অভাৱ নাই নিশ্চয় আনপিনে বুদ্ধি কৌশল খটাই শূন্যৰ পৰা বহু কাম কৰি দেখুৱাব পৰা মানুহো আমাৰ সমাজত



একেবাৰে নথকা নহয়। বহু অনুষ্ঠান শূন্যৰ পৰাই গঢ়ি উঠিছে। ডঃ বীৰেন্দ্ৰ নাথ দত্ত মহোদয়ৰ পাছত ডঃ প্ৰবীন শর্মা চাৰ মাত্র ১৪ মাহ ১৪ দিনৰ বাবে আমাৰ কলেজত অধ্যক্ষতা কৰিবলৈ আহি প্রথমে উপস্থিত সমস্যা সমূহৰ বুজলৈ কর্তৃপক্ষ। পৰামর্শ, অধ্যাপক আৰু ৰাইজৰ সহযোগীতাত কামত অগবাঢ়ি বুদ্ধি কৌশল খটাই স্থানীয় সদাশয় ব্যাক্তি কেইজন মানৰ কাষ চাপি বিশেষ দিগদাৰি নহোৱাকৈয়ে জনাব মহম্মদ হুছেন, ( Sitting member, G. B ) জনাব মুকন ন'ব ( Sitting member G. B. ) শ্রীযুত দি, এল পদ্দাৰ, স্বৰ্গীয় বিৰধি চান্দ চাঙ্গেৰ শ্রীযুত চাম্পালাল আৰু শ্রীজয় সূর্যা নাথ ডাঙৰীয়াৰ পৰা সুন্দৰ সহাঁৰি পালে। এই মহান দাঁতা সকলৰ পৰা একোটাকৈ memorial Room কলেজৰ কাৰণে দান হিচাপে চোৱা হয়। ইয়াৰ উপৰিও দুই তিনিজহ ব্যক্তিৰ পৰা একোটা Room ৰ আংশিক খৰচ দান হিচাবে আদায় কৰা হয়। ইয়াৰ উপৰিও কিছুমান ব্যাক্তিৰ পৰা বুজন পৰিমানৰ দানো আদায় কৰা হয়। বর্তমান গ্রান্থাগাৰৰ নির্মান ডঃ শর্মা চাৰেই কৰি যোৱা। কিঞ্চিত বৈ থকা কাম পৰবর্ত্তী অধ্যক্ষ ডঃ ৰত্ন কান্ত বৰুৱাদেৱৰ দিনত শেষ কৰা হয়। বর্ত্তমান অধ্যাপকৰ প্ৰকোষ্ঠটোও ডঃ শর্মা চাৰে কৰি যোৱা পৰিকল্পনাৰ ফলশ্রুতি এই প্ৰকষ্টটো নির্মাণ কৰোঁতে যি খৰচ পৰিছিল তাৰ ভিতৰত অসম বিজ্ঞান সমিতিয়ে আমাৰ কলেজত ১৯৭৮ চনত পতা ৰূপালী জয়ন্তী উৎসৱৰ অভ্যর্থনা সমিতিয়ে আগবঢ়োৱা বৰঙণী ১১,০০০,০০ ( এঘাৰ ) হাজাৰ টকাও আছে।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা পোৱা টকাৰে বর্তমান ছাত্রী-নিবাসটোৰ নিৰ্মাণ কাৰ্য্যও ডঃ শর্মা চাৰৰ দিনতে হাতত লোৱা হয়। তেখেতৰ দিনতে ৰসায়ন আৰু প্রাণী বিজ্ঞান বিষয়ত major খোলাৰ পৰিকল্পনা কৰা হয় যদিও ২৬/৩/৮৫ ৰ পৰাহে বিশ্ববিদ্যালয়ে এই সংক্রান্তত স্বীকৃতি ( Affiliation ) দিয়ে। ডঃ শর্মাচাৰ কলেজৰ বাবে কম দিনৰ ভিতৰতে কেইবাটাও Posts চৰকাৰৰ পৰা আদায় কৰাৰ সক্ষম হয়। মুঠতে কম দিনৰ ভিতৰত কলেজখনে সন্মুখিন হোৱা ভালেমান সমস্যাৰ সময়োপযোগী সমাধান কৰি গুৰুত্বপূর্ণ কিছু সমস্যা সমাধানৰ ভবিষ্যত পৰিকল্পনা সাঁজি থৈ ১৪/৯/৭৯ তাৰিখে আমাৰ কলেজ এৰি পাঙ্গু কলেজলৈ যায়।

ইতিমধ্যে আমাৰ কলেজখনে ২৫ বছৰত সোমাই পৰিল। ডঃ প্ৰবীন শর্মা চাৰৰ খালি ঠাই পূৰাবলৈ ডঃ ৰত্ন কান্ত বৰুৱা ডাঙৰীয়া আমাৰ কলেজলৈ আহিলে। এখেত গোৱালপাৰা চহৰৰে মানুহ। ভালেমান বছৰ গৌহাটী বিশ্ব বিদ্যালয়ৰ প্ৰশাসন বিভাগৰ উচ্চ পদত থকা ব্যাক্তি ( Controller of Examinations ) যথেষ্ট অভিজ্ঞতাৰ গৰাকী। এখেত ২৩/১১/৭৯ তাৰিখৰ পৰা ১৪/১২/৮২ লৈকে ৩ বছৰ ২১ দিন আমাৰ কলেজৰ অধ্যক্ষ পদত থাকি বৰ্ত্তমান সন্দিকৈ ছোৱালী কলেজত অধ্যক্ষ হৈ আছে। ডঃ বৰুৱা দেৱৰ দিনতে আমাৰ কলেজে ৰূপালী জয়ন্তী উৎসৱ পালন কৰে। ডঃ শর্মা চাৰে এৰি থৈ যোৱা গ্রন্থাগাৰটোৰ বাকীথকা কাম, অধ্যাপক বিশ্রাম প্রকোষ্ঠৰ নির্মান আৰু ছাত্রী নিবাসৰ আধৰুৱা

কাম আদি ডঃ বৰুৱাদেৱে কৰ্তৃপক্ষৰ পৰামৰ্শ ক্ৰমে সম্পন্ন কৰে। উপৰ মহলাৰ লগত ভাল সম্পৰ্ক থকাৰ কাৰাণ ডঃ বৰুৱাদেৱে কলেজ খনৰ কিছুমান গুৰুত্ব পূৰ্ণ কাম কাগজে কলমে আগুৱাই থৈ যায়।

বৰ্ত্তমানৰ অধ্যক্ষ মাননীয় শ্ৰীযুত খগেন্দ্ৰ প্ৰসাদ ডেকা মহোদয়ে যোৱা ১/১২/৮৩ ৰ পৰা আমাৰ কলেজৰ অধ্যক্ষৰ আসন অলঙ্কিত কৰি এই আসনৰ মৰ্য্যাদা ৰক্ষা কৰি আছে। আমাৰ কলেজ ঘৰৰ লগত লাগি থকা উত্তৰৰ মহাবাহু যেন ঘৰ খন এওঁৱেই U G C ৰ অনুদানৰ টকাৰে সাঁজে। প্ৰাণী বিজ্ঞান আৰু ভূগোল বিজ্ঞানৰ পৰীক্ষাগাৰৰ কে ঠ লী দুটাও মাননীয় ডেকা চাৰেই সাঁজি উলিয়ায়। অতদিনে চলি থকা বিষয় সমূহৰ লগত শিক্ষা আৰু পৰি-সংখ্যা বিজ্ঞান বিষয় এওঁৱেই সংযোগ কৰে। ৰসায়ন আৰু প্ৰানী বিজ্ঞানৰ major ৰ স্বীকৃতি ( Affiliation 26. 3. 85 ) সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা এওঁৱেই আদায় পৰে। পদাৰ্থ, জীৱ আৰু ভূগোল বিজ্ঞানত major বিষয় চলি আছে আৰু ইতিমধ্যে ইয়াৰ যোগ্যতা প্ৰমাণৰ যাবতীয় ব্যৱস্থাও কৰা হৈছে। বৰ্ত্তমানে আমাৰ গ্ৰন্থা-গাৰৰ পুথি পাতিৰ সংখ্যাও যথেষ্ট বাঢ়িছে।

আৰম্ভনীৰ পৰা নানা বেমেজালি আৰু অভাৱ অভিযোগৰ মাজেৰে পৰিচালিত হৈ প্ৰায়খিনি অতিক্ৰম কৰি আমাৰ কলেজখনে বৰ্ত্তমান উন্নতিৰ পথলৈ আগবাঢ়িছে। কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বছৰি বাঢ়িয়েই আছে। কিন্তু পৰিতাপৰ বিষয় কলেজখনত ছাত্ৰ-ছাত্ৰীৰ সংখ্য যথেষ্ট বৃদ্ধি হোৱা স্বত্বেও চৰকাৰৰ আৰ্থিক সাহায্য আৰু U. G. C. য়ে দিয়া আৰ্থিৰ অনুদান বুজন পৰিমান হোৱা নাই। বৰ্ত্তমাে পূৱা আৰু দিনৰ শাখা মিলি দুহেজাৰৰো অধিৰ ছাত্ৰ-ছাত্ৰীৰ আমাৰ কলেজত শিক্ষা গ্ৰহণ কৰি আছে! এই ছাত্ৰ-ছাত্ৰী সকলৰ আধাতকৈ বেছি সংখ্যক চহৰৰ বাহিৰৰ পৰা অহা। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে আমাৰ অভিযোগো বাঢ়িছে। ছাত্ৰ বাসৰ সম্প্ৰসাৰণৰ ব্যৱস্থা কৰ্তৃপক্ষই অতি সোনকালে কৰিব লগা হৈছে। ছাত্ৰা বাসত থকাৰ সুবিধা দিব নোৱাৰা বাবে বহু ছাত্ৰ চহৰৰ চুকে কোনে ইফালে সিফালে বাগৰি মহান কৰ্ত্তব্যৰ ক্ষেত্ৰত জিয়াতু ভুগিছে আৰু কিছুমানে হয়তো কলেজত পঢ়াৰ আশা বাদ দিব লগাও হৈছে। ছাত্ৰীৰ ক্ষেত্ৰটো সেই সমস্যা। এই সমস্যা বোৰৰ প্ৰতি চিন্তা কৰি কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহন কৰিব লাগে আৰু বৰ্ত্তমানৰ ছাত্ৰী নিবাসটোৰ সম্প্ৰসাৰনৰ লগতে ইয়াৰ দেৱাল দিয়াৰ ব্যৱস্থা অনতিপলমে গ্ৰহ কৰিব লাগে। বৰ্ত্তমানৰ ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠা দুটা যথেষ্ট সৰু হৈছে। স্থানাভাৱত ছাত্ৰ-ছাত্ৰী সকলে বাৰান্দাত ঘুৰি ফুৰি, খট খটিত বহি থাকি অথবা গ্ৰন্থাগাৰত সোমাই Reading Rnom ৰ মৰ্য্যাদা নষ্ট কৰি তেওঁ লোকৰ আজৰি সময় নষ্ট কৰিব লগা হৈছে গতিকে ছাত্ৰ-ছাত্ৰীৰ বাবে অহল বহল জিৰণি কোঠাৰ অতি প্ৰয়োজন হৈ পৰিছে। বিজ্ঞা বিভাগৰ পৰীক্ষাগাৰ সমূহ ছাত্ৰ-ছাত্ৰী অনুপাতে বৰ্ত্তমানে ঠেক হৈ পৰিছে। ভৱিষ্যত বিজ্ঞা শিক্ষাৰ উন্নতি কল্লে এতিয়াৰ পৰা পৰীক্ষাগা সমূহৰ সম্প্ৰসাৰনৰ পৰিকল্পনা হাতত লব লাগে



ক'লা আৰু বিজ্ঞান উভয় শাখাৰ প্ৰত্যেকটো বিভাগৰ কাৰণে সুঁকীয়া সুঁকীয়া কোঠলী সাঁজি প্ৰত্যেক বিভ.গতে বিভাগীয় গ্ৰন্থাগাৰৰ পৰিকল্পনা কৰি যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু অনতি পলমে গ্ৰন্থাগাৰৰ লগত অধ্যাপকৰ বাবে স্থায়ী Reading Room ৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ কলেজ খেল পথাৰখন ( ৫০০´× ৩৫০´ ) যথেষ্ট অহল বহল হোৱা স্বত্বেও উন্নতি নহোৱাত বছৰৰ প্ৰায় ছমাহে ব্যৱহাৰৰ অনুপ যোগী অৱস্থাত থাকে। কৰ্তৃপক্ষই খেল পথাৰ খনৰ উন্নতি সাধনৰ পৰিকল্পনা গ্ৰহন কৰি শিক্ষাৰ দৰকাৰী ফালটোক মামৰ মুক্ত কৰিব লাগে।

যোৱা একুৰি তেৰ বছৰৰ ভিতৰত আমাৰ কলেজৰ বিভিন্ন দিশত নানা যোগ বিয়োগ ঘটিল। প্ৰায় আঢৈ হাজাৰ ছাত্ৰ-ছাত্ৰী আঠাৰৱ গৰাকী অধ্যাপক অধ্যাপিকা, কলা আৰু বিজ্ঞান বিষয়ক নতুন নতুন বিষয়ৰ প্ৰবৰ্ত্তন, ঘৰ-দুৱাৰ নিৰ্মাণ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ অধিক কম সংস্থাৰ্পে আজিলৈ কলেজ খনৰ প্ৰগতিৰ সূচনা কৰিছে বুলি কব পাৰি।

আমাৰ কলেজনত দুটা এটা বিষয়ত এম, এ, মহলাৰ পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰিলে কলেজ কৰ্তৃপক্ষই ছাত্ৰ ছাত্ৰী তথা ৰাইজৰ বহু দিনীয়া ব্যক্ত নকৰা আবেদন পুৰণ হলহেঁতেন আৰু উচ্চ শিক্ষাৰ এটি নতুন স্তৰ মুকলি হলহেতেন আৰু লগতে আমাৰ বাণীতীৰ্থখনৰ মৰ্য্যাদাওঁ বহুখিনি বাঢ়িলেহেঁতেন।

আমাৰ কলেজখনৰ জীৱন বৈচত্ৰ্যময়। বৰ্ত্তমান কলেজখনৰ কৰ্তৃপক্ষ, অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ সমাজৰ উপৰি পুৰুষ সকলক লৈ আমি গৌৰৱ কৰিব পাৰো। সেইবোৰে ক্ৰমাৎ বিস্মৃতিৰ গৰ্ভত মূখ লুকাৰলৈ আৰম্ভ কৰিছে আৰু ইতি মধ্যে বহু পুৰনি কথাৰ তলা নলা পাবলৈকে টান হৈছে। সৰুবৰ আমি সকলোৱে কম বেছি পৰিমাণে অনুষ্টানখনৰ বুৰঞ্জীৰ আহিলা যোগ-নিয়াব। উপৰি পুৰুষ সকলৰ কথা জানিলে আমাৰ বল বাঢ়ে।

এই ছোৱা কালতে কলেজখনৰ বহুত ওলট পালট হ'ল। বহুত গ'ল, বহুত আহিল। হয়তো নিলিখিবলগীয়া কথা লিখিলোঁ। লিখিব লগীয়া কথাও বাদ পৰিল। ইয়াৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

## "এই বছৰৰ কেইটামান উল্লেখযোগ্য ফলাফল"

অনিবাৰ্য্য কাৰণ বশতঃ আৰু কিছুমান এই বছৰটোৰ বিশেষ প্ৰতিযোগীৰ ফটো নোপোৱাত ফটো সমূহ আলোচনীত প্ৰকাশ নহল। সেয়ে দুঃখিত।

সম্পাদক,

তলত ফলাফল সমূহৰ এখন তালিকা প্ৰকাশ কৰা হ'ল।

২। যুৱ মহোৎসৱত দ্বিতীয় শ্ৰেষ্ঠ নাট্য দল হিচাবে খ্যাতি অৰ্জন কৰা মহাবিদ্যালয়ৰ নাট্য দল—

নাট অমৰাৱতীৰ অতিথি. পৰিচালনা— শ্ৰীজৈবেন্দু জ্যোতি পাটগিৰী।

অভিনেতা— শ্ৰীআচৰাফুল হক, শ্ৰীধ্ৰুব জ্যোতি পাঠক, শ্ৰীগৌতম শৰ্মা।

অভিনেত্ৰী— শ্ৰীবৰ্ণালী ৰায়, সংগীত— শ্ৰীঅৰূপ জ্যোতি পাটগিৰী।

২। যুৱ মহোৎসৱত যোগদান কৰা মহাবিদ্যালয়ৰ সংগীত প্ৰতিযোগী সমূহ হ'ল—

শ্ৰীজবা চক্ৰবৰ্ত্তী — গোৱালপৰীয়া লোকগীত, ৰবীন্দ্ৰ সংগীত।

শ্ৰীমিঠু মুখাৰ্জী — জ্যোতি সংগীত, শ্ৰীনৰৰাম পাঠক — আধুনীক গীত।

সমবেত সংগীতৰ শিল্পী সকল— শ্ৰীনৰৰাম পাঠক, শ্ৰীমৃনাল কান্তি মেধী, শ্ৰীযুগব্ৰত নাথ শ্ৰীজবা চক্ৰবৰ্ত্তী শ্ৰীমিঠু মুখাৰ্জী, শ্ৰীবৰ্ণালী ৰায়।

৩। মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ তাৰ্কিক— মঃ আচৰাফুল আলম।

৪। মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ নাট্য দল—

নাট— অমৰাৱতীৰ অতিথি—

অভিনেতা শ্ৰীধ্ৰুৱজ্যোতি পাঠক। শ্ৰীহেমেন দাস। মঃ মুস্তাফিজুল ইছলাম।

অভিনেত্ৰী— শ্ৰীবৰ্ণালী ৰায়।

৫। মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ ব্যঙ্গ চিত্ৰ শিল্পী— শ্ৰীস্বপন কুমাৰ ঘোষ।

৬। মহাবিদ্যালয়ৰ কেই গৰাকী মান খ্যাতি অৰ্জন কৰা ছাত্ৰ-ছাত্ৰী।

(১) ১৯৯০ চনৰ স্নাতক চুবান্ত বৰ্ষৰ বিজ্ঞান শাখাত প্ৰথম স্থান অধিকাৰ কৰে ক্ৰমে—

মঃ ইব্ৰাহীম আলী আহমেদ। বিষয়— গণিত

মিচ্ গীতালি মেধী বিষয়— ৰসায়ন বিজ্ঞান

মিচ্ সিমিতা চৌধুৰী বিষয়— প্ৰানী বিজ্ঞান

৭। ১৯৮৯ চনৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত পদাৰ্থ বিজ্ঞান, গণিত, ৰসায়ণ বিজ্ঞানত ক্ৰমে লেটাৰ মাৰ্ক অৰ্জন কৰি প্ৰথম স্থান অধিকাৰ কৰে শ্ৰীঅঞ্জন কুমাৰ চক্ৰৱৰ্তী।



# গল্প গুচ্ছ



"উপন্যাস বিস্তৃত, চুটি গল্প সংহত; উপন্যাসত পৰিতৃপ্তি, চুটি গল্প ব্যঞ্জনাৰ অতৃপ্তি। উপন্যাসে পাঠকক সকলো বুজাই দিয়ে, চুটি গল্পই পাঠকক বুজি লবলৈ অবকাশ দিয়ে"

শ্ৰীশচন্দ্ৰ দাস— সাহিত্য সন্দৰ্শন

চুটি গল্পক ৰবিন্দ্ৰ নাথ ঠাকুৰে এই বুলি কৈছিল—

"শেষ কৰি ভাব হ'ব, শেষ হৈয়ো নহ'ল যে শেষ।"

...কাৰিলো,

...দেখাই নাই

# "সময়"

শান্তা শৰ্ম্মা
প্ৰাক্তন ছাত্ৰী

বিচনাখনত বাগৰি মই ইচাট বিচাটকৈ পৰি আছো। বাহিৰৰ কৰ্মব্যস্ত লৰাজাকৰ চিঞৰ বাখৰে নিশাটো অকনো গভীৰ কৰি ৰাখিব পৰা নাই। মোৰ টোপনি এইবোৰৰ বাবে ভাঙি যোৱা নাই। চকু মেলি চাবলৈ চেষ্টা কৰিলো। কিন্তু এন্ধাৰবোৰে মোৰ চকুলৈ একো আনি দিব পৰা নাই। এবাৰ ভাবিলো বাহিৰত কাম কৰি থকা লৰাজাকৰ লগতে কথা পাতোগৈ নেকি? নাই। বাহিৰলৈ উঠি যোৱাৰ মানসিকতাও মোৰ নাই। গম লবলৈ চেষ্টা কৰিলো কিমান বাজিল। বিচনাৰ কাষত টিকটিকাই থকা ঘড়ীটো বিচাৰি লবলৈ চেষ্টা কৰিলো। কিন্তু নোৱাৰি। বৰ এন্ধাৰ। অলপ কষ্ট কৰি বাহিৰৰ পোহৰ অকণমান পৰ্দাখন দাঙি পাব পাৰি। কিন্তু মন নগল। মোৰ আমনিও লাগিল। কিন্তু পুৱাৰ পোহৰবোৰলৈকে যেন বৰ ভয় লাগিল। কিছুমান সত্যৰ সন্মুখীন যেন পোহৰেই কৰি দিব। মই অৱশ্যে ভাবি পোৱা নাই কি সত্যৰ সন্মুখীন মই হোৱা নাই। মই পাৰ কৰি দিয়া যোৱা কালিটো মই জনা কিন্তু নজনাৰ ভাওজুৰি পাৰ কৰি দিয়া সত্যই নহয় জানো? মোৰ চকুপানী ওলাই আহিল। হয়তো দুখৰ, সমবেদনাৰ। কিন্তু কালি মণিৰ চকুপানীবোৰ দুখৰ নাছিল, আছিল ক্ষোভৰ, জীৱনটোৱে তাইৰ প্ৰতি কৰা অপমানৰ।

বহুদিনৰ মূৰত মণিক দেখি মই হতবাক হৈ পৰিছিলো। বহুসময় মোলৈ চাই থাকি এসময়ত তাই কান্দি পেলাইছিল। তাইৰ নিস্প্ৰভ কিন্তু এসময়ৰ বৰ ধুনীয়া চকুদুটাৰ পৰা ওলোৱা চকুপানীয়ে মোক বহুতো কথাই বুজাই দিছিল। মই একো নুসুধিলো। মাথো চাই ৰলো আগৰ বৰ ধুনীয়া, সকলোকে মোহিত কৰিব পৰা মণিজনীৰ ঠাইত মই শুকান, মৰহি যাব খোজা মণিজনীলৈ। মই তাইক কি কব পাৰো বা তাই মোৰ পৰা কি শুনিব বুলি ভাবিছিল, সেইয়া আমি দুয়োজনীয়েই বৰ ভালদৰেই জানিছিলো। সেয়ে একো নকলো। কব নোৱাৰাকৈয়েই বাগৰি অহা মোৰ চকুপানীবোৰৰ বিষয়ে তাইক জানিব নিদিলো। ভাবিব নোৱাৰিলো মই কি কৰিম। সেয়ে তাইক সুস্থিৰ হৈ লবলৈ দিছিলো। চকুপানী মোহাৰি মোহাৰি কান্দোন লুকুৱাবলৈ চেষ্টা কৰি মোক সুধিছিল "ঋতু অহা নাই?" মই সন্মতিসূচক মূৰ জোকাৰিলো, তাই আকৌ কলে "মই তেওঁক দেখাই নাই

নহয় ? " মই কৃত্রিম খঙেৰে কৈছিলো "তই বিয়ালৈ নাহিলিয়েই মোৰ। মই তই অন্ততঃ এবাৰ আহিবি বুলি বৰ আশা কৰিছিলো"। তাই হাঁহিছিল "কেনেকৈ আহিলোহেঁতেন ? তই জান, মই নোৱাৰো। তথাপি আশা কৰিছিলি। তদুপৰি দীপকৰ মোহে বান্ধিও ৰাখিছিল কিজানি (?) বাক বাদদে। ঋতুই তোক মৰম কৰে"? মই হাঁহিছিলো। তাই আকৌ কৈছিল "পিছে তই লাকি হয় নে নহয় নাজানো। সি কিন্তু বৰ লাকি। তোক পালে। তোক দেখিলেই গম পায়, তই সুখী। মই জানো পৃথিৱীৰ কোনো দুখেই তোক কেতিয়াও চুব নোৱাৰে। কিন্তু মোৰ কি হৈ গল, জিনা ? কেনেদৰে কত সোমাই পৰিলো। নাজানিলো, নুবুজিলো। তই কোৱা, বুজোৱা কথাবোৰ মানিব পৰাহেঁতেন এইবোৰ নহল-হেঁতেন। অৱশ্যে তোৰ এযাৰ কথা এতিয়াও মানো।" মই সুধিছিলো 'কি'? "ভগৱানে যি কৰে ভালৰ বাবেই কৰে"। দুয়োজনীয়ে একেলগে হাঁহি উঠিলো।

"দীপকৰ খবৰ কি" ? মোৰ প্ৰশ্নত তাই কৈ উঠিছিল টকা কৰিছে। ভালেই। তই কোৱাৰ দৰে মাজে মাজে দিগন্তৰ কথা কৈ মোৰ লগত কাজিয়া কৰে, কেতিয়াবা মাৰেও। তই নকলেও মই জানিছিলো এইয়াই হব। জানিশুনি আদৰি লোৱা জীৱনটোত সুখ দুখৰ খাতিয়ান বিচাৰি নিজকে কষ্ট দিব খোজা নাই"। গালি শপনি, মাৰৰ কথা বেলেগেই, আত্মসম্মানত সামান্যতম আঘাত লাগিলেও কান্দি কাতি বাউলী হোৱা অভিমানী মণিজনীলৈ চাই মোৰ কান্দি দিবলৈ মন গৈছিল। "জান জিনা সেইদিনা ঘৰৰ পৰা হঠাতে মোক লৈ অহা দীপকৰ কঠিন হাত দুখন আৰু কেতিয়াও কোমল নহল। "মণিয়ে কৈ গৈছিল "আৰু কি জান। যিদিনা মোক তেনেদৰে দীপকে জোৰকৈ তাৰ ঘৰলৈ লৈ আহিছিল, মই মালৈ চাইছিলো। কিন্তু মাৰ চকুত এটোপাল চকুপানীও নেদেখিলো। কোনেও নাজানিলে মোৰ অসহায় অৱস্থাৰ কথা। জানিলে মোক মই দুঃশ্চৰিত্ৰা। মই জানিছিলো মই দীপকৰ হৈ যাবই লাগিব। কিন্তু তোৰ নিচিনাকৈ, সকলোৰে নিচিনাকৈ নিজৰ ঘৰখনৰ পৰা ওলাই আহিবলৈ মোৰ জানো মন নাছিল ?" মই একো কব পৰা নাছিলো। মাথো শুনি গৈছিলো পাৰ হৈ যোৱা কিন্তু তাইৰ বাবে পাৰ হৈ যাব নোখোজা দিনবোৰৰ কথা। মই ভাবি ঠিক কৰিব পৰা নাছিলো তাইক মই কি কৰিম। খং কৰিম নে তাইৰ দুখবোৰত সমবেদনা জনাম। এনেতে কোনোবাই কৈছিল যে দীপক বাহিৰত বৈ আছে। মণিক ওলাই যাবলৈ দিছে। যাবলৈ ওলাই মণিয়ে মোক সুধিছিল "দীপক বাহিৰত বৈ আছে। যাবি নেকি"? কব নোৱাৰাকৈয়ে মোৰ মাত কঢ় হৈ পৰিছিল "নাযাও। কিয়, সেইয়া তই জান"। তাই হাঁহিছিল "বাৰু। মই বেয়া নাপাও। অ' ঋতুৰাজক আজি নেদেখিলোৱেই। অহাই নাই কিজানি বজাৰৰ পৰা। বিয়াৰ দিনা আহিলে দেখুৱাবি। মই যাওঁ"। আৰু এবাৰ ঘুৰি নোচোৱাকৈ তাই গুচি গৈছিল।



আৰু সেই মুহূৰ্ত্তৰে পৰা মই ভাবিছো, মাথো ভাবিছো, সেই দিনবোৰৰ কথা। যিবোৰ দিনৰ টুকুৰা টুকুৰ কিছুমান ছবিয়ে মোৰ মনত আনি দিব পাৰে কেতিয়াবা সুখ, কেতিয়াবা দুখ, লগতে ঘৃণা। মণি মোৰ নিজৰ কোনো নহয়। সৰুৰে পৰা আমি বৰ আপোন হৈ পৰিছিলো। সিহঁত আৰু আমি একে ঠাইতো নাছিলো। মোৰ একমাত্ৰ পেহীৰ ঘৰৰ ওচৰতে সিহঁতৰ ঘৰ আছিল। পেহীয়ে মোক বৰ মৰম কৰিছিল। মোৰ বন্ধৰ দিনবোৰ সৰুৰে পৰা মই তাতেই কটাইছিলো। পেহীৰ একমাত্ৰ সন্তান বাবা দাদা পেহা আৰু পেহীৰ বাহিৰে তেওঁলোকৰ ঘৰত আন কোনো নাছিল। সেয়ে মই মণিৰ লগ হবলৈ আৰম্ভ কৰিছিলো। দিনটোৰ বেছি সময় হয় সিহঁতৰ ঘৰত নহলে পেহীৰ ঘৰত দুয়ো একেলগেই কটাইছিলো। পিছলৈ ডাঙৰ হোৱাৰ লগে লগে আমি একেলগে শুবলৈও আৰম্ভ কৰিছিলো। কেতিয়াবা তাত, কেতিয়াবা ইয়াত। মোৰ বন্ধ হোৱালৈ তাই হেপাহেঁৰে বাট চাই বৈ আছিল। আৰু মইয়ো মোৰ বন্ধ হোৱাৰ লগে লগে সেইখিনি পাইছিলো গৈ! এই মুহূৰ্ত্তত মই ভাবিবলৈ বাধ্য হৈছো, মই বাৰু কাৰ বাবে গোৱালপাৰাৰ পৰা নগাওঁ পাইছিলো গৈ ? পেহীৰ ঘৰখনৰ মৰমত, নে মণিক লগ পাবলৈ? সঁচাকৈ মই তাইক বৰ ভাল পাইছিলো। তাই মোতকৈ ৩ বছৰমান ডাঙৰ আছিল। যদিও, লগৰী আছিল; তাই সৰু ভনীয়েকৰ দৰেই মোক মৰম কৰিছিল। মই যিমান চঞ্চল, তাই সিমান গহীন আছিল। মোৰ সৰু চকুদুটা যিমান নাচি আছিল, তাইৰ ডাঙৰ চকুদুটা সিমান শান্ত আছিল, মই নুবুজা কথাবোৰ তাই ধুনীয়াকৈ বুজি পাইছিল। সেয়ে মোক সময় বুজি শাসনো কৰিছিল। লাহে লাহে ডাঙৰৰ পৰা আৰু ডাঙৰ হৈছিলো।

কিন্তু হঠাৎ এদিন মণিক মই এটা বেলেগ ৰূপত আবিষ্কাৰ কৰিছিলো। মোৰ বেয়া লগা নাছিল। কিন্তু ভাবিবলৈ লৈ আচৰিত হৈছিলো যে মণিয়েও কাৰোবাক প্ৰেম দিব পাৰে। গ্ৰহণ কৰিব পাৰে। ভাবিব পৰা নাছিলো তাইৰ শান্ত চকুদুটাই প্ৰেমৰ ভাষা জানে, তাইৰ প্ৰয়োজনতকৈ এষাৰো বেছি কথা নোকোৱা ওঁঠদুটাই প্ৰেমৰ কথা কব পাৰে। প্ৰথমতে কবলৈ অকণমান সংকোচ কৰিলেও এটা সময়ত তাই মোক নিসংকোচে দিগন্তৰ কথা মোৰ আগত কব পৰা হল। কব পৰা হল সিহঁত দুয়োৰে দুয়োৰ প্ৰতি থকা মৰম-বোৰৰ কথা, সিহঁতৰ মাজত হোৱা মান অভিমানবোৰৰ কথা। মোৰ শুনি বৰ ভাল লাগিছিল তাইৰ কথাবোৰ। কেতিয়াবা এনেকুৱা লাগিছিল যেন সিহঁতৰ নিচিনা সুখী কোনো নাই। আৰু সেই মুহূৰ্ত্তত নিজকে বৰ নিঃস্ব যেন লাগি গৈছিল। এইদৰে কাৰোবাক মৰম দিবলৈ, মৰম পাবলৈ মোৰ বৰ মন গৈছিল। কিন্তু বিবেকৰ বান্ধোনে সেইফালে মোক চাপলি মেলাত বাধা দি কটকটীয়াকৈ ধৰি ৰাখিলে। আচলতে ভাল লাগিলেও এইবোৰক মই ভয় কৰিছিলো। কাৰোবাক ভাল পাবলৈ মন থাকিলেও সাহস মোৰ

নাছিল। সেয়ে মণিকেই নানা ধৰণৰ প্ৰশ্নৰে মই ব্যতিব্যস্ত কৰি তুলিছিলো। আৰু এটা সময়ত মোৰহে দিগন্তক লাজ লাগিবলৈ আৰম্ভ কৰিছিল। পেহীহঁতৰ একেবাৰে কাষতে দিগন্ত-হঁতৰ ঘৰ। ঘৰৰ পৰা ওলোৱা সোমোৱা প্ৰতি মুহূৰ্ত্তত লগ পালে চিঞৰি চিঞৰি মাত দিয়া দিগন্তটোক মোৰ লাহেকৈ মাতিবও লাজ লাগিছিল। সেয়ে এবাৰ বহাগ বিহুৰ বন্ধত যাওঁতে সি মোক অকলে পাই কৈছিল "ঐ জিনা, তোৰ আকৌ কি হল? নমতা হলি। মই বিয়া মণিকহে কৰাম। তোক নকৰাও নহয়।" যাবলৈ ওলাই আকৌ কৈছিল "অ' দাদা বুলি এই কেইদিনে মাতি ল। পিচত ভিনদেউ বুলি মাতিবি। হবনে?" তাৰ কথাত মোৰো মাত ওলাইছিল "হব হব। এতিয়াৰ পৰাই মাতিম। পিছে মণিক নিবলৈ তোৰ মুখখন দেখুৱাই থাকিলে নহব নহয়। ব্যৱস্থাও কৰ।" মই দৌৰি গুচি আহিছিলো। সি কিবা কলে যদিও নুশুনিলো। মণিহঁতৰ ঘৰৰ অৱস্থা বৰ ভাল নাছিল। দেউতাকবিহীন ঘৰখনত প্ৰাইমাৰী স্কুলত কাম কৰা তাইৰ মাক, ভায়েক অমল আৰু সৰু ভনীয়েক ৰুণি আছিল। সেয়ে মই ভগৱানক প্ৰাৰ্থনা কৰিছিলো দিগন্তৰ লগত তাই বিয়া হওঁক। সিহঁতৰ বিয়া হব নোৱাৰাৰ কোনো কাৰণো সিহঁতৰ বাবে নাছিল। সেয়ে মই তাইক সুধি পেলাইছিলো "তহঁতৰ কথা জেঠায়ে জানে জানো? একোতো অসুবিধা নাই। জনাই ভাল কিজানি।" তাই বৰ শান্ত হৈ উত্তৰ দিছিল "নাজানো মাই জানেনে নাই। সকলোৱে জনা হৈছেই যেতিয়া নজনাকৈ ক'ত আছে চাগে? হব দে কিবা এটা।" সোধো নোসোধাকৈ সুধিছিলো "যদি বিয়া নিদিয়া হয়? কি কৰিবি?" "পলাই গুচি যাম," বৰ সহজভাবে তাই উত্তৰ দিছিল। কিন্তু মই যেন সহজ ভাৱে লব পৰা নাছিলো।

কিবাকিবি অসুবিধাৰ বাবে মই বহুদিন নগাওঁলৈ যোৱা নাছিলো। বহুদিনৰ মূৰত তালৈ গৈ যেন মই পৰিবেশটো অলপ বেলেগ পাইছিলো। মণিৰ কঁপি থকা ওঠদুটাই যেন কম কম বুলি বহুতো কথাই কবলৈ অসুবিধা পাইছিল। মইয়ো যেন কিবা আখজা আখজা পাইছিলো। বেছি দিগ্‌দাৰ পাইছিলো মণি-হঁতৰ ঘৰত প্ৰায় সকলো সময়তেই বহি থাকিবলৈ লোৱা দীপকক দেখি। ঘটনাবোৰ কোনফালে পাক খাবলৈ আৰম্ভ কৰিছিল মই বুজিবলৈ কষ্ট পাইছিলো। ঘৰলৈ আহি পেহীক কৈছিলো "দীপক নে কি সি আজিকালি মণিহঁতৰ ঘৰতে বেছি সময় থাকে। ভাল নালাগে লৰাটো।" পেহীয়ে লাহেকৈ কবলৈ আৰম্ভ কৰিছিল "মাকে মণিক তালৈকে বিয়া দিব হেনো।" মই চিঞৰি উঠিছিলো "কিন্তু দিগন্ত।" কিন্তু কৈয়েই মই পেহীৰ আগত অপ্ৰস্তুত হৈ পৰিছিলো। কিন্তু নিৰ্বিকাৰ হৈয়েই পেহীয়ে কৈ গৈছিল যে মাকে দিগন্ত আৰু তাইৰ কথা গম পাইছিল যদিও আগবঢ়াত বাধা দিয়া নাছিল। অৱশ্যে আপত্তি কৰিব-লগীয়াও একো নাছিল। কিন্তু হঠাৎ দীপকৰ আৱিৰ্ভাবে মাকৰ মন সলাই দিলে। দীপকৰ টকা আছে। মণিহঁতৰ ঘৰখনক সি সহায় কৰিছে। চাবলৈ গলেও সি দিগন্ততকৈ ওপৰত।



সেয়ে মাকে মণিক দীপকৰ লগত বিয়া দিব খুজিছে। "কিন্তু মণিয়ে কি কৰিব?" মোৰ নিৰ্লিপ্ত সুৰৰ প্ৰশ্নৰ উত্তৰত পেহীয়ে মই আশা নকৰা উত্তৰ এটাই দিছিল "কব নোৱাৰো। কিন্তু ইয়াত তাইৰ আপত্তি থকা যেন নালাগে দেখোন।" মই বৰ হতাশ হৈ পৰিছিলো। এনে লাগিছিল যেন মোৰ বৰ ডাঙৰ পৰাজয় এটা হৈ গল। সেয়ে মণিহঁতৰ ঘৰত গৈ মই তাইক চিধা প্ৰশ্ন কৰিছিলো "এই ভিলেইনটো তহঁতৰ মাজত সোমাব দিলি কিয়?" মণি মনে মনে বৈছিল।" মোৰ সহ্য হোৱা নাছিল "তাৰমানে দিগন্তদাৰ লগত তোৰ বিয়া নহয়?" তাই বৰ শান্ত হৈ উত্তৰ দিছিল "বোধকৰো নহব।" মই খঙেৰে কৈছিলো "মই মানি লব নোৱাৰো।" তাইৰ আকৌ সেই শান্ত কণ্ঠস্বৰ "কিয় নোৱাৰিবি? মইতো পাৰিছো। আচলতে কি জান? কিছুমান কাম মই কৰিব পাৰিবই লাগিব। মই বিচৰাবোৰ, মোৰ ঘৰখনে বিচৰাবোৰ দিগন্তই দিব নোৱাৰে। দীপকে পাৰিব।" মই মণিৰ ওচৰৰ পৰা আঁতৰি আহিছিলো। বৰ ধুনীয়া সপোন এটা মোৰ ভাঙি যোৱা যেন লাগিছিল। কিন্তু ভাঙি যাবলৈ দিবলৈ মোৰ অকণো মন নাছিল। সেয়ে তাইৰ ওচৰলৈ আকৌ গৈছিলো, তাইক বুজাইছিলো ইয়াৰ পৰিণাম কি হব পাৰে? কিন্তু তাই যেন বুজিও নুবুজাৰ ভাও জুৰিছিল। আৰু এটা সময়ত তাইক সৈমান কৰিব নোৱাৰি মই কান্দি পেলাইছিলো। মোৰ চকুপানী মচি তাই বৰ গহীন হৈ মোক কৈ গৈছিল "জিনা তোৰ এই চকুপানীবোৰতকৈ মোৰ ভিতৰখনত বৈ থকা চকুপানী কিমান বেছি গভীৰ তই জানো নুবুজ? আচলতে মই হাৰ মানি গলো। বুজাবলৈ গৈ মই নোৱাৰিলো কাকো। দেখিলে! মোৰ চকুপানীৰো দেখোন কোনো মূল্য নাই। সেয়ে মনটো বিক্ৰী কৰি দিয়াৰ সিদ্ধান্ত ললো। অৱশ্যে এই সিদ্ধান্তৰ কথা কাকো জানিব দিয়া নাই। সেয়ে নিৰৱে আছো। চাওচোন বাৰু, আনৰ মতকেই মুল্য দি। কি হয়?

"দীপকে তহঁতৰ কথাবোৰ জানে?"

"জানে। ময়েই কৈছিলো। কিন্তু লাভ নহল। নাজানো কি ধৰণৰ প্ৰতিশোধ সি লব খুজিছে।"

"দিগন্তদাই গম পায়?"

"পায়। মোক সুধিছিল কি কৰিম বুলি। উত্তৰ দিব নোৱাৰিলো। কিন্তু দিবই লাগিব। দিম।"

"কিন্তু ভগবানে নকৰক। দীপকে তোক বিয়া কৰালে এদিন নহয় এদিন তোক কষ্ট দিব।"

মই জানো! দিয়ক। আচলতে কি জান? মই মোৰ জীৱনটোৰ ওপৰত প্ৰতিশোধ লব খুজিছো। মই এটা জীৱন বিচাৰিছিলো। কিন্তু সেই জীৱনটোৱে মোক উপহাস কৰিলে। মইয়ো সেই জীৱনটোৰ ওপৰত প্ৰতিশোধ লম।" তাই হুকহুকাই কান্দি পেলাইছিল।

"পলাই নাযাৱ কিয়? দিগন্তদাক নকৰ কিয়?" বৰ আঁকবাৰ দৰেই যেন মই প্ৰশ্ন কৰিছিলো।

"যাব পাৰো। কিন্তু ঘৰখনৰ ভবিষ্যৎ

এৰি পলাও কেনেকৈ? এনেকৈয়েই থাকো। কিন্তু যিয়েই যি কৰে কৰক। মই একো নকও। জানো মোৰ এই পলায়নবাদী মনটোৱে তোক মোৰ প্ৰতি ঘৃণা উপজাব। মোৰ বাবে তই আৰু নাভাবিবি।" মই তাৰ কথাৰ কোনো উত্তৰ নিদিলো। মোৰ বৰ খং উঠিছিল, কিন্তু কাৰ ওপৰত নুবুজিলো। এবাৰ ভাবিছিলো জেঠাই অৰ্থাৎ তাইৰ মাকক কওঁ নেকি? ভাবিলো দিগন্তদাকেই কিবা এটা কৰিব কওঁ। কিন্তু মই একো কৰিবই নোৱাৰিলো। কেইদিনমান পিচত মই তাৰ পৰা গুচি আহিছিলো। আচলতে মই পলাই আহিছিলো। কিবা এটা কৰিব নিশ্চয় পাৰিলোহেঁতেন। কিন্তু মই একোকে নকৰিলো। কিয়? সেইয়াও নুবুজিলো। হয়তো মণিৰ ওপৰত থকা বোজাবোৰ গা পাতি লবলৈ সাহসেই নহল।

তাৰ পিছৰবাৰ যেতিয়া মই মণিক লগ পাইছিলো, মই তাইৰ লগত সহজ হব পৰা নাছিলো। তাইক লগ পালেই মোৰ ভাহি উঠিছিল দিগন্তদাৰ শুকান মুখখনৰ কথা। মণিৰ সিদ্ধান্তই তাক একো কৰিবলৈ নিদিলে। মৰমবোৰ সঁচা হোৱা বাবেই হয়তো একো কৈফিয়তো নিবিচাৰিলে। কিন্তু মণিক নেপাব বুলি পোৱা চৰম সিদ্ধান্তটো পোৱাৰ দিনা তাৰ ৰঙা চকু দুটাৰ কথা মই কেতিয়াও নেপাহৰিলো। মণিক পুণৰবাৰৰ বাবে বুজাবলৈ মই চেষ্টা কৰিছিলো। তাই একো নুবুজিলে। হয়তো আৰু একো নকও বুলিয়েই মোৰ আগত দীপকৰ লগতো ভালদৰে কথা বতৰা পাতিবলৈ, ফুৰিবলৈ আৰম্ভ কৰিছিল। সেই সময়ত মোৰ মনত কি আছিল তাৰ বিৱৰণ হয়তো মই দিব নোৱাৰো। সেয়ে নাযাও বুলিও গৈয়েই আছিলো। তেনেদৰে এদিন যাবলৈ ওলোৱাত বাৰান্দাত বাবাদাদাই বহি থকাৰ পৰাই সুধিছিল "মণিৰ তালৈ যাব নেকি?" মই 'অ' বুলি কোৱাত সি কৈছিল "যাব নোৱাৰ। তোক মই তালৈ যাবলৈ বাধা দিবলৈ মাক কৈছিলো। তোক কৈছে? কোৱা নাই যদিও এতিয়া যাব নোৱাৰো।" মই থতমত খাই কৈছিলো 'কিয়?'

"মণি আজিকালি বেয়া হল। সিহঁতৰ ঘৰলৈ গলে তোক ভাল বুলি নকব।"

"নকওক। কোন ভাল, কোন বেয়া। কিয় ভাল, কিয় বেয়া মই জানো। মই যামেই।" মই যাবলৈ ওলাইছিলো।

হঠাৎ মোৰ গালত প্ৰচণ্ড চৰ এগাত আহি পৰিছিল। ক্ষন্তেকৰ বাবে মই একো ধৰিব পৰা নাছিলো। কিন্তু পিছ মুহূৰ্ত্তত মই জোৰেৰে ভিতৰলৈ সোমাই আহিছিলো। চৰটো খাই মোৰ যিমান বেয়া লাগিছিল। তাতকৈ বেছি বেয়া লাগিছিল মণি ইমানেই বেয়া হৈ গল নে যাৰ বাবে কেতিয়াও টানকৈ নোকোৱা বাবাদাদাই মোক তাইৰ ওচৰলৈ যাবলৈ ওলোৱা বাবে মাৰিব লগা হল। মই অকণো কন্দা নাছিলো। থিৰ কৰিছিলো এক মুহূৰ্ত্তৰ বাবেও তাত নাথাকিবলৈ। সেয়ে পেহী, পেহা আৰু বাবাদাদাৰ অশেষ কাকুতি মিনতিক নেওচি মই গুচি আহিছিলো; তালৈ আৰু কেতিয়াও নোযোৱাৰ মনোভাবেৰে। তাৰ পিছৰ পৰা মই মণিক লগ পোৱা নাই।



কিছুদিন পাছত হঠাৎ পেহীৰ চিঠিৰ পৰা গম পাইছিলো দীপকে মণিক ঘৰৰ পৰাই লৈ গল বিয়াবাৰু নোহোৱাকৈ। তাৰ লগত মিলামিছা কৰিলেও হেনো মণিয়ে তাক কথা দিয়া নাছিল। সেয়ে সি তেনেকৈ লৈ গল। পেহীৰ চিঠিখনৰ পৰাই তাইৰ ওপৰত যে কাৰো ভাল ভাব নাই মই বুজি পাইছিলো। জানিছিলো মই তাইৰ ভালৰ বাবে একো কৰিব নোৱাৰো। কিন্তু তথাপিও মোৰ মনটোৱে মনা নাছিল। কেতিয়াবা তাইলৈ খং উঠিছিল, কেতিয়াবা বেয়া লাগিছিল। অসম্ভৱ আছিল যদিও মই সেই কথাবোৰ পাহৰি যাবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো। দিনবোৰ পাৰ হৈছিল। এটা সময়ত ঋতুৰ লগত মোৰ বিয়া হৈ গল। বিয়ালৈ তাইক মাতিছিলো চিঠিৰে। কিন্তু দীপকৰ কথা এটাও উল্লেখ কৰা নাছিলো। সেই মানুহটোক মই ঘিন কৰিছিলো। মই মুঠেই সহ্য কৰিব পৰা নাছিলো। সেয়ে কোনোদিনে মতাও নাছিলো। মণি বিয়ালৈ অহা নাছিল। অৱশ্যে মইয়ো আশা কৰা নাছিলো তাই আহিব পাৰিব বুলি। এটা দুঃস্বপ্নৰ দৰেই মই তাইক পাহৰিবলৈ চেষ্টা কৰিছিলো।

কিন্তু হঠাৎ কালি তাইৰ আগমনে মোৰ মনলৈ বহুত কিবাকিবি আনি দিলে। মই বাবাদাদাৰ বিয়ালৈ আহিছো। বিয়ালৈ মাতি বাবাদাদাই লিখিছিল "জিনা, তোৰ ওচৰত কৰা মোৰ সেই ব্যৱহাৰক মই কেতিয়াও ক্ষমা কৰিব নোৱাৰো। কিন্তু তাৰ বাহিৰে মোৰ উপায় নাছিল। মই তোক অবিশ্বাস কৰা নাছিলো, সেইদিনাৰে পৰা তই মোক মতা নাই, আমাৰ ঘৰলৈ অহা নাই। হয়তো ককায়েকে দিব লগা বহুতো কিবাকিবি মই তোক দিব পৰা নাছিলো, সেয়ে তই মোক নিজৰ ককায়েৰ বুলিও ক্ষমা কৰিব নোৱাৰিলি। তই নহা বাবে মা দেউতাই দুখ কৰে। তেতিয়া মোৰ নিজকে বৰ অসহায় যেন লাগে। বিয়াখনলৈকো তই নাহিলে যেতিয়া সকলোৱে তোৰ কথা সুধিব, তেতিয়াও হয়তো মই মোৰ অক্ষমতাৰ কথাকেই কব লাগিব। পাৰ যদি এতিয়াও ক্ষমা কৰি দিবি। বিয়ালৈ দুয়ো আহিবি। মই বৰ আশা কৰি বলো। তোৰ

বাবাদাদা"

চিঠিখন পঢ়ি মোৰ কান্দি দিবলৈ মন গৈছিল। নিজৰ ওপৰতে খুউব খং উঠিছিল। চিঠিখন পঢ়ি ঋতুয়ে সুধিছিল "বিয়ালৈ যাবা?" মই দোষী দোষী ভাবেৰে উত্তৰ দিছিলো "যাম।" মই আহিছিলো। লগত ঋতু। পদূলিমুখতে বাবাদাদাই পাই মোক সাৱটি ধৰিছিল আৰু কৈছিল "বিয়ালৈ মণিকো মাতিছো।" বহুদিনৰ মুৰত মোৰ এই চিনাকি ঘৰখনত সোমাই মই আগৰ সেই 'জিনাজনী' হৈ পৰিছিলো। পেহা পেহীয়ে বৰ ৰং পাইছিল। "ঘৰৰ ছোৱালী তয়েই। গতিকে দায়িত্ববোৰ গা পাতি ল।" বুলি কোৱা পেহাৰ কথাবাৰ সৰোগত কৰি মই মোৰ মনটো কেওফালে লগাই দিছিলো। কিন্তু মণিৰ আবিৰ্ভাবে মোৰ মনটোক যেন আকৌ থুপ খুৱাই দিলে। সেয়ে এই নিশাটোক আগত

লৈ মই মোৰ মনটোক সেই পুৰণি ক্রিন্তু মোৰ বাবে নতুন সেই কথাবোৰৰ মাজুত আবদ্ধ কৰিলো। হব বুলি গম পাই থকা কথাবোৰ, ঘটনাবোৰ হোৱাত মই আজি আকৌ কিয় বিচলিত হৈ পৰিছো ভাবি নাপালো। চিন্তা কৰিলো মণিৰ সকলো আছে। কিন্তু একো নাই। বিচৰাবোৰ একো নাপালে. কিন্তু নভ-বাবোৰ বিচৰাতকৈয়ো বহুত বেছি পালে। জানি শুনি যিটো জীৱন তাই আকোৱালি লৈছে, তাৰ পৰা জানো তাই কেতিয়াবা সুখী হব পাৰিব? দিগন্তৰ কথা জানো তাইৰ এবাৰো মনত নপৰে? সেই মৰমবোৰ, কল্পনা-বোৰ জানো তাই কেতিয়াবা পাহৰিব পাৰিব? মই ঋতুক যিমান ভাল পাওঁ, হয়তো দিগন্তক তাই সিমানেই ভাল পাইছিল। মনটোক বিক্রি দিলেও দিগন্তক তাই কেনেকৈ পাহৰিব পাৰিলে? মই জানো ঋতুৰ পৰা আঁতৰিব পাৰিম? তেতিয়া বাৰু মোৰ কেনেকুৱা লাগিব? নিজকেই যেন তাইৰ লগত তুলনা কৰিবলৈ চেষ্টা কৰিলো। কিন্তু মই ঋতুক... । নাই মই কেতিয়াও নোৱাৰো। মই মৰি যাম। কব নোৱাৰাকৈয়েই মই বিচনাখনত বহি পৰিলো। পৰ্দাখন ডাঙি বাহিৰলৈ চালো। কাম কৰি থকা লৰাজাকৰ লগত তেতিয়াৰে পৰা থকা ঋতু কলৈ গল? ঋতুক চাবলৈ যেন মোৰ বৰ মন গল। বব নোৱাৰিলো। দৌৰ মাৰি উঠি গলো। পেহীয়ে দুৱাৰ খোলাৰ শব্দত সাৰ পাই সুধিলে "যাব কলৈ?" "এনেই, বাহিৰলৈ।" মোৰ উত্তৰত পেহীয়ে আকৌ কলে "চাবি ঠাণ্ডা নলগাবি। আৰু.. ।" মোৰ শুনিবলৈ ধৈৰ্য্য নহল। দৌৰমাৰি লৰা-জাকক সুধিলো ঋতু কত। সিহঁতে দেখুৱাই দিয়াত মই তেওঁৰ ওচৰ পালোগৈ। কাগজৰ ফুল কাটি থকাৰ পৰা মুৰ দাঙি মোক দেখি সুধিলে "ইমান ৰাতি উঠি আহিলা কেলেই? যোৱা শুই থাকাগৈ। আৰু এনেদৰে দৌৰি আহিছা কিয়?" মনৰ ভাববোৰ লুকুৱাই থৈ কলো "মন গল। আৰু মোৰ টোপনিও অহা নাই অকণো। শোৱাৰ পৰা এতিয়ালৈ টোপ-নিয়েই নাহিল। উঠি আহিলো।"

"কিয়? মণিৰ কথা ভাবিছিলা?"

মই ধৰা পৰি গলো। অথনি ঋতু ঘুৰি অহাৰ লগে লগেই মই তেওঁক কথাবোৰ কৈ পেলাইছিলো। হয়তো অকলে কথাবোৰ মনত ৰখাৰ প্ৰস্তুতি মোৰ নাছিল। মোৰ মনৰ পৰিবৰ্ত্তন হয়তো তেওঁ ধৰিব পাৰিছিল।

'আঁকৰী" মই উচপ খাই উঠিলো ঋতুৰ মাতত। "তাকেই ইমান চিন্তা কাৰিব লাগে। তুমিয়েই দেখোন কৈ থাকা ভগবানে যি কৰে ভালৰ বাবেই কৰে। এই সকলোবোৰ কিজানি মণিৰ ভালৰ বাবেই হৈছে। তাকেই নাভাবা কিয়? চাবাচোন এসময়ত সকলো ঠিক হৈ যাব। চোৱা সোঁৱা ৰাতি পুৱালেই। যোৱাচোন মোৰ কাৰণে চাহ একাপ আনা?"

মন্ত্ৰমুগ্ধৰ দৰে-মই ঋতুৰ ওচৰৰ পৰা আহিলো, যিফালে সূৰ্য্য উদয় হৈছে সেইফালৈলৈ মোৰ যাবলগীয়া ৰাস্তাটোও সেই ফালেই। উদয় হবলৈ আৰম্ভ কৰা সূৰ্য্যটোলৈ চাই মোৰ মনটো যেন মুকলি হৈ গল। এনে লাগিল যেন মণিৰ জীৱনটোলৈয়ো হয়তো এদিন এই সূৰ্য্যটোৰ দৰে সুখবোৰ আহিব। কাণত ভঁাহি ৰল ঋতুৰ কথা এষাৰ "সময়ত সকলো ঠিক হৈ যাব।"



# সহযাত্ৰী

ৰাহিদৰ ৰহমান
স্নাতক ৩য় বৰ্ষ

সংগীবিহীন যাত্ৰা বৰ বিৰক্তিকৰ। কিতাপ, আলোচনী পঢ়িলেও কিমান সময় পঢ়িব পাৰি? অন্ততঃ লগত এজন সহযাত্ৰী লাগে।

দীঘলীয়া উকিৰে ট্ৰেইনখন ষ্টেচন এটাত ৰৈ যোৱাত উদয় বাস্তৱলৈ ঘূৰি আহিল। ঘড়ীটোলৈ চালে আবেলি তিনিটা বাজিছে। লক্ষ্যস্থান পাবলৈ এতিয়াও বহু ঘণ্টাৰ বাট। কথাষাৰ ভবাৰ লগে লগে মনটো সেমেকি উঠিল। খিৰিকীৰে বাহিৰলৈ চালে এজনো চিনাকি মানুহ নাই। নিৰাশ মনেৰে বহি পৰিলো। পেকেটোৰ পৰা চিগাৰেট এডাল জ্বলাই ল'লে। চিগাৰেট হুপি হুপি হাতত থকা আলোচনীখনতে চকুঁ ফুৰাব ধৰিলে।

"গৈয়েই চিঠি দিবা"— মাতষাৰ শুনি উদয়ে মুৰ তুলি চালে। এগৰাকী মহিলাই গাভৰু এজনীক ডবাত তুলি দিছে। ছোৱালী-জনীয়ে মুৰটো জোঁকাৰি সন্মতি জনালে। হাতত এটা লাগেজ লৈ ছোৱালীজনী উদয়ৰ মুখা-মুখীকৈ বহি পৰিল। লাগেজটো কাষত লৈ আলফুলকৈ ৰুমালেৰে মুখখন মচি ললে। চানগ্লাছযোৰ লাগেজত ভৰাই থৈ আলোচনী এখন ওলাই লৈ পঢ়াত ব্যস্ত হৈ পৰিল। উদয়ৰ প্ৰতি তাই সামান্যতমো দৃষ্টি নিদিলে। ইতিমধ্যে ট্ৰেইনখন দ্ৰুতগতিত আগবাঢ়ি গৈছে। উদয়ে অলপ ভালদৰে বহি লৈ আলোচনীখনত চকু ফুৰাই গ'ল। যদিও মনটো গাভৰুজনীৰ প্ৰতিহে আকৰ্ষিত হৈ ৰ'ল। মনে মনে ভাবিলে ঈশ্বৰে তাৰ প্ৰতি কৃপাৰ দৃষ্টিৰে চাইছে। সহযাত্ৰী এগৰাকী গোটাই দিছে. সিও গাভৰু তাৰোপৰি শুন্দৰী। তাৰ মনটো ভাল লাগি গ'ল। এবাৰ ছোৱালীজনীৰ পিনে চাওঁতে দেখিলে ছোৱালী-জনী তাৰ পিনেই চাই আছে। সি তৎক্ষণাত চকুটো আঁতৰাই আনি আলোচনীৰ পাতত নিবদ্ধ কৰিলে।

ইমান ভেমনে তাইৰ? অকলশৰে এটা ডবাত যাত্ৰা কৰি আছে অথচ অকলে থকা এজন পুৰুষক মাত এষাৰ দিব নোৱাৰে। উদয়ৰ মনে মনে খং উঠি গ'ল। ভাবিলে— তাই প্ৰথমে কিয় মাত দিব, তাইতো ছোৱালী। লাজ! কৰিবই। যিহেতু লাজ ছোৱালীৰ এবিধ অলঙ্কাৰ। ভাবিলে সি নিজে প্ৰথমে মাত লগাব নেকি? নাই... কিয় মাতিব? সামান্য এজনী ছোবালীক উপযাচি মাতি সৰু হব কিয়? তাৰতো এটা প্ৰেষ্টিজ বোলা বস্তু আছে। সেইটোতো এতিয়াও

হেবাই যোৱা নাই ? তাইৰ যদি ভেম আছে, তাৰ নাই নেকি ? উদয়ে প্ৰথমতে মাত নলগায় বুলি দৃঢ় সংকল্প ল'লে ।

উদয়ে কৃত্ৰিম কাঁহ এটা মাৰি আউজি আগমেৰে বহি ল'লে। ছোৱালীজনীৰ পিনে এবাৰ চালে, তাইও চালে। চকুৱে চকুৱে পৰাত— ছোৱালীজনীয়ে মৃদু ভাৱে হাঁহি দিলে। মুখখন ঘুৰাই আনি ভাবিলে তাইৰ দাঁত-বোৰৰ কথা। এইবোৰ দাঁত নে মুকুতা ? ইমান পৰিপাটি ! ইমান বগা ! ছোৱালীজনী পঢ়াত ব্যস্ত। এইবাৰ সি তাইক ভালদৰে চোৱাৰ মানসেৰে কেৰাহিকৈ চালে। নয়ন-যুগল যেন নয়ন নহয় পদুম এপাহিতে দুটোপাল নিয়ৰ ! চেলাউৰি যোৰ ঘন ক'লা ! কেশগুচ্ছ অমাৱস্যাৰ নিশা তাৰ মাজত তিৰবিৰাই আছে এটি তৰা। হাতলৈ চকু যোৱাত ভাব হ'ল— সেইখন মানৱী নে দেৱীৰ হাত ? ইমান নিমজ ! ইমান সুন্দৰ ! ভাবিলে— ঈশ্বৰে ছোৱালীজনীক বনাও বুলিয়েই বনাইছে।

কিন্তু তাইৰ মাতটো ? মাতটোতো এবাৰও শুনা নাই ? নে বোবা, কথা কব নোৱাৰে ? ধেৎ এইহেন এগৰাকী অপেশ্বৰী কেতিয়াও বোবা হব নোৱাৰে। ঈশ্বৰো ইমান নিষ্ঠুৰ হব নোৱাৰে। মাতটো নিশ্চয় কুলী সুৰীয়া হ'ব। শুনিলে নিশ্চয় মধু সংগীত শুনা যেন লাগিব টোপনি আহি যাব।

"আপুনি কলৈ যাব ?" ছোৱালীজনীয়ে সুধিলে।

"মোক কৈছে ?" উদয়ে থমতম খাই সুধিলে।

—"ইয়াত যিহেতু আপোনাৰ আৰু মোৰ বাহিৰে তৃতীয় ব্যক্তি আন এগৰাকী নাই, গতিকে কাক সুধিব পাৰো ?" কথাষাৰ কৈ ছোৱালীজনীয়ে হাঁহি দিলে।

—"মই চিমলালৈ যাম। ছুটি কটাবৰ বাবে তাত মোৰ বন্ধু এগৰাকী আছে। আৰু আপুনি ?" উদয়ে ক'লে।

—"ময়ো একে পথৰে পথিক। কিন্তু আপোনা দৰে মোৰ যাত্ৰা ইমান দীঘলীয়া নহয়। মই শিমলুগুৰিত নামিম। তাত মোৰ ঘৰ ডিমাপুৰত মামাইতৰ ঘৰত থাকি পঢ়াশুন কৰি আছো।"

হঠাৎ উদয়ে ক'লে – "যদি বেয়া নেপায় এষাৰ কথা সোধো ?" ছোৱালীজনীয়ে তপৰাই মাত লগালে— "যদি বেয়া নেপায় ময়ে প্ৰথমে আপোনাক এটা কথা সোধো।"

—"কওঁক"— আচৰিত হৈ উদয়ে ক'লে।

—"আপুনি মোক আপুনি বুলি সম্বোধন নকৰি তুমি বুলি ক'লে ভাল পাম। যিহেতু আপুনি মোতকৈ বয়সত ডাঙৰ, তাৰোপৰি চাকৰিও কৰে।

কথাষাৰ শুনি উদয়ৰ তেজৰ স্ৰোত তীব্ৰতৰ হ'ল। ভাবিলে— ছোৱালীজনী কমতে নহয়। ইমান সোনকালে ইমান সান্নিধ্যলৈ আহিব পাৰে।

– "আপুনি কিবা কব খুজিছিলে।" কথাষাৰ শুনি উদয়ে কওঁ নকওঁকৈ ক'লে

—"মানে তোমাৰ নামটো জনাৰ আগ্ৰহ হৈছে।

—"মোৰ নাম বন্দনা বড়া।" বিনাদ্বিধাই বন্দনাই নামটো কৈ দিলে।

– "বন্দনা বড়া" "বৰ বঢ়িয়া নাম" দুয়ো একেলগে হাঁহি দিলে। হাঁহি হাঁহি



বন্দনাই ক'লে—

– "আপুনি কিন্তু আপোনাৰ নামটো এতিয়াও কোৱা নাই।" উদয়ে লাজ পালে যদিও নিজকে সংযত কৰি ক'লে—

—"মোৰ নাম উদয় বড়া।"

—"আপোনাৰ নামটো কিন্তু মোৰ নামটোতকৈ বেছি শুৱলা।" দুয়ো হাঁহি দিলে।

হাঁহি হাঁহি বন্দনাই বেগৰ পৰা দুটা সুমথিৰা উলিয়াই এটা উদয়ক দিলে আৰু আনটো নিজৰ বাবে ৰাখিলে। সুমথিৰা খাই খাই বন্দনাৰ মুখলৈ চাই উদয়ে ক'লে—

– "বন্দনা, তোমাক এষৰ্ৰ সুধিব নলগা কথা সোধো বেয়া নাপাবা।"

বন্দনা আচৰিত হ'ল যদিও সহজ ভাৱে ক'লে— "কওঁক বেয়া নাপাওঁ।"

– সহাৰি পাই উদয়ে আবেগিক স্বৰেৰে ক'লে— "এনেদৰে অকলশৰে, তোমাক জানো কাহানিবা পুনৰ লগ পাম ?"

– "জীয়াই থাকিলে নিশ্চয় পায়।" বন্দনাৰ উত্তৰ। কথাৰ প্ৰসঙ্গ সলনি নকৰি উদয়ে কৈ গ'ল।

– "যিটো মূহুৰ্ত্তত মনৰ নিভৃত কোণত হেঁচি ৰখা বেদনা, আশা, ভৱিষ্যতৰ কথাবোৰ বিনাদ্বিধাই নিঃসংকোচে তোমাৰ আগত অকণো লুক-ঢাক নকৰাকৈ প্ৰকাশ কৰিব পাৰিম, পামনে তোমাক কাহানিবা এনেভাৱে লগ ?"

– "আপুনি এইবোৰ কি কৈছে ?"

– "মই বৰ অকলশৰীয়া বন্দনা ! মোক এগৰাকী সহযাত্ৰী লাগে।"

বন্দনাই কওঁ নকওঁকৈ ক'লে —"মই যে আন কাৰোবাৰ সহযাত্ৰী আৰু দুমাহ পিছতে মোৰ বিয়া। শিৱসাগৰৰ মানুহ এজনৰ লগত।"

— কি ???

উদয়ৰ মূৰত যেন কোনোবাই প্ৰকাণ্ড হাঁতুৰীৰে এটা প্ৰচণ্ড কোব শোধাই দিলে। ট্ৰেইনখন ষ্টেচন এটাত ৰৈ যোৱাত উদয় হঠাৎ সাৰ পাই উঠিল। সি দুৰমূৰকৈ উঠি বহিল। ৰুমালেৰে মুখৰ ঘামখিনি মোহাৰি ল'লে। ছোৱালীজনীয়ে লাগেজটো হাতত লৈ মিচিকিয়া হাঁহিৰে উদয়ৰ হাতত এখিলা কাগজ দি ট্ৰেইনৰ ডবাটোৰ পৰা নামি গ'ল। যাওঁতে উদয়ৰ পিনে চাই হাত জোঁকাৰি বিদায় সম্ভাষণ জনালে।

ঘটনাটো ইমান সোনকালে ঘটি গ'ল যে উদয়ে ভেবা লাগি ৰ'ল। ভাবিলে সপোনটো সঁচা নেকি ? সি খৰধৰকৈ কাগজখিলালৈ চাই পঢ়িব ধৰিলে

অচিনাকী সহযাত্ৰী,

আপোনাক এষাৰ কথা কওঁ কওঁকৈ থাকোঁতে আপোনাৰ টোপনি আহিল। সেয়ে নজগালোঁ। কথাটো হ'ল আপোনাৰ যাত্ৰাটো বিৰক্তিকৰ কৰি তোলা বাবে ক্ষমা কৰিব। আপোনাৰ সতে কথা পাতিব নোৱাৰিলোঁ। কাৰণ মই কথা কব নোৱাৰো, বোবা। আপোনাৰ যাত্ৰা শুভ হওঁক।

এগৰাকী দুৰ্ভগীয়া সহযাত্ৰী

চিঠিখন পঢ়ি উঠি উদয়ে এটি হুমুনিয়াহ পেলালে। সূৰ্য্যটোলৈ চালে দিগন্তত মিলি গৈছে, আকাশখন তেজ ৰঙা হৈ পৰিছে। ট্ৰেইন-খনো দ্ৰুতগতিত আগবাঢ়ি গৈছে।

# "পান্থশালাত শেষ ৰাতি"

পাঞ্চালি সিন্‌হা
১৯৮৫-৮৬ চনৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী

সন্ধিয়াও আহিছিল মানুহজন। মানুহজন অৰ্থাৎ সুদাম কাই। পূজাৰ দিন বুলি দেৱাশীষে টকা দহটাও দিলে। তাৰ পিছত সি অকণমান ওলাই গৈছিল। উভতি আহিয়েই এই অভাৱনীয় দৃশ্য! বগা কাপোৰেৰে মুখ ঢাকি তুলসী গুৰিত থৰ লাগি শুই আছে সেই সুদাম কাই! দেৱাশীষ তাতেই বহি পৰিল। ক'ব পৰা কেনেকৈ কি হ'ল সি ধৰিবই নোৱাৰিলে। সুদাম কাইৰ ওচৰতে বহি বৃদ্ধা মানুহ এগৰাকীয়ে কান্দি আছিল। ঠাহ খাই থকা ওচৰ-চুবুৰীয়াৰ কথা-বতৰা তাৰ কাণত পৰিল।

: "অলপ আগেও পূজা মণ্ডপত কাঁহ বজাই আছিলহে!"

: "হয়। আমি আটাইবোৰে পূজা চাবলৈকে ওলাইছিলো। উভতি আহি চাওঁ প কঘৰৰ বাৰান্দাত পৰি আছে। শেষ মাতষাৰো শুনিবলৈ নাপালো।" গভীৰ দুখেৰে কোৱা কথাৰ সুৰটো কাৰ ধৰিব পাৰিলে দেৱাশীষে। সেয়া অৰূপদা। সুদাম কাইৰ ওচৰত বহি কান্দি থকা বৃদ্ধাগৰাকীৰ ল'ৰা। সুদাম কাই তেওঁলোকৰ আশ্ৰয়তে আছিল।

: "গা অসুখ আছিল নেকি আগৰে পৰা? কোনোবাই সুধিলে।

: "নাই, তেনেকৈ অসুখ বুলিবলৈ একোৱেই নাছিল। কিযে হ'ল!" অৰূপে হুমুনিয়াহ এৰিলে।

দেৱাশীষে জানিছিল সুদামকাই নিম্ন ৰক্তচাপত ভুগিছিল। এমাহমান আগতে বিছনাত পৰিছিল। অৰূপে 'কোৱাত সিবাৰ দেৱাশীষে ডাক্তৰ মাতি আনিছিল। ঔষধো কিনি আনিছিল কিছু কিছু। সম্পূৰ্ণ ফাইলটো আনিব নালাগে বুলি অৰূপেই তাক কৈছিল। তাৰ মনত পৰি গ'ল মাহৰ শেষত খৰচৰ বোজা এইদৰে বঢ়াই তোলা বাবে বিৰক্তিত বিকৃত হৈ পৰা অৰূপৰ মুখখনলৈ। ৰাতি দহবজাত অফিচ 'ডিউটি' শেষ কৰি আহি থাকোঁতে ভজৰ দোকানত অৰূপক সদায় উপস্থিত থকাৰ দৰে সিদিনাও বহি থকা দেখিছিল। তাচপাত, চুলাই আৰু মাইকী মানুহৰ মঙহ তিনিওৰে ত্ৰিবেণী সঙ্গম তাতেই বুলি সকলোৱে জনাৰ দৰে সিও জানে।

সম্পূৰ্ণ দুটা দিন বিছনাত পৰি থকাৰ পিছত সুদাম কায়ে আকৌ খোজ কাঢ়ি কাঢ়ি অৰূপৰ ল'ৰাটোক ৰাতিপুৱা ফুৰাবলৈ নিছিল, বাৰীৰ ভগা জেওৰাবোৰ মেৰামতি কৰিছিল, বেতৰ বান্ধ খুলি যোৱা আওপুৰণি মূঢ়াকেইটা ভালকৈ বান্ধি দিছিল। ইয়াৰ কিছুদিন পিছতেই এবাৰ দেৱাশীষৰ লগত কথা পাতি থাকোঁতেই হঠাৎ মূৰটো ঘূৰোৱা বুলি কৈ তাৰ বিছনাখনতে ভালেপৰ শুই থাকিল। দেৱাশীষে মূৰত পানী ঢালিলে, বিচনীৰে বা দিলে। প্ৰেচক্ৰিপশ্যনৰ বাকী থকা ঔষধখিনিৰ কথা নিজেই অৰূপৰ কাণ চোৱালে। কিন্তু অৰূপে হা না একোৱেই নক'লে। টকা থকা হলে দেৱাশীষে নিজেই আনিলেহেঁতেন। ইলেকট্ৰিচিটি বোৰ্ডৰ সাধাৰণ লাইনমেন সি। বেতনৰ আধা টকা ঘৰলৈ পঠিয়াই বাকীখিনিৰে ঘৰ ভাড়া, দোকানৰ বাকী পৰিশোধ কৰাৰ পিছত হাতখৰচখিনি ৰাখি বেংকত থবলৈ চল্লিছটা টকাহে সি ৰাহি কৰিব পাৰে। দেউতাকক সি হাইস্কুলত পঢ়ি থাকোঁতেই হেৰুৱালে। কিয় জানো সুদাম কাইৰ মুখলৈ চালেই, আপোন আপোন লগা কথা-বতৰা বোৰ শুনিলেই তাৰ চকুত ভাঁহি উঠিছিল হেৰোৱা দেউতাকৰ মুখ। সেইবাবেই নেকি বুঢ়া মানুহজনে হোৱাই-নোহোৱাই, সময়ে অসময়ে কথাৰ বকলা মেলিলেও সি খং কৰিব নোৱাৰিছিল— বৰং দুদিনমান নহাকৈ থাকিলেই কিবা খালি খালি যেন লাগিছিল তাৰ।

এই যোৱা ৰবিবাৰেও সি ৰৌ মাছ এচকল কিনি আনিছিল। সুদামকায়ে দেখাৰ লগে লগে উল্লাসেৰে কৈ উঠিছিল...

: "এস্ বহু দিন মাছৰ মুখ দেখাই নাইহে বাপু। বিলাহীৰে ৰন্ধা ৰৌমাছৰ সোৱাদ পাহৰিব লাগিব যেনেই পাইছোঁ। দেখোন।"

দেৱাশীষ অলপ আচৰিত হৈছিল। আগদিনা অৰূপে ৰৌমাছ আধাকিলো কিনা সি নিজ চকুৰে দেখিছিল। সেই কাৰণে সুধিয়েই পেলাইছিল সি।

: "কি কৈছা ককাই! কালি নবৌৱে মাছ ৰন্ধা নাই নেকি?"

: "মাছ, ক'তা? মইতো ক'ব নোৱাৰো। ল'ৰাকণে বৰ দিগ দি আছিল নহয়? বোৱাৰীয়ে মোলৈ পাহৰিলেই হ'বলা।"

দেৱাশীষে নুবুজাকৈ নাথাকিল। সুদামকায়ে কাণেৰে ভালকৈ নুশুনা নহ'লে হয়তো অজস্ৰ তিক্ত শব্দৰসত বিষাক্ত হৈ উঠিলেহেঁতেন। কিন্তু তেওঁতো অনুভূতিহীন অসাৰ কোনো পদাৰ্থও নাছিল। সেয়ে নেকি এমুঠি ভাত, এখন কাপোৰ আৰু বিছনা ব্যৱহাৰ কৰাৰ অপৰাধবোধত দিনৰ দিনটো শাক-পাচলিৰ বাৰীখনতে খুচখুচাই থাকিছিল, খৰি ফালি ৰ'দত শুকুৱাই তুলি থৈছিল, কুঁৱাৰ পৰা পানী তুলি তুলি বাথৰুমৰ টেংকীটো ভৰাই থৈছিল সদায়। ঋণী হৈ থকাৰ প্ৰৱণতা মানুহজনৰ তেজত নাছিল। এৰা, এসময়ৰ আভিজাত্যৰ আৱেশ সুদাম কাইৰ তেজৰ পৰা মচ খাব পৰা নাছিল। হীনমন্যতাবোধৰ পৰা মুক্ত হবলৈ ছটফটাইছিল অসহায় মানুহ এজন। কোনোবাই দিব পাৰিলেনে অলপ সকাহ? অথচ অৰূপৰ মাকক সুদামকাইৰ দেউতাকেই ডাঙৰ-দীঘল কৰিছিল; বিয়া-বাৰু দিছিল। দূৰসম্পৰ্কৰ আত্মীয়া আছিল তেওঁ। সুদাম কাইৰ দেউতাক জমিদাৰৰ উচ্চপদস্থ কৰ্মচাৰী আছিল। জমিদাৰী আমোলৰ অন্ত পৰাৰ পিছতো দুই পুৰুষ বহি খাব পৰাকৈ সম্পত্তি

আছিল তেওঁলোকৰ। কিন্তু মদ, জুৱা আৰু যৌৱনৰ লেলিহান উশৃংখলতাৰ জুইত ছাঁইৰ দৰে পৰি ৰ'ল অৱশেষ। মানুহে একেমুখে স্বীকাৰ কৰিছিল— 'প্ৰতিফল'! 'প্ৰতিফল'! "এসময়ত দুখীয়া প্ৰজাৰ ওপৰত কৰা অত্যাচাৰৰ এয়ে প্ৰতিফল!"

পিতৃৰ কৰ্মফলৰ বোজা নিৰ্বিবাদে মূৰ পাতি লৈ জীৱনৰ বাটেৰে গৈ থাকিল তেওঁৰেই দুৰ্ভগীয়া সন্তান। এই সকলোবোৰ দেৱাশীষে অৰূপৰ মাকৰ মুখৰ পৰাই শুনা। সুদামক'য়ে এইবোৰ কোনোদিনেই কাকো কে'ৱা নাছিল। বিয়াৰ ছবছৰ পিছত কেনেকৈ তেওঁৰ পত্নীয়ে সুখৰ সন্ধানত এহাল লৰা-ছোৱালীৰে সৈতে পলাই গৈছিল কলিকতাৰ পৰা অহা যাত্ৰা দল এটাত ৰজাৰ ভাও লোৱা অভিনেতা এজনৰ লগত—সেই কথাও! স্মৃতিচাৰণ, বিষাদৰ প্ৰকাশ সুদামকাইৰ চকুত দেখা মনত নপৰে দেৱাশীষৰ। মানুহজনে দ্বিতীয়বাৰ বিয়াও নকৰালে। ঘৈণীয়েকৰ কাৰ্য্যই হয়তো তেওঁক নিজৰ অভাৱ সম্পৰ্কে, নিজৰ অক্ষমতা সম্পৰ্কে সচেতন কৰি তুলিছিল। হীনমন্য হৈ উঠিছিল তেওঁ। চাহ-দোকান এখনত বহুবছৰ কাম কৰাৰ পিছত একেৰাহে কিছুদিন জ্বৰ আৰু কাহ হৈ থকাত ডাক্তৰে টি. বি. হোৱা বুলিয়েই সন্দেহ কৰিলে। সেইযে কাম এৰি আহিল, দৰৱ পাতি খোৱাৰ পিছত ডাক্তৰে সেই সন্দেহ অমূলক বুলি স্বীকাৰ কৰাৰ পিছতো আৰু নগ'ল। ঘৰত ককায়েকৰ অনাটনে দখল চলোৱা সংসাৰত সবহদিন থাকিবলৈকো মন নকৰিলে। অৰূপ সেই সময়ত হঠাৎ যোৰহাটলৈ বদলি হওঁতে ঘৰত মানুহ নথকা হোৱাত মাকে সুদাম কাইক মতাই অনালে। সুদামকাইৰ কৃতজ্ঞতাৰ অন্ত নাছিল। অৰূপৰ মাকৰ তামোল খুন্দা, বুকুখন বেয়া লাগিলে হোমিও ডাক্তৰজনৰ ওচৰলৈ দৌৰা-দৌৰি কৰা, জ্বৰ হ'লে গোটেই ৰাতি শুশ্ৰূষা কৰা। মাজনিশা শৌচ কৰিবলৈ উঠিলে পৰ দি থকা সকলোতে হাতৰ লাখুটি সুদাম কাই।

বয়সে আলৰ কৰা মানুহ গৰাকীৰ ছাঁৰ দৰে ছবছৰ এইখন ঘৰত থকাৰ পিছত আজি সুদাম কাই ঢুকাল।

... বহি থাকোঁতেই ৰাতিটো কেনেকৈ পাৰ হৈ গ'ল দেৱাশীষে গমেই নাপালে। পোহৰ হওঁতেই সি গা-পা ধুই বিছনাখনত পৰি থাকিল। একো খাবলৈকো মন নগ'ল। সুদাম কাইৰ ককায়েকক খবৰ দিবলৈ অৰূপদাই ল'ৰা এজনক পঠিয়াইছিল। ককায়েক অহালৈ সকলো বাট চাই ৰ'ল। কিন্তু দুপৰীয়া আধাবাটৰ গৰাই ল'ৰাজন উভতি আহিল। জনজাতীয় এলেকাত পথবন্ধ। তাৰ পিছত অপেক্ষা কৰাৰ প্ৰশ্ন নুঠে। অৰূপৰ মাকে আকৌ কান্দিলে, ন'বৌৱে সেৱা কৰিলে। শ্মশানযাত্ৰীসকল সাজু হ'ল। পূজামণ্ডপত মানুহবোৰে ইজনে-সিজনে মৃতকৰ সম্পৰ্কে দুখ প্ৰকাশ কৰি থাকিল, পুৰোহিতে পুষ্পাঞ্জলিৰ মন্ত্ৰ মাতিয়েই থাকিল। মুখাগ্নি অৰূপেই কৰিলে। সকলো কৃত্য সমাপন হওঁতে সন্ধিয়াই লাগিল। উভতি আহোঁতে শ্মশানযাত্ৰীসকলৰ মাজৰ বয়োবৃদ্ধ এজনে মাত লগালে, "বুঢ়া মহা সৌভাগ্যৱান বুজিছা....? মহাষ্টমী তিথিত মৃত্যু কেইজনৰ হয়?"

: "এৰাহে। লেলাই-ধেন্দাই বিছনাত পৰিও নাথাকিল। মৰাৰ সময়ত পানী এটোপাল খুজিও কাকো বিৰক্ত নকৰিলে।"

দেৱাশীষৰ অকস্মাত মনত পৰি গ'ল সুদাম কাইৰ ঘৈণীয়েক আৰু ল'ৰা-ছোৱালীহালৰ কথা। ঘৈণীয়েকৰ কপালত আজিও ছাগে ৰঙা বেলিটোৱে জকমকাই আছে। ছোৱালীজনীয়ে হয়তো নতুন কাপোৰ পিন্ধি পূজামণ্ডপে পূজামণ্ডপে ঘূৰি ফুৰিছে? ল'ৰাটোৱে হয়তো পূজাৰ খানা দকটি খাবলৈ মুৰগী বিচাৰি ফুৰিছে লগে ভাগে। কোন জানে।

দেৱাশীষে ঘৰ পাওঁতে পূজামণ্ডপত ৰঙ-বিৰঙৰ অজস্ৰ টুনি লাইট জ্বলা-নুমা কৰি মায়াবী পৰিবেশ এটাৰ সৃষ্টি কৰিছিল। মাইকত গান, ঢাকৰ তালে তালে ল'ৰা এটাই আৰতি কৰি আছিল। চাৰিওফালে বিচিত্ৰ সাজত সুসজ্জিত মানুহ। কোনে কব কালি এইখিনিতে কাঁহ বজাই থকা মানুহজন আজি এইমাত্ৰ ছাই হৈ গ'ল।

দেৱাশীষে হঠাতে অনুভৱ কৰিলে তাৰ চকুহাল ৰবকৈ পুৰিছে। ●

ৰিচৰা বস্তুটো নোপোৱাটোৱেই ব্যৰ্থতা নহয়, বিচৰা বস্তুটো পাবলৈ সংগ্ৰাম এৰি দিয়াটোহে প্ৰকৃত ব্যৰ্থতা—
জৰ্জ ইলিয়ট

"অন্ত বিকাশ নহলে পাণ্ডিত্য মিছা। শগুণ যিমান ওপৰলৈ নুউৰক তাৰ চকু সদায় মৰা শৱ ওপৰত
ঃঃ ৰামকৃষ্ণ পৰমহংস ঃঃ

# নতুন সূৰ্য্য

অজিত সৰকাৰ
স্নাতক (বি) মহলা চুড়ান্ত বর্ষ

মানুহজন আজি পুনৰ আমাৰ চুবুৰী-টোলৈ আহিছে। ইয়াৰ আগতে আৰু এবাৰ আহিছিল। সেইবাৰ আহোঁতে আমি কোনেও তেওঁক চিনি পোৱা নাছিলো। মানুহজনৰ বয়স পঁচিশ মান হব। চুটি চুটিকৈ চুলিখিনি কাটিছে, নাকটো দীঘল, দেখাত সুন্দৰ। শান্ত, অমায়িক যেন বোধ হৈছিল। কাৰণ তেওঁৰ মাতত আছিল মধুৰতা। যোৱাবাৰ আহোঁতে পোনতে মইয়ে তেওঁৰ লগ পাইছিলো।

মই তেতিয়া দুপৰীয়াৰ অহাৰ খোৱাৰ পিছত ঘৰৰ সন্মুখৰ আম গছজোপাৰ ছাঁৰ তলত বহি আছোঁ। হাতত এখন পযেকীয়া আলোচনী। মনোজ কুমাৰ গোস্বামীৰ গল্প 'সমিৰণ বৰুৱা আহি আছে' পঢ়ি আছো। সদায় মই এইখিনি সময়ত গছজোপাৰ তলত জিৰণি লওঁ। —তেতিয়া বাহিৰত কোনো মানুহ নাথাকে। চাৰিওফালে নিশ্চুপ। মাথোন আমাৰ ঘৰৰ পৰা কেইঘৰমান আঁতৰত মহিম-হঁতৰ ঘৰৰ সমুখত মা-দেউতাৰ বাধা নেমানি ঘৰৰ পৰা ওলাই অহা কণ-কণ কেইজনমান ল'ৰাই চিঞৰ বাখৰ কৰি মাৰ্বল খেলি থাকে। তাৰ বাহিৰে অইন একো গণ্ডগোল নাই। অৱশ্যে তাৰ মাজতো কোনোবা দিনা আমাৰ ঘৰৰ পিছফালৰ মানুহগৰাকীৰ ঘৰত এই সময়খিনিত এখন কথাৰ তয়া-ময়া ৰণ লাগে। তেতিয়া আৰু মোৰ একো পঢ়া নহয়। সিহঁতৰ কাজিয়া শেষ নোহোৱা পৰ্য্যন্ত মই আলোচনীখন বা কিতাপখন জপাই এনেয়ে থাকোঁ।

: অলপ শুনিব নেকি ?

কাৰোবাৰ মাতত মই উচপ খাই উঠিলোঁ। ঘুৰি চাই দেখোঁ মোৰ নিচেই ওচৰত এজন অচিনাকী মানুহ থিয় হৈ আছে। মানুহজনৰ পিন্ধনত পেন্ট-ছাৰ্ট আৰু হাতত এটা পৰ্টফলিও বেগ। মই লগে লগে পঢ়ি থকা পৃষ্ঠাটোত বাওঁহাতখনৰ তৰ্জনী আঙুলিটো ৰাখি আলোচনীখন ধৰি থিয় হলো আৰু অপ্ৰস্তুত ভাৱেই সুধিলো,

: কিবা সুধিব ?

মানুহজনে আৰু অলপ ওচৰ চাপি আহি 'হয়, বুলি কৈ সুধিলে-

: ইয়াৰ ৰাফেল বৰ্মনৰ ঘৰ কোনটো ?

: অ. ৰাফেল দা ? নলবাৰী কলেজত পঢ়া ৰাফেল দা ? মানুহজনে একো নভবাকৈ নিচিন্তাকৈ 'হয়' বুলি কলাগিলে।

মনতে ভাৱিলো, বাটটো কৈ দিম নে নিজেই গৈ ঘৰটো দেখুৱাই দিমগৈ। ঘৰটো দেখুৱাই দিবলৈ গ'লেও কমেও বিশ মিনিট খৰছ হ'ব। মই পঢ়ি থকা গল্পটোৰ 'ইন্টাৰেষ্ট' খিনিও শেষ হৈ যাব। সেই বাবে বাটটো কৈ দিয়াকে মনস্থ কৰিলো।

: "আপুনি এইটো বাটেৰে গৈ থাকিব, অলপ দূৰ যোৱাৰ পিছত দুটা ৰাস্তা পাব ; এটা পোনে পোনে আৰু আনটো সোঁফালে। আপুনি পোনে পোনে নগৈ সোঁফালৰ ৰাইস্ত দি ঘুৰিব। সেই ৰাস্তাইদি গৈ পুণৰ বাওঁফালে ঘুৰিব। বাওঁফালৰ ৰাস্তাৰ সোঁহাতেদি প্ৰথম তিনিটা ঘৰ এৰি তাৰ পিছৰ টোৱেই ৰাফেল দা হতঁৰ ঘৰ। সমুখত এখন ডাঙৰ ফুলৰ বাগিছা আৰু টিভিৰ এন্টেনা দেখা পাব। কোনো চিন্তা নাই ; উলিয়াব পাৰিব। ৰাফেল দা বোধ কৰো ঘৰত আছেই, আজি ক'তো ওলাই যোৱা দেখা নাই।"

এজন অংকৰ ছাৰে বুৰ্বক লৰা এটাক এটা অংক বাৰে বাৰে বুজোৱাৰ পিছতো বুজি নাপালে মুখৰ আকাৰ যেনে কৰে, মোৰ কথা-খিনি শেষৰ পিছত মানুহজনে তাকে কৰিলে।

মানুহ জনে পুণৰ কলে,

: যদি বেয়া নেপায় ঘৰটো দেখুৱাই দিবনে ? মই "বেয়া পাম" বুলি ক'বলৈও বেয়া লাগিল। আচলতে অচিনাকী মানুহ এজনক এনে ধৰণৰ সহায় কৰি দিয়াটো মোৰ গল্পটো-তকৈ কম গুৰুত্ব দিব খোজা নাই। তাতে ৰাফেল দাৰ ঘৰলৈ। অইন ঘৰলৈ হলে কিজানি নগলোহেঁতেন।

আমাৰ গাঁৱৰ ভিতৰত ৰাফেলদাহঁত ধনী মানুহ। এটা ৰঙীন টিভি আছে, স্কুটাৰ আছে। সদায় দেওবাৰে মহাভাৰত চাবলৈ যাওঁ। সিদিনা তেওঁলোকৰ চ'ৰা ঘৰটো গাঁৱৰ মানুহেৰে ভৰি পৰে। আৰৌ কেতিয়াবা মই চহৰলৈ আহিব লগা হ'লে গাড়ী ন'পালে ৰাফেল দাক যদি লগ পাওঁ তেন্তে তাৰ স্কুটাৰৰ পিছৰ চিটত বহি আহোঁ। স্কুটাৰত উঠি অহা মূহুৰ্ত্তখিনি মোৰ বৰ আনন্দ লাগে। বাটত কোনোবা চিনাকী মানুহ দেখা পালে আপোনা আপুনি মোৰ হাঁহি ওলায় আৰু পিছপিনে মানুহজনক ঘৰি চাই হাঁহি হাঁহি মুখখন সমুখৰ ফালে কৰি লওঁ।

গতিকে ইমান বিলাক স্বাৰ্থ থকাৰ পিছতো মই কেনেকৈ কওঁ "যাব নোৱাৰিম" বুলি। মোক বহু সময় ভাবি থকা দেখা পাই মানুহজনে পুণৰ ক'লে, "অসুবিধা হয় যদি যাব নালাগে"। "নাই, নাই. একো অসুবিধা নহয়, ব'লক"। মই কলোঁ।

মানুহজনক ঘৰ দেখুৱাই দিবলৈ যাওঁতে বহুত কিবা কিবি কথা পাতিলোঁ। মই মানুহজনৰ পৰা শুনা কথা খিনিৰ সাৰাংশ এনে,—

মানুহজনৰ ঘৰ নলবাৰী বিদ্যাপাৰাত। কলেজখনৰ কাষতে। বি এছ, ছি, পাছ কৰি এনেয়ে আছে। কলেজত পঢ়োঁতে ৰাফেলদাৰ লগত একেলগে পঢ়িছিল। ৰাফেলদা হোষ্টেলত আছিল। তেওঁলোকৰ আৰু দুজন বন্ধু বোলে মেছ কৰি আছিল। মেছত তেওঁলোকে মিলিত হৈ বোলে প্ৰায় সদায়েই আবেলি এঘণ্টামান টুৱেন্টি-নাইন খেলিছিল। মানুহজনেও ডিগ্ৰীটো লৈ তিনি বছৰ বোলে ঘৰতে বহি আছে। চাকৰিৰ বাবে ইন্টাৰভিউ দিয়ে, চাকৰি হ'লে ক'তো নাপায়। কোনোবাটো মিলিলেও ভেটিয়ে বোলে বিশ হাজাৰ পৰ্যন্ত দিব লাগে। "বিশ

হাজাৰ টকা এটা চাকৰিৰ বাবে দিব লগা হলে চাকৰিয়েই নকৰিম” এনে ভাবত ঘৰতে বহি আছে।

মই ভবা মতে ৰাফেল দা ঘৰতেই আছে। মানুহজনক তেওঁলোকৰ ঘৰত থৈ যেতিয়া মই ঘৰলৈ আহোঁ তেতিয়া বাটত এটা অশোভনীয় দৃশ্যৰ মুখা-মুখি হ'ব লগা হ'ল। গাঁৱৰে দুজন আধাবয়সীয়া মানুহে ঢলং-পলং কৰি আহি আছে। যিহকে মন যায় তাকে বকি আহি আছে। এটাই আনটোক কিবা কথাৰ বাবে ঠেলি দিছে। সি বাগৰি পৰিছে। উঠিয়েই পুণৰ তাৰ ওচৰলৈ গৈ আঙুলি টক্-টকাই থকাটো আকৌ কৈছে। পুণৰ ঠেলা-ঠেলি। কোনেও কাৰো ওচৰত নিজৰ জেদ এৰি দিয়া নাই। এনেকৈয়ে তেওঁলোকে নিজা ঘৰলৈ গৈ আছে। মই কাষেদি পাৰ হৈ যাওঁতে মোৰ ফালে দৃষ্টি নিক্ষেপ কৰিছিল। কিন্তু একো কথা নক'লে।

গাঁৱৰ এই মদ খোৱা মানুহবোৰক আৰু মদ বিক্রি কৰা মানুহবোৰক কিমান সঁকিয়াই দিলো, আমাক একো ভ্রূক্ষেপে কৰিব নিবিচাৰে। নিশা কোনোবাই মদ খাই যিহকে-তিহকে বকি গৈ থাকিলে, আমি কেইজন মানে ল'গ হৈ বাঁহৰ সৰু সৰু চেঁকনি লৈ কোবাই গুচি যাওঁ। তথাপি মদ খোৱা মানুহ কিজনৰ মনত ধিক্কাৰ নজন্মে।

এবাৰ মদ বিক্রি কৰা ধীৰেনক পুলিচে ধৰি লৈ যাওঁতে কেইবাদিন ধৰি এওঁলোকৰ মদ খোৱা বন্ধ হৈছিল। পিছে কেইদিনমান বন্ধ হ'লে হব কি, ধীৰেন জেলৰ পৰা ওলাই আহিবলৈহে পালে! তাৰ পিছৰ পৰাই আৰম্ভ হ'ল পুণৰ আগৰ মদ বিক্রি কৰা, আৰু মদ খোৱা। এই মদৰ বেপাৰটোৰ বাবে ধীৰেন যে কেইবাৰ জেললৈ যাব লগা হ'ল! তথাপি তেওঁ মদৰ বেপাৰ নেৰে। ইয়াৰ বাহিৰেও তেওঁৰ যে অইন উপায় নাই তেনে নহয়। ঘৰৰ খেতি-মাটি আছে, বাৰীখনত তামোল গছ কেই জোপাও নফলাকৈ নাথাকে। অলপ কষ্ট কৰিলে বছৰটোৰ ভাত খেতিৰ পৰাই পায়। তথাপি মদৰ বেপাৰ।

গাঁৱৰ ডাঙৰ বোৰক মদ খোৱা দেখি আমাৰ সমনীয়া ল'ৰাবোৰেও ভোগালী বিহুত খোৱাৰ অজুহাত দি এতিয়া প্রায়েই খোৱা দেখা যায়। খাব বাধা দিয়া স্বত্বেও খায়। উপায় নাই। কাক কম, কোনে শুনিব? সেই যে আমাৰ ঘৰৰ কাষৰ মানুহ গৰাকী মাধব, প্রায়েই মদ খায়। তাৰ পিছত সন্ধিয়া ঘৰলৈ আহি ঘৈণীয়েকৰ ওপৰত উৎপাত লগাই দিয়ে। ঘৰলৈ গৈয়েই চাহ খুজিব, তাৰ পাছে লগে ভাত; মাছ যদি আছে আকৌ বান্ধিব লাগিব। অলপ দিক্‌দাৰি কৰিলে আৰম্ভ হ'ব গালি-শপনি। গালি-শপনিয়ে চূড়ান্ত অৱস্থা পালে মাৰ-পিট। তাৰ পিছত ভাত নোখোৱাকৈ বকি বকি বিছনাত দীঘল দি পৰি থাকিব। অসহ্য যন্ত্রনা। প্রায়েই আমি গণ্ডগোলৰ সমুখীন হ'ব লগা হয়।

মাধবে যে অকল মদেই খায় এনে নহয়। ৰাস্তাৰ কাষত বহি দিনৰ দিনটো সৰু ল'ৰাবোৰে দেখাকৈ তাছ খেলিব। এই তাছ খেলটোত, গাঁৱৰ এম, ই স্কুলখনৰ শিক্ষকজনো কম নহয়। স্কুল বন্ধৰ দিনত নিজৰে স্কুলখনৰ ছাত্র-ছাত্রীক দেখা পোৱাকৈ খেলি থাকিব



আমাৰ সেইকালে যাবলৈ বেয়া লাগে। এজন শিক্ষকৰে অৱস্থাটো তেনকুৱা হ'লে বাকীবোৰক আৰু কি কৰা?

মাধব কেলা মানুহজন যে, তেওঁ জুৱা খেলতো কম নহয়। তাছ, জুৱা আৰু এই মদৰ নামত তিল তিলকৈ তাৰ সম্পত্তি শেষ হৈ যাব লাগিছে। নিজৰ ঘৰ খনৰ প্রতি তাৰ কোনো চিন্তা নাই। তাৰ ঘৈণীয়েক অকলীয়েহে পাচোটি ছোৱালী সন্তানক লৈ চিন্তা কৰে।

বিচিত্র (?) ঘটনা সমূহ উপভোগ কৰি অৱশেষত মই নিজা ঘৰ আহি পালোঁ। তেতিয়া আৰু গল্পটো পঢ়াৰ ধৈৰ্য্য নাই।

সিদিনাই সন্ধিয়া চাৰে ছয় মান বজাত ৰাফেল দা আৰু মানুহজন আমাৰ ঘৰলৈ আহিল। সেইখিনি সময়ত মই কি কৰি আঁছো, মাইঁতৰ ভালনে, আদি আজে বাজে কথা কিছুমান সোধাৰ পিছতেই দাদাইঁত যাবলৈ ওলাল। যাওঁতে মোক ক'লে, “পদূলিমুখত তোমাক কিবা এটা কথা কম, বলাচোন” বুলি ৰাফেল দায়ে [illegible]।

তাৰ পিছত সেই ঘিট-মিটিয়া এন্ধাৰত মোলৈ উদ্দ্যেশি ৰাফেল দা লাহে লাহে ক'লে, তুমি আমাৰ গাঁৱৰ বাচি বাচি বিশ, পঁচিশ জন মান লৰাক এতিয়াই কোৱা যে ৰাতি ন মান বজাত আমাৰ সংঘত এখন অত্যন্ত জৰুৰী আৰু গোপনীয় সভা আছে সভাখনত নলবাৰীৰ সিফালৰ এজন মানুহো উপস্থিত থাকিব। কিবা এটা নতুন সংগঠন খোলাৰ বাবে তেওঁ আহিছে। যেন সভাখনৰ গুৰুত্ব বুজি প্রত্যেকে উপস্থিত থাকে।

মানুহজনে লগতে যোগ দি ক'লে—

: তুমি কথাখিনি গোপনে ৰাখিবা। লৰা কেইজনৰ বাহিৰে এতিয়াই অইন কাকো ক'ব নালাগে।

ৰাফেল দা আৰু মানুহজনৰ কথাখিনি শুনাৰ পিছত কিবা এটাৰ ভয়ত যেন মোৰ মুখৰ মাত হেৰাই গৈছে, এনে ভাৱ হ'ল। কিবা সংগঠন!

মই দাদাইঁতক বিদায় দি ঘৰলৈ আহিয়েই চোলাখন পিন্ধি ওলালোঁ। ঘৰৰ পৰা ওলাওঁতে মায়ে সুধিলে, “এই সন্ধিয়াখন ক'লৈ যোৱা?”

“অলপ কিবা কাম আছে, আহোঁতে পলম হ'ব, মোৰ ভাতটো ৰুমত থৈ দিবা” এই বুলি কৈ মই আঁহিলো।

দাদাইঁতে দিয়া কামখিনি শেষ কৰি মোৰ বন্ধু কল্যাণৰ ঘৰত অলপ জিৰণি ললো। ঠিক চাৰে আঠ মান বজাত কল্যাণ আৰু মই আমাৰ সংঘলৈ গ'লো। তেওঁ মোক ফুচ-ফুচাই সুধিলে “কিহৰ মিটিং”। আচলতে মইও একো নাজানো। মিটিংখনত উপস্থিত থাকিবৰ বাবে তাক যিখিনি কথা কৈছিলো, পুণৰবাৰ তাকে ক'লো।

অলপ পিছত ৰাফেল দা আৰু মানুহজন আহিল। দাদাই আহোঁতে এটা কিষান লেম্ব নজ্বলোৱাকৈ লৈ আহিছিল। আহিয়েই পোনতে সেইটো জ্বলাই ল'লে।

ন বাজিবলৈ দহ মিনিট মান থাকোঁতে প্রায় গোটেই মানুহখিনিয়ে সভাঘৰত গোট খালে। প্রত্যেকৰে মুখত উৎকণ্ঠাৰ চিন। কাৰণ কোনেও নাজানে কি সংগঠন গঠন কৰিব। ইজনে সিজনক

সুধিছে, সিজনে আকৌ অইন কোনোবা এজনক সুধিছে, কোনেও কিন্তু সঠিক উত্তৰ দিব পৰা নাই। এনেকি মইও। যথা সময়ত মিটিংখন আৰম্ভ হ'ল। সমুখৰ শাৰীত ৰাফেল দা, মানুহজন আৰু আমাৰ গাঁৱৰে জয়ন্ত দা। আমি দৰ্শকৰ শাৰীত তিনিখন বেঞ্চত কুচি-মুচি বহিছোঁ। মানুহজনে প্ৰথমতে বহুত কিবা-কিবি ক'লে, তাৰ পিছত ৰাফেল দা অলপ ক'লে। একেবাৰে শেষত জয়ন্ত দা। আমাৰ ফালৰ পৰা চাৰিজনক নিৰ্দিষ্ট ভাৱে ক'ব কোৱা হ'ল। মানুহজনৰ কথা খিনি চমুকৈ এনে ধৰণৰ,— "আমাৰ সমাজখন দুৰ্নীতিৰে ভৰি পৰিছে, এটা সাধাৰণ চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে আপুনি দহ হাজাৰ টকা খৰছ কৰিব লাগিব। ইয়াৰ অন্যথা একো নাই। ভূৱা চিলেৰে ঠিকাদাৰে চৰকাৰৰ পৰা টকা সোৰোকাইছে। চৰকাৰী কাৰ্য্যালয়বোৰত সাধাৰণ কাম এটাৰ বাবে টকা নিদিলে কাম নহয়। চাৰিওফালে নাৰী নিৰ্যাতক, জুৱা, মদ তাছ আৰু তীৰখেলৰ পয়োভৰ। এই বিলাকৰ বিৰুদ্ধে আমি থিয় দিব লাগে। সমুহীয়া ভাৱে থিয় দিব লগা হ'লে এটা সংগঠনৰ প্ৰয়োজন। আৰু সেইটো উদ্দেশ্য আগত ৰাখিয়েই আজি আমি সভাখন আহ্বান কৰিছোঁ।

মানুহ জনে কথা খিনি সৰ সৰীয়াকৈ কৈ গ'ল। তেওঁৰ মাতত তেতিয়া মধুৰতা নাই আছে কঠোৰতা। মই প্ৰথম ল'গ পোৱা মানুহজন আৰু অলপ আগতে ভাষণ দিয়া মানুহজনৰ মাজত পাৰ্থক্য বিচাৰি পালো।

তেতিয়া জোনটো ডুবো ডুবো। বাহিৰত এক ভীষণ নিস্তব্ধতা। দূৰৈৰ কাৰোবাৰ ঘৰত কুকুৰৰ ভুক্-ভুকনি।

আজি সম্পূৰ্ণ এমাহৰ অন্তত পুণৰ সেই মানুহজন আহিছে, আমাৰ চুবুৰীটোলৈ। আজি হয়তো তেওঁ আমাৰ বাবে কঢ়িয়াই আনিছে আৰু এক নতুন বতৰা। যি বতৰাই। এখন নতুন সমাজ, গঢ়িব য'ত নেথাকিব শোষণ, দুৰ্নীতি, ব্যভিচাৰ।

* * *



# বি বি ধা

বহুদিনৰ পৰা পৰিচিত গোৱালপাৰা মহাবিদ্যালয়ৰ এজন চিত্ৰ শিল্পী 'সৈত্য নাৰায়ণ দেশৱাৰাৰ' সৈতে এখন্তেক।

প্ৰশ্ন ঃ— আপুনি ছৱি আঁকে কিয় ? আপুনি ছৱি অঁকাত কেনেকৈ আকৰ্ষিত হ'ল।

উত্তৰ ঃ— ল'ৰালী কালৰে পৰা মই ছৱি আঁকিবলৈ আৰম্ভ কৰো বা ল'ৰালী কালৰে পৰা মোৰ চিত্ৰকৰী জীৱনৰ আৰম্ভ হয়। কিন্তু মই কিয় ছৱি আঁকো! এই প্ৰশ্নৰ সন্মুখীন আজিলৈকে হোৱা নাছিলো। হঠাৎ এই প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ মই অলপ চিন্তাহে কৰিব লগীয়া হৈছে। যিয়েই নহওঁক মই বিভিন্ন পৰিবেশত আৰু বিভিন্ন কাৰণত বিভিন্ন ছৱি আঁকিলেও মূলতঃ তিনিটা কাৰণত মোৰ ছৱিবোৰ আকোঁ।

প্ৰথমটো হ'ল— মই মোৰ সৰু কালৰে পৰা ছৱি অঁকাৰ নেচা বা অভ্যাসটো এৰাব পৰা নাই। সেয়েহে কেতিয়াবা মন গলেই অকল চিত্ৰপটেই নহয়, বাওঁ হাতলো ছৱি অঁকা আৰম্ভ কৰি দিওঁ। অৱশ্যে ইয়াৰ মাজত মোৰ জীৱনৰ একোটা মূহুৰ্ত বা মনৰ অনুভূতিও প্ৰকাশ পায়। মনত প্ৰতিফলিত হোৱা কোনো দৃশ্য লগে লগে আঁকি চাবলৈ মন যায়।

দ্বিতীয়তে মোৰ মনত কোনো এচুকত কম নোৱাৰাকৈয়ে যেন ডাঙৰ নহলেও ভাল চিত্ৰকৰ হোৱাৰ আশা লুকাই আছে। ইয়াৰ ফলত মই ছৱি অকাত সময় পালেই লিপ্ত হওঁ।

তৃতীয় কাৰণটো হ'ল মই মোৰ আৰ্থিক আয়ৰ বাবেও ছবি আঁকিবলৈ বাধ্য হৈছো। অৱশ্যে এই ছৱিবোৰ কমাৰচিয়েল। মটৰ গেৰেজৰ ট্ৰাক আদিৰ বোডীত বা আন ঠাইত বিভিন্ন দেৱ-দেৱতাৰ ছৱিৰ লগতে আন কিছুমান ছৱিও আকোঁ আৰু লিখা কামো কৰো। প্ৰথমতে বিদ্যালয়ৰ ছাত্ৰ অৱস্থাত মোৰ শ্ৰেণীত অঁকা ছৱি চাই শিক্ষক শিক্ষয়ীত্ৰীয়ে মোক উৎসাহিত কৰাৰ পৰা মোৰ ছৱিৰ প্ৰতি আকৰ্ষণ বাঢ়িলেও মই আটাইতকৈ বেছি আকৰ্ষিত হৈছিলো মোৰ আশে পাশে পোৱা আন চিত্ৰকৰৰ ছৱিবোৰ চাইহে। ইয়াৰ পিছত মই মোৰ গোৱালপাৰা চহৰৰ কিছুমান প্ৰতিযোগীতাত পুৰস্কাৰ পোৱাত মোৰ মন চিত্ৰৰ প্ৰতি আৰু বেছি আকৰ্ষিত হ'ল। গোৱালপাৰা মহাবিদ্যালয়ৰ মই এজন বন্ধু লগ পাওঁ। তেওঁৰ নাম শিবু বাঢ়ৈ। তেওঁৰ উচ্চাকাংখাই মোক আৰু আকৰ্ষিত কৰিছিল। মই কিছুমান ছৱি অঁকাৰ কিতাপবো সহায় লওঁ। কিন্তু ভাল ভাৰতীয় কিতাপ আৰু কোনো স্কুল বা চিত্ৰকৰৰ ওচৰত চিত্ৰ বিষয়ৰ শিক্ষা লাভৰ সুযোগ পোৱা নাই। যদি পালেঁহেতেন বিদ্যাদেৱীৰ কৃপাত মোৰ জীৱন সাৰ্থক হলহেঁতেন।





বহিবৰ পাত এটি উভিয়াই ভিতৰই কিবা এটা আঁকি দিয়া
শ্ৰী[illegible]বাবৰ দুখন ছবি।

**প্ৰশ্ন ঃ—** আপুনি কোনো ডাঙৰ প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰিছিল নেকি ? আৰু চিত্ৰ বিষয়ৰ ওপৰত কোনো ধৰণৰ চিত্ৰ পদৰ্শনিত যাগদানৰ সুবিধা পাইছে নেকি ?

**উত্তৰ ঃ—** মই আগতেই উল্লেখ কৰিছো যে গোৱালপাৰা চহৰৰ বিভিন্ন অনুস্থান, গোৱালপাৰা মহাবিদ্যালয়ৰ চিত্ৰ পদৰ্শণি আদিত যোগদান কৰাৰ সুবিধা পাইছো কিন্তু স্থানীয় প্ৰতিযোগীতাৰ বাহিৰে বাহিৰত কোতো অংশ গ্ৰহণ কৰাৰ সৌভাগ্য মোৰ এতিয়াও হোৱা নাই। অৱশ্যে ভ'ৱিষ্যতে কোনো ডাঙৰ পদৰ্শণীত যোগদান কৰাৰ ইচ্ছা যথেষ্ট আছে।

মই গোৱালপাৰা মহাবিদ্যালয়ৰ দুখন বেটুপাতৰ চিত্ৰ আঁকিবলৈ সুযোগ পাইছিলো। আৰু মহাবিদ্যালয়ত বছৰৰ দুখন প্ৰাচীৰ পত্ৰিকা ওলায় তাত মই গল্প কবিত', আদিত স্কেচ কৰোঁ আৰু বিভিন্ন ধৰণৰ ছৱি অঁকাৰো সুযোগ পাওঁ। অধ্যাপকৰ উপৰিও ছাত্ৰ বন্ধু সকলৰ পৰা মই যথেষ্ট সহায় সহানুভূতি পাওঁ। মোৰ চিত্ৰ জীৱনৰ বাবে এয়াই যথেষ্ট।

শেষত, গোৱালপাৰাৰ স্থানীয় অসম ক্লাৱত শ্ৰীঅনুপম নাথৰ সম্পাদনাত এখন আৰ্ট স্কুলৰ প্ৰধান শিক্ষক হিচাপে কাম কৰোঁ। অলপতে গুৱাহাটী আৰু কলিকতাৰ কেইজনমান জনাজাত চিত্ৰকৰৰ লগত মোৰ যোগাযোগ হৈছে। ● ●

বিশিষ্ঠ ব্যক্তিৰ কবিতা—

শ্ৰীঅবনী চক্ৰৱৰ্ত্তী

## ॥ প্ৰাৰ্থনাৰ ঘৰ ॥

চকুত ছানি পৰা দিন। কণামুনা গধুলি।
তথাপি বোজাৰ প্ৰাৰ্থনা।
চুধনৈৰ পিয়াহ নপলায় কৃষ্ণাইত নামি।
ৰত্নপীঠে দেখুৱাব নেকি জীৱনৰ খট খটি ?

কবৰৰ কাষলে' অহা নাই।
সকলো চিনাকি আছিল
নিজকেহে নি'চন।

শীতলা পূজাৰ ডলা এখন মুৰত লৈ
আয়তী সকল পাৰ হ'ল।
বেমাৰ আজাৰ নিৰাময়ৰ বাবে হেনো পূজা-পাতল
ঢাক এটা পিঠিত বান্ধি ঘৰলৈ উভতিল গোবিন্দ।
মুখত এটা জ্বলন্ত বিড়ি।
কালি ৰাতি ইয়ালৈ আহোঁতে দেখো
এখন তোৰণ এটা খট্‌খটি।

শেষ শয়নৰ কোঠালি বিচাৰি লগ পাওঁ খাদেমক।
হাফিজুদ্দিনৰ মোনাজাতত ভাহি উঠিল
তাৰ মাকৰ মুখ।
মোৰ নাম বিচাৰি মমবোৰ জ্বলিল।
তাৰ তাপত নজ্জলা এডালৰ ডিঙিটো হালিল।
লগৰ জনে তুলি ল'লে তাৰ নিয়তিক।
পীৰ চাহাবৰ দানৰ বাকচত মই মমবাতি।

পুৱাৰ আজানে আন্ধাৰ ফলাৰ আগেয়ে
মই আলিত উঠিলো।
মন্দিৰ এটাত মছজিদ এটা
গীৰ্জা এটাত নামঘৰৰ খোজ গণিলোঁ।
ইয়ালৈ আহোঁতে যি চিনাকি নাছিল
বুকুৰ জেপত তেওঁ আঁকি ল'লে
প্ৰাৰ্থনাৰ ছবি।

দুৱাৰত লেখিছে- জোতা খুলি সোমাব
আৰু মোৰ জোতা পিন্ধা ভৰি এখন নাই।



ভুপেন দাস

## ॥ খবৰ ॥

তুমি
কোৱা বা
নোকোৱা

মনৰ
শেহতীয়া
কথা

আজি
খবৰ বুলি চিঠিত
ইমানকে লিখিব পাৰো

অভিমান কৰাতকৈ এতিয়া
তোমাৰ সহজ হোৱা ভাল

এতিয়া মই
ইমানকে বুজো

এতিয়া মই
ইমানকে জানো

অবুজ প্ৰেমিক কৰবাৰ

ফুল হব নোৱাৰি
শিল হলো
নদী হব নোৱাৰি
গছ হব নোৱাৰি
চৰাই হব নোৱাৰি
বৰফ হলো

বৰফ হলো

চোৱা মই
বৰফ হলো

মোৰ
কবলগীয়া
নাই

আপত্তি
নাই

অভিযোগ
কৰি বা
কি লাভ

হৃদয় খন
দি দিলো
কবিতাক

হাত দুখন
গছক

চকু দুটা
চৰাইক

আৰু
তেজ খিনি
ফুলক

এতিয়া
ধৰিলোৱা
মই এজন
সুকীয়া
মানুহ

সুখ কি
নাজানো
দুখ কি
নাজানো

খবৰ বুলি
চিঠিত
ইমানকে
লিখিব পাৰো

এতিয়া মই কিদৰে
জীয়াই আছো

এনেদৰে
জীয়াই থকাক কি
জীয়াই থকা
বুলিব নোৱাৰি

যাৰ বুকুত
এদিন প্ৰেম আছিল

এতিয়া
আৰু
নাই

★



# -ঃ বুৰ্বক ঃ-

উৎপল নাথ

ভৱ দুপৰৰ সৰু জেপত মোৰ পৰিচয় পত্ৰ
ভিক্ষাৰী নহৈ অতিথি অনিমন্ত্ৰিত

ভাতৰ পাতত আনমনা মন
কঁাহীত ডাইলসনা আঙুলিৰ আঁক

সেই যে চাৰিখন বেৰ দি আমাৰ নিজৰ ঘৰ
মুখ মচিবলে' আইৰ আঁচল
খিৰিকী কাটি এখিৰিকী বতাহ এখিৰিকী পোহৰ

আৰু যে পতুলিমুখৰ পবা দুৱাৰ মুখ হৈ
অঘৰী বুঢ়ীৰ হাতত সংজ্ঞা আশ্ৰয়ৰ...... ......

মোৰো যে কি বদ্ স্বভাৱ
নিৰাময়ৰ ভাষা নিশিকাকৈ খান্দি চাওঁ
মৃন্ময় বুকু, অসুখ ক'ত
মাটিয়ে নসহে ভৰিৰ জেঙালগা গচক

অথচ এটুকুৰা কবিতা হৈ ইয়াতেই
তুলি ললো জীৱন স্পৰ্শৰ নিঠুৰ বোজা
ঠিকেই কবিয়ে কোৱাৰ দৰে
বুৰ্বক অনুভৱৰ কান্ধ এনেকৈয়ে বেঁকা।

# কেই গৰাকী মান বিশিষ্ট ব্যক্তিৰ স'তে

কেই গৰাকী মান বিশিষ্ট ব্যক্তিক কেইটি মান প্ৰশ্ন আগবঢ়াইছিলো। তেওঁলোকে দিয়া উত্তৰ সমূহৰ বাবে তেওঁলোকৰ ওচৰত কৃতজ্ঞ।

সম্পাদক,

অসমৰ এজন প্ৰতিষ্ঠিত গল্প লিখক শ্ৰীযুত অতুলানন্দ গোস্বামীদেৱক কেইটিমান প্ৰশ্ন দিছিলো—

১। আপোনাৰ গল্পৰ বিষয়ে অলপ কবনে?

২। বিগত আৰু সাম্প্ৰতিক সমস্যাৱলীত গল্পই কি ভূমিকা লব পাবে বুলি আপুনি ভাৱে।

৩। গোৱালপাৰা আপোনাৰ কেনেকুৱা লাগিছে। গোৱালপাৰাৰ নবীন লিখক লিখিকা সকলৰ বিষয়ে আপুনি কিবা কব খোজে নেকি?

৪। গোৱালপাৰাৰ পটভূমিত আপুনি কিবা লিখিছে নেকি?

উত্তৰত দিছে—

প্ৰিয় শ্ৰীমান জৈব্যেন্দু,

তোমালোকৰ প্ৰশ্ন কেইটাৰ মই চুকি পোৱা উত্তৰ এনে হ'ব।

mination held annually by Assam Science Society centrally at Guwahati was, for the first time conducted simultaneously at various centres on January 7, 1990 and our branch was entrusted to conduct a centre at Goalpara college. The written competition, though restricted to first year HS students, evoked encouraging response and certificate and prizes were given to the examinee securing highest mark in the centre.

On February 7 and 8, our branch organised a two day drinking water camp at Ketkibari, 22 Km. away from Goalpara bordering Meghalaya. The camp programme included seminars, lectures, survey, collection of water sample, mass education on potable water, demonstration of samples collected from the locality and publicity show. The concluding function was attended by the Deputy Commissioner, Goalpara. The attention of the district authority to the various local problems such as those related to drinking water, dearth of medical facility, communication problems, etc were drawn and immediate action was urged upon.

February 28 is observed throughout the country as 'National Science Day.' The GSS observed the day in a befitting manner. A meeting held at Joytunnessa Girls' ME School on that day paid tributes to the Nobel Laureate scientist Sir C.V. Raman and various speakers dealt with the life and works of this illustrious scientist and on other topics.

Sanjoy Deb Roy, a worthy son of mother Assam, who started his career as a forest officer, by his devoted service in the field of wild life conservation and management earned the prestigious Norman Borlang award for the year 1990. The Society took the opportunity to felicitate Sri Deb Roy and the latter delivered an enlightened speech on environment in a largely attended meeting on the 6th March, 1990. It is pleasurable to note that 'Mr. Manas' who was then CCF (Wildlife), Assam has of late been elevated to the post



of Additional Director General under the Union Ministry of Environment.

This year (June 2--6) Assam Science Society organised children Science Meet at Guwahati (Lower Assam Zone). Three students selected on merit from three different schools of Goalpara were sent by GSS to attend the meet.

World Environment Day (June 5) was observed with essay competition among students and a meeting was also organised. Members of the Society as well as students took part in the plantation programme at Goalpara College campus.

Under the auspices of GSS weeklong science classes, both theoretical and practical, were held from June 18 for the students of class X. About one hundred students drawn from different schools of the town were benefitted from the course. The valedictory function was attended by Dr. Shyama Prasad Sarma of Cotton College and Prof. B. Lal of M. C. college as guests of honour.

On June 25, the Society arranged a meeting aimed in augmenting the activities of Indian Science Congress Association in the NE region. On behalf of the Association Dr. U. C. Goswami of G. U. attended the meeting.

Initial works of Gyan Vigyan Samiti in the district began in August, 1990. As per instructions of the GVS, Assam, formation of district committee, local committees at various places of the district and other activities in regard to the publicity of the mass literacy programme of the Samiti were accomplished successfully. In the mean time local committes were entrusted with the survey work for volunteers and illiterates at places like Dhupdhara, Dhanubhanga, Rangjuli, Darangiri, Dudhnoi, Matia, Chidhabari, Damra Krishnai, Agia, Ketkibari, Bardamal, Ambari, etc. Jatha programme (Cultural performance) by some students of the college was inaugurated at Dhupdhara by the President of GVS, Goalpara Sri K. Goswami, A.D.C., Goalpara. Dudhnoi

branch of the Assam Science Society is actively associated with the GVS programmes.

Moreover, during this period, a good number of extension lectures were held at Baguan Girls' High School, J. N. Memorial HS school, Agia, Bardamal High Shool ect.

Apart from executing own programmes the members of this Society rendered their services to make the state-level conferences of Zoological Society of Assam and NE Geographical Society held at Goalpara this year a success. Members of the Society also participated at the ten-day Science camp for High School teachers held at Agia and NSS Orientation camp ( G. U. ) held at Goalpara college, as resource persons.

To involve more and more people from all walks of life the Society has extensive plans to organise innovative programmes in the days to come. Attainment of scientific literacy through the activities of GVS, study of the environmental problems of Goalpara and rousing the mass to those, establishment of a number of science clubs in different schools, mass contact programmes are some of the future programmes of GSS. ※



# A Report of National Cadets Corps (N.C.C.)

Syed Zamal
Senior Under Officer
Goalpara College, Goalpara

**Introduction :—** For the growth and development of a powerful nation, it is not alone armament and equipment which matter, but the human factor is the vital and decisive factor. The boys and girls of today are future leaders of our great country. The proper training of youth is, therefore of paramount importance.

NCC organisation was created in 1948 by an Act of parliament to channelise the youth energy in constructive work and to mould their character when at the most impressionable age.

**Aims of NCC :—**

a) Development of leadership, character, comradeship, spirit of sportsmanships and the ideal of service.

b) To creat a force of disciplined and trained manpower which in a National Emergency could be of assistance to the country.

c) To provide training for students with a view to developing in them officer like qualities, thus also enabling them to obtain commissions in the Armed Forces.

**Motto :—** Unity and Discipline is the motto of the corps.

**General Hints For Cadets :—**

1. Always be careful about your dress, turn out and behaviour.
2. Always given due compliments to the Seniors and Officers. A good salute is the 'Hall Mark' of your smartness and training.
3. Remember there are only two movements while on parade—either march or double up—there is no walking.
4. Attend parades regulary and raise the standard of efficiency.

5. Do the Job entrusted with you to the best of your ability.
6. Do not grumble or grouse. In case of difficulties approach your officer through proper channel.
7. Develop Good relationship with your comrades.
8. Do not seek popularity or relex discipline.
9. Do not be a bully or a double faced person.
10. Never double in parochial, religious or political controversy.
11. Make yourself human in all your dealings.
12. Keep within your monitary limits.
13. Time is valuable, do not waste it.
14. Do not criticise others as it creates bad blood.
15. Be polite and courteous.
16. Maintain the dignity of your corps and country by your behaviour, turn out, efficiency and moral character.

**N.C.C at Goalpara College :--**

Goalpara College N.C.C. comes under I Assam Battalion, with H.Q. at Guwahati. There are 55 cadets enrolled in the college. The cadets have been regularly participating in the independence day and Republic day paredes. The cadets are trained in drill, map reading and weapons to enable them to appear in 'B' and 'C' certificate examinations.

We all hope to see the Goalpara College N.C.C. troop in brighter colour with the great enthusiasm shown by the cadets.

Thanks,



# LIST OF TEACHING STAFF

1. Shri K. P. Deka, Principal (Eco).
2. Shri M. K. Chakravarty, Vice-Principal ( Head of History Deptt. )
3. Shri K. C. Choudhury. ( Head of Philosophy Deptt. )
4. Shri H. K. Kalita. ( Deptt. of Phil. )

**Deptt. of History :**

5. Shri A. Das
6. Shri R. K. Barua
7. Mrs. R. Choudhury

**Deptt. of Assamese :**

8. Shri R. K. Sarmah (Head)
9. Shri R. N. Choudhury
10. Shri U. C. Sarmah
11. Mrs. J. Sinha
12. Shri S. J. Sarmah

**Deptt. of English :**

13. Shri S. V. Appaiah (Head)
14. Shri K. M. Sarmah
15. Shri D. J. Abedin
16. Shri S. K. Mishra

**Deptt. of Political Science :**

17. Shri S. K. Sarmah (Head)
18. Shri A. K. Choudhury
19. Shri B. N. Choudhury
20. Mrs. R. Devi

**Deptt. of Economics :**

21. Shri M C. Saloi (Head)
22. Shri R. C. Nath
23. Shri B. N. Patgiri
24. Shri A. S. R. Ahmed

**Deptt. of Mathematics :**

25. Shri N. D. Adhikary (Head)
26. Shri A. Masum
27. Shri P. K. Seal
28. Shri B. Purakayastha
29. Shri N. Saha

**Deptt. of Geography :**

30. Shri A. R. Saikia (Head)
31. Shri A. K. Boro
32. Shri J. Das
33. Shri B. N. Goswami
34. Shri S. P. Deka (Demonstrator)
35. Shri H. B. Barbhuyan
36. Shri S. N. Sarma

**Deptt. of Education :**

37. Mrs. C. Sarangi

**Deptt. of Botany :**

38. Shri K. B. Das (Head)
39. Shri M. Ahmed
40. Mrs. R. Boishya (Sarma)
41. Shri B. Medhi (Demonstrator)
42. Shri D. Deka
43. Shri N. Ahmed

**Deptt. of Physics :**
44. Shri K. Goswami (Head)
45. Shri A. C. Sarma
46. Shri G. Talukdar
47. Shri U. N. D. Sarmah
48. Shri A. B. Ahmed
49. Shri G. C. Sarmah
50. Shri S. Alam (Demonstrator)

**Deptt. of Chemistry :**
51. Shri J. B. Debnath (Head)
52. Shri T. Sarmah
53. Shri A. Sarmah
54. Shri P. K. Saha
55. Shri R. C. Barman
56. Mrs. B. Roy (Dutta)
57. Shri A. Barik (Demonstrator)

**Deptt. of Zoology :**
58. Shri G. Kalita (Head)
59. Shri A. Kasem
60. Shri R. Bhattacharyya
61. Miss. M. Medhi
62. Shri A. T. M. F Ali
63. Shri P. C. Bhuyan
64. Shri P. K. Sutia

**Deptt. of Statistics :**
65. Shri D. J. Das (Head)
66. Shri A. K. Deka.

## গোৱালপাৰা মহাবিদ্যালয় ছাত্র সন্থাৰ ১৯৮৯-৯০ চনৰ বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন—

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—



প্ৰতিবেদনৰ আৰম্ভণীতে জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে যি সকল বীৰ শ্বহীদে প্ৰাণ অহুতি দিলে তেওঁলোকলৈ মই আন্তৰিক শ্ৰদ্ধাঞ্জলী নিবেদন কৰিছোঁ।

যোৱা চাৰিটা দশকৰপৰা অসমৰ বৰ্তমান পৰিস্থিতি লৈ লক্ষ্য কৰি কবলৈ বাধ্য হৈছো যে অসমখন কেৱল যেন ছাত্র সমাজেই বন্ধকত লৈ থৈছে। অসমত যি কোনো সমস্যাই উদ্ভৱ নহওঁক কিয় ছাত্র সমাজে তাত লাগি পৰিব লাগিব। সমাজৰ বিভিন্ন স্তৰত বাস কৰা মানুহবোৰ যেন নাইকীয়া হৈ গৈছে। এনেদৰে ছাত্র সমাজে অসমৰ এটাৰ পিছত এটাকৈ সমস্যাত লাগি থাকিবলগীয়া হ'লে অসমৰ উন্নতি ক্ৰমান্বয়ে পিছ পৰি থাকিব। ভাৰতৰ কোনো ৰাজ্যতে ছাত্র সমাজে এনেদৰে লাগি থকা আমি শুনা নাপাওঁ। ছাত্র সকলে প্ৰয়োজন হ'লে দেশৰ বাবে সেৱা আগবঢ়াব ঠিকেই, কিন্তু প্ৰয়োজন শেষ হলে আকৌ শ্ৰেণী কোঠালৈ উভতি আহিব। এই ক্ষেত্ৰত সমাজত নতুনকৈ চিন্তাৰ দুৱাৰ মুকলি হ'ব বুলি আশা থাকিল। দেশৰ প্ৰায় ভাগ ৰাজ্যতে পৃথকতাবাদৰ বাবে যি আখৰা চলিছে তাৰ বাবে দিল্লীৰ ক্ষমতাৰ চৰম কেন্দ্ৰীভূত শাসন ব্যৱস্থাই দায়ী। এই ব্যৱস্থাৰ অনতিপলমে ওৰ পেলাই প্ৰত্যেক ৰাজ্যকে আত্ম নিয়ন্ত্ৰণৰ বাবে সম অধিকাৰ দিব লাগে।

বৰ্তমান উপসাগৰীয় অঞ্চলত যুদ্ধৰ যি বিভিষীকা চলিছে তাৰ পৰা আমি মুক্ত হৈ আমি মানুহ অৰ্থাৎ আমাৰ মান-সন্মান আৰু জ্ঞান আছে। এই দুই প্ৰাণী শ্ৰেষ্ঠ অৱদানেৰে আমি যাতে জীয়াই থাকিব পাৰো তাৰ বাবে মই সমগ্ৰ বিশ্ববাসীৰ ওচৰত আবেদন জনালোঁ।

বৰ্তমান মহাবিদ্যালয় ভৱনৰ সম্প্ৰসাৰন যেনিয়ে-তেনিয়ে হবলৈ ধৰিছে। যিহেতু মহাবিদ্যালয়ৰ মাটি আৰু এক ইঞ্চিও বঢ়াব সম্ভাৱনা নাই সেয়েহে ছাত্র-ছাত্রীৰ ক্ৰম বৰ্দ্ধমান অৱস্থাটোলৈ লক্ষ্য কৰি মহাবিদ্যালয়ৰ নতুনকৈ এখন মাষ্টাৰ প্লেন বনাই সেই মতে কাম কৰিব বুলি দাবী জনালোঁ। এই বিষয়ে মহাবিদ্যালয় কতৃপক্ষৰ লগতে মহাবিদ্যালয় পৰিচালনা সমিতি ( Governing body ), মহাবিদ্যালয় নিৰ্মাণ সমিতি ( Construction Committee ) যে দকৈ ভাবি চাব বুলি আশা কৰিলোঁ।

গোৱালপাৰা চহৰত বাণিজ্যিক শাখাৰ স্নাতক মহলাৰ শ্ৰেণীসমূহ নথকাৰ বাবে স্থানীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা বাণিজ্যিক শাখাত পাছ কৰিও বহুতো দুখীয়া ঘৰৰ ছাত্ৰ-ছাত্ৰীয়ে বাহিৰত গৈ টকা আৰু থকাৰ অভাৱত বাণিজ্যিক বিভাগত পঢ়াৰ আশা প্ৰায় বাদ দিব লগীয়া হৈছে। সেইবাবে গোৱালপাৰা মহাবিদ্যালয়ত অনতি পলমে বাণিজ্যিক শাখা খোলাৰ বাবে আশা কৰিলোঁ। লগতে মহাবিদ্যালয়ৰ কেতবোৰ পাঠ্যক্ৰমত যেনে অসমীয়া, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, শিক্ষা বিভাগ আৰু প্ৰাণী বিজ্ঞান আদি বিষয়ত স্নাতকোওৰ খোলাৰ বাবে কতৃপক্ষক বিবেচনা কৰি চাবলৈ অনুৰোধ জনালো।

গতানুগতিক ভাবেই মোৰো কাৰ্য্যকাল আৰম্ভ হয়। আৰম্ভণীৰ কেইদিনমান পাছতে মহাবিদ্যালয় সপ্তাহ পতা হয় (২৯, ৩০, ৩১ ডিচেম্বৰ আৰু জানুৱাৰীৰ ১, ২/৯০)। তাৰ কেইদিনমান পাছতে গুৱাহাটী বিশ্ব বিদ্যালয়ে আয়োজিত যুৱ মহোৎসৱত (Youth festival) ত মহাবিদ্যালয়ৰ পৰা ২৩ জনীয়া দল এটাই যোগদান কৰে। যুৱ মহোৎসৱত মহাবিদ্যালয়ে ৩টা পুৰস্কাৰ কঢ়িয়াই আনে। এই বছৰ পাচঁদিনীয়া (১৪, ১৫, ১৬, ১৭ আৰু ১৮ জুলাই ৯০) কাৰ্য্যসূচীৰে ৰাষ্ট্ৰিয় সেৱা যোজনাৰ (National Service Scheme) শিৱিৰ গোৱালপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। ইয়াত অসমৰ বিভিন্ন প্ৰান্তৰ ছল্লিছখন মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰে। এই শিৱিৰতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ক্ৰমে আচৰাফুল হক আৰু দিলীপ শৰ্মাই পোন প্ৰথমবাৰৰ বাবে যুটীয়াভাবে শ্ৰেষ্ঠ স্বেচ্ছা সেৱকৰ সন্মান লাভ কৰি সৰ্ব ভাৰতীয় শিৱিৰলৈ (All India Camp) লৈ আমন্ত্ৰীত হয়। ইয়াৰ উপৰিও আমাৰ কাৰ্য্যকালত গোৱালপাৰা বিজ্ঞান সমিতিয়ে পতা বিভিন্ন অনুষ্ঠান সমূহত যেনে— অসম প্ৰাণী বিজ্ঞান সমিতিৰ চতুৰ্থ বাৰ্ষিক অধিবেশন (২৯, ৩০ জানুৱাৰী ৯০), ভূগোল বিভাগৰ দ্বাৰা সম্প্ৰসাৰণ বক্তিতামালা (১৪–১৫ চেপ্তেম্বৰ, ৯০) নৱমানবৰলাগ বঁটা বিজয়ী সঞ্জয় দেৱৰয় দেৱৰ বক্তিতা মালাত আৰু কেৱাখনো ৰাজহুৱা সভাত যেনে জিলা উদ্যোগ কেন্দ্ৰৰ (D. I. C.) এক মহীয়া প্ৰশিক্ষন শিবিৰত, অসম বিত্তীয় নিগম (A. F. C.) সভাত, গোৱালপাৰা কবি চক্ৰৰ দ্বাৰা আয়োজিত কৱিতা আবেলিত, অসম সাহিত্য সভাৰ ৫৭ তম অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাত আৰু গোৱালপাৰা জিলা উন্নয়ন সমিতিৰ কেবাখনো সভাত মহাবিদ্যালয় ছাত্ৰ-সন্থাই সক্ৰিয় ভূমিকা গ্ৰহণ কৰে।

গোৱালপাৰা মহাদিব্যালয়ে পয়ত্ৰিশ বছৰ পাৰ কৰি আহিল যদিও যিটো হাৰত উন্নতিৰ জখলাত বগাব লাগিছিল সেইটো হৈ উঠা নাই। বিদ্যালয়ত ইংৰাজীৰ দৰে বিষয়ত এতিয়াও সন্মান (Major) খোলা হোৱা নাই, তাৰোপৰি পৰিসংখ্যা বিজ্ঞান (Staties), তৰ্কশাস্ত্ৰ (Philosophy), শিক্ষা বিভাগ (Education) আদি বিষয়ত প্ৰবক্তাৰ মাত্ৰ এজন বা দুজন আছে। ইয়াৰ উপৰিও মহাবিদ্যালয়ত শ্ৰেণী কোঠাৰ অভাৱ, বিশুদ্ধ খোৱা পানীৰ অভাৱ, গ্ৰন্থাগাৰত প্ৰয়োজনীয় কিতাপৰ অভাৱ, ছাত্ৰীবাসৰ সন্মুখত পকী দেৱাল এতিয়াও হোৱা নাই, মহাবিদ্যালয় ছাত্ৰ জিৰণী কোঠাটো আজি চাৰি বছৰে সম্পূৰ্ণ হৈ উঠা নাই, খেল পথাৰত থকা



পেভেলিয়ানটোও আজি সাত আঠ বছৰে সম্পূৰ্ণ কৰা নাই, ছাত্ৰ-ছাত্ৰীৰ বাবে অতি প্ৰয়োজনীয় বেজটোও আজি চাৰি বছৰে দিয়া হোৱা নাই। অতি পৰিতাপৰ বিষয় যে পিছৰ এই তিনিওটা বিভাগত ছাত্ৰ-ছাত্ৰীৰ পৰা প্ৰতি বছৰে ধন আদায় কৰি থকা হৈছে। অথচ কাৰ্য্যকৰী হৈ উঠা নাই। এই সমস্যাসমূহ সমাধান কৰাৰ বাবে আমি মহাবিদ্যালয় ছাত্ৰ সন্থাই কতৃপক্ষৰ লগত কেবাবাৰো আলোচনা চলাওঁ। অৱশেষত এই আটাইবোৰ সমস্যাৰে স্থায়ী সমাধান বিছাৰি যোৱা ৩১ অক্টোবৰ ৯০ তাৰিখে মহাবিদ্যালয়ত সাধাৰণ সভা (General meetting) আহ্বান কৰা হয় আৰু কেইবাটাও বিষয়ত গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। আমাৰ কাৰ্য্যকাল ছোৱাত ছাত্ৰ বাসৰ পানী যোগানৰ ব্যৱস্থা কৰা হয়। চাৰি গৰাকী ছাত্ৰ/ছাত্ৰীক আৰ্থিক ভাৱে এককালীন সাহায্যও দিয়া হয়। তাৰ উপৰিও ছাত্ৰ বাস আৰু ছাত্ৰী বাসৰ সম্প্ৰসাৰণ কৰিবলৈ প্ৰয়োজনীয় ধন দিবৰ বাবে দিছপুৰলৈ গৈ শিক্ষামন্ত্ৰী মাননীয় শ্ৰীযুত বৃন্দাবন গোস্বামী, শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীযুত যতীন মালিক লগধৰি স্মাৰক পত্ৰ দিয়া হয়। মহাবিদ্যালয়ৰ খেল পথাৰখনৰ উন্নতিৰ বাবে যুব আৰু কল্যান দপ্তৰৰ মন্ত্ৰী মাননীয় শ্ৰীযুত দুৰ্গা দাস বড়োক লগধৰি প্ৰয়োজনীয় ধন দিবৰ বাবে দাবী জনোৱা হয়। আমি আমাৰ কাৰ্য্যভাৰ লোৱাৰ পৰাই কিছু পৰিমাণে হলেও ছাত্ৰ-ছাত্ৰী সকলৰ অভাৱ দুৰ কৰিবলৈ চেষ্টা কৰিছোঁ। মহাবিদ্যালয়ৰ এই সমস্যা সমূহৰ প্ৰতি মহাবিদ্যালয় কতৃপক্ষ যিমান সক্ৰিয় হোৱা উচিত আছিল তেনেদৰে সক্ৰিয় হোৱা দেখা নাযায়।

শেষত মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী গ্ৰন্থাগাৰিক মহাশয়, ছাত্ৰ-ছাত্ৰী আৰু শুভাকাঙ্খিয়ে আগবঢ়োৱা বিভিন্ন দিহা পৰামৰ্শৰ বাবে মই তেখেত সকলৰ ওচৰত চিৰ কৃতজ্ঞ। মোৰ কাৰ্য্যকাল চোৱাত হৈ যোৱা সকলোবোৰ ভুল-ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গ উন্নতি কামনা কৰি মোৰ বছৰেকীয়া প্ৰতিবেদন ইয়াতে সামৰিছো।

ধন্যবাদ—
শ্ৰীঅলকেশ ভূঞা
সাধাৰণ সম্পাদক
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে সুস্থ মস্তিষ্কেৰে মোক বিপুল ভোটত জয়ী কৰালে তেওঁলোকলৈ আজীৱন কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সাংস্কৃতিক বিভাগৰ গুৰুদায়িত্ব পালন কৰাত মই কিমান খিনি সফল হৈছো তাৰ নিৰূপণৰ দায়িত্ব গুৰুদেৱ আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ হাততে অৰ্পিলো। তথাপিও সীমিত সা-সুবিধাৰ পৰিধিৰ মাজত বিভিন্ন অনুষ্ঠান সমূহৰ মানদণ্ড উচ্চ খাপৰ কৰাত অকণো ত্ৰুটি কৰা নাছিলো। যাৰ প্ৰতিফলন মহাবিদ্যালয় সপ্তাহ আৰু আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱৰ ফলা-ফলৰ পৰাই উমান পোৱা যায়। সীমিত আৰ্থিক মঞ্জুৰীৰে মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা সমূহ আকৰ্ষণীয় কৰাৰ বাবে কেতবোৰ বিশেষ আঁচনি গ্ৰহণ কৰিব লগা হৈছিল। সেয়ে হয়তো এই বাৰৰ প্ৰতিযোগিতাত প্ৰতিযোগিৰ সংখ্যা অইন বাৰৰ তুলনাত যথেষ্ট বেছি হোৱা দেখা গৈছিল। সংগীত প্ৰতিযোগিতা আৰু একাঙ্কিকা নাট প্ৰতিযোগিতাই কেইজন মান ভৱিষ্যৎ সম্ভাৱনা পূৰ্ণ শিল্পীৰ ইংগিত দি যায়।

মহাবিদ্যালয় সপ্তাহ অন্ত পৰাৰ লগে লগে আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ বাবে দলটি গঠন প্ৰক্ৰিয়াত নামি পৰো। নাট বিভাগত প্ৰথম অৱস্থাত অধ্যক্ষ মহোদয়ে দল প্ৰেৰণ কৰাৰ সপক্ষে নাছিল। কিয়নো মহাবিদ্যালয় সপ্তাহক প্ৰদৰ্শন কৰা নাট বিলাকৰ মানদণ্ড সিমান উন্নত নাছিল। সেয়ে মই নিজা বিবেচনাৰে মহাবিদ্যালয় সপ্তাহত শ্ৰেষ্ঠ নাট্য দলৰ সন্মান অধিকাৰ কৰা "অমৰাৱতীৰ অতিথি" নামৰ নাটক খনিৰ কিছুমান চৰিত্ৰ সাল সলনি কৰি মাননীয় ৰুকমল হাজৰীকা দেৱৰ দ্বাৰা কিছুমান ভুল ভ্ৰান্তি শুধৰাই লৈ নাট্য দলটিক যুৱ মহোৎসৱলৈ লৈ যাওঁ। মহাবিদ্যালয়ৰ বৃহৎ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি উক্ত নাটকখনিৰ কেইজনমান অভিনেতাক সাল সলনি কৰিবলগীয়া হোৱা বাবে মই বাৰুকৈয়ে দুখ প্ৰকাশ কৰিছো।

যি নহওক যুবমহোৎসৱত সেই নাটক খনেই দ্বিতীয়' শ্ৰেষ্ঠ দল' হিচাবে সন্মান লাভ কৰাৰ উপৰিও মিচ্ বৰ্ণালী ৰায়ে একেখন নাটৰ যোগেদি শ্ৰেষ্ঠ অভিনেত্ৰীৰ দৰে বিৰল সন্মানৰ অধিকাৰ সাব্যস্ত কৰি মহাবিদ্যালয়ৰ সন্মান কৰিয়াই আনে আনহাতে সংগীত বিভাগতো ফুৰপন ৰাভাই জনজাতীয় সংগীতত দ্বিতীয় স্থান দখল কৰি গোৱালপাৰা মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশৰ ক্ৰমোন্নতিৰ কথা গুৱাহাটী বিশ্ববিদ্যালয় মজিয়াত সগৌৰৱে ঘোষনা কৰে। দুৰ্ভাগ্যবশত আমি সমবেত সংগীত দুটাৰ পৰিৱেশন কৰোঁতে বেলেগ বেলেগ তিনিজন যন্ত্ৰ শিল্পী ব্যৱহাৰ কৰাৰ ফলত দ্বিতীয় স্থান পোৱাৰ পৰা বঞ্চিত হওঁ। সেয়ে পৰৱৰ্তী সাংস্কৃতিক সম্পাদক গৰাকীয়ে যেন এই কথাটোও গুৰুত্ব দিয়ে। আকো মিচ্ জবা চক্ৰৱৰ্ত্তীয়ে ৰবীন্দ্ৰ সংগীতত অলপ নম্বৰৰ ব্যৱধানত পুৰস্কাৰ পোৱাৰ পৰা বঞ্চিত হয়।



মুঠতে মোৰ কাৰ্যকালত যুব মহোৎসৱৰ ফলাফলে গোৱালপাৰা মহাবিদ্যালয়ৰ যথেষ্ট সুনাম কৰিয়াই আনে। যাৰ মধুৰ স্মৃতি আজীৱন মোৰ মানস পটত জিলিকি ৰব।

গোৱালপাৰা মহাবিদ্যালয়ত সাংস্কৃতিক বিভাগত যথেষ্ট প্ৰতিভাবান ছাত্ৰ-ছাত্ৰী আছে। কিন্তু কৰ্তৃপক্ষই এই বিভাগটোক সদায় আওকান কৰি আহিছে বাবে প্ৰতিভা বিকাশৰ সুবিধা পোৱা নাই। উদাহৰণ স্বৰূপে সংগীত চৰ্চাৰ বাবে এটা ভঙা হাৰমনিয়াম আৰু তাৰ বিহীন গীতাৰ এটাৰ লৈতে থকা তবলা যোৰে সংগীতৰ কি বিকাশ সাধিব তাক নিশ্চয় বহলাই কোৱাৰ প্ৰয়োজন নাই। মই কেবাবাৰো কৰ্তৃপক্ষক অৱগত কৰিও একো সুফল পোৱা নগল।

শেষত মোৰ কাৰ্য্যকালত বিভিন্ন কাৰ্য্যত সহায় সহযোগ কৰা বন্ধু নিৰোদ, পবন, ৰত্ন মৃনাল, বিন্দু, কমল, অঞ্জু, ইনা।

শ্ৰীনৰ ৰাম পাঠক
সাংস্কৃতিক সম্পাদক
গোঃ মঃ ছাঃ সঃ

---

# —উৎসৱ সম্পাদকৰ প্ৰতিবেদন—

মোৰ প্ৰতিবেদনৰ পাতনিতে বিগত ভাষা আৰু অস্তিত্ব ৰক্ষাৰ যুঁজত নিজৰ জীৱন আহুতি দি ত্যাগ, মহত্ত্ব আৰু দেশ প্ৰেমৰ চানেকি দি থৈ যোৱা স্বদেশ প্ৰেমী বীৰ সকললৈ মোৰ শ্ৰদ্ধাৰ্ঘ্য নিবেদিছোঁ।

যি সকলৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগত উৎসৱ সম্পাদক হিচাবে নিৰ্বাচিত হৈ প্ৰায় তিনি হেজাৰ ছাত্ৰ-ছাত্ৰীৰ সেৱা কৰাৰ সুবিধা পাওঁ তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

ধৰ্মীয় উৎসৱৰ জৰিয়তে মূলত চৰ্চা কৰা হয় যদিও শিক্ষানুষ্ঠান বোৰত পালন কৰা উৎসৱবোৰ বোধ কৰো ধৰ্মীয় দৃষ্টি আগত ৰাখি পালন কৰা নহয়, ধৰ্মীয় প্ৰাসঙ্গিকতাৰ বিপৰীতে ইয়াক নিশ্চয় ছাত্ৰ-ছাত্ৰীৰ মাজত মৈত্ৰীৰ বান্ধোন সুদৃঢ় কৰি তোলাৰ অৰ্থেই শিক্ষানুষ্ঠানত পতা হয়। অৱশ্যে ইয়াক বিতৰ্কৰ উৰ্দ্ধত থব নোৱাৰি।

জৰ গাঁথনিৰ ফালৰ পৰা অসমক যি দৰে ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণ বুলিব পাৰি তেনেদৰে গোৱালগাৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজতো গোষ্ঠী, ভাষা বা সম্প্ৰদায়গত ভাবে অসমৰ ক্ষুদ্ৰ ৰূপটোৱে দেখা পাওঁ। গোৱালপাৰা মহাবিদ্যালয়ত তিনিটা উৎসৱ পতা হয়। মোৰ কাৰ্য্য-

কালত এই তিনিওটা উৎসৱতে" যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু সহযোগিতাই অনুষ্ঠান বোৰৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। শ্ৰীমন্ত শঙ্কৰ দেৱৰ তিথি উপলক্ষে মহাবিদ্যালয়ত আয়োজিত "শংকৰদেৱ আৰু যুৱ মানসিকতা" বিষয়ক ৰচনা প্ৰতিযোগিতাত মহাবিদ্যালয়বে অনুৰূপা দাস, সাগৰিকা দাস, আৰু হৃদয় যুগল দাসে ক্ৰমে ১ম, ২য়, আৰু ৩য় পুৰস্কাৰ পায়। এইবাৰৰ ৰচনা প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগীৰ সঁহাৰি পোৱাটো মোৰেই সৌভাগ্য নিশ্চয়।

মোৰ কাৰ্য্যকাল চোৱাত উদ্‌যাপিত উৎসৱ সমূহ নতুনত্ব সহ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ মই সাধ্যাতীত চেষ্টা কৰিছিলোঁ। তদুপৰি বছৰটোৰ মাজ ভাগত সাংস্কৃতিক সম্পাদকৰ সাংস্কৃতিক বিভাগটোৰ অব্যাহতি মৰ্মে বিভাগটোৰ দায়িত্ব মোৰ ওপৰতে ন্যস্ত কৰা হয়। ভাৰ প্ৰাপ্ত সাংস্কৃতিক সম্পাদক হিচাপে মই নবাগত আদৰণি সভাৰ সাংস্কৃতিক অনুস্থান খনি চলাওঁ। এইক্ষেত্ৰত মই কিমান দূৰ সফল কাম হৈছোঁ, সেয়া বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত। মোৰ কাৰ্য্যকালত অজ্ঞাতে হৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছোঁ।

মোৰ কাৰ্য্যকালচোৱাত সদায় উপস্থিত থাকি দিহা পৰামৰ্শ দি সহায় কৰা অধ্যক্ষ মহোদয় গোবিন্দ কলিতা চাৰ, ৰমাকান্ত বৰুৱা চাৰ; মনোজ কুমাৰ চক্ৰৱৰ্ত্তী চাৰ আৰু তত্ত্বাৱধায়ক ধ্ৰুৱজ্যোতি দাস চাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। মোৰ প্ৰতিটো কাৰ্য্যক্ষেত্ৰত অকুণ্ঠ সহায় আগবঢ়োৱা দিলীপ শৰ্মা, নীলাঞ্জন, নিৰোদ, তৰুণ, কমল, খনীন, নিবাস, মিহিৰ, তবিবুল, কমল পাঠক, তাপস, ৰূপক, ৰাণা, বিন্দু আচৰাফুল, বুলবুল, মুন্না, হৃদয়, অঞ্জু, ইনা, জেমিনা, বত্ৰ. ৰঞ্জিৎ, সনৎ, ফণী, দিলীপ' কৃষ্ণ, ভৈৰৱ ছাত্ৰাবাস আৰু ছাত্ৰীবাসৰ সমূহ আবাসী সকল লৈ মোৰ ভাষাহীন কৃতজ্ঞতা থাকিল আৰু প্ৰতি মূহুৰ্ত্ততে ছাঁৰ দৰে থাকি মোক বিপদত পৰিব নিদিয়াকৈ কাৰ্য্যক্ষেত্ৰতে বিশেষ সহায়ৰ হাত আগবঢ়োৱা বন্ধু পংকজ (চিমুল) ৰ ওচৰতো মই চিৰকৃতজ্ঞ।

শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ মোখনি মাৰিছোঁ।

জয়তু গোৱালপাৰা মহাবিদ্যালয়।

ঃঃ জয় আই অসম ঃঃ

সেৱাৰে—

শ্ৰীমৃণাল কান্তি মেধী

সম্পাদক, উৎসৱ

গোঃ মঃ ছাঃ সঃ



# ক্ৰিকেট বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে মই গোৱালপাৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱী লৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। যি সকল ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীয়ে মোক ইমানবোৰ প্ৰতিদ্বন্দিতাৰ মাজৰ পৰা নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সমূহীয়া সেৱা আগবঢ়োৱাৰ বাবে যি সুবিধা কণ কৰি দিছে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ।

যেতিয়া মই ১৯৮৯—৯০ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থা ক্ৰিকেট সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই 'মহাবিদ্যালয় সপ্তাহ'ৰ সন্মুখীন হওঁ! মহাবিদ্যালয়ৰ সপ্তাহত অধ্যক্ষ একাদশ আৰু ছাত্ৰ একাদশৰ মাজত এখনি প্ৰদৰ্শনী মুলক ক্ৰিকেট খেলৰ আয়োজন কৰা হয়। উক্ত খেলত যদিও প্ৰথমাৱস্থাত দুয়োটি দলে এক সুন্দৰ খেল প্ৰদৰ্শন কৰে, কিন্তু পিছ মূহুৰ্ত্তত তত্ত্বাৱধায়ক শ্ৰীযুত বিজেতা পুৰকায়স্থ চাৰে নিজে বলিঙ কৰি থকা অৱস্থাত হাৰ্দিত আঘাট পাই হৃদযন্ত্ৰ বন্ধ হৈ যোৱাৰ পৰিপেক্ষিতত লগে লগে খেলখনো সমাপ্ত হয়। তাৰ বাবে মই নিজেই দুঃখিত। দুৰ্ভাগ্য বংশত খেলখনৰ কোনো ফলাফল উলিওৱা নাই।

আপোনালোকে নিশ্চয় জানে গোৱালপাৰা মহাবিদ্যালয়ৰ খেল পথাৰখন কোনো খেলৰ বাবেই উপযোগী দহয়। কাৰণ যেতিয়া বাৰিষা আৰম্ভ হয় তেতিয়া এই খেল পথাৰ খন প্ৰায় ৬ ইঞ্চি মান পানীৰ তলত বুৰি থাকে। পানী শুকাই যোৱাৰ পিছত লগে লগে যি কোনো খেল পতাৰ বাবে আয়োজন কৰা নাযায়। যদিও গোৱালপাৰা মহাবিদ্যালয়ত আজি প্ৰায় কেবা বছৰো ধৰি আন্তঃ শ্ৰেণী ক্ৰেকেট প্ৰতিযোগিতা পতা নাই। এই বাৰ বহু কষ্ট কৰি নভেম্বৰ মাহৰ শেষৰ ফালে বন্ধু সকলৰ সহায় সহযোগিতাত আন্তঃ শ্ৰেণী ক্ৰিকেট প্ৰতিযোগিতা সমূহ পাতিলোঁ। এই প্ৰতিযোগিতাত স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিক শাখাই জয়লাভ কৰে। আৰু এই প্ৰতিযোগিতাৰ পৰা নানান অসুবিধাৰ মাজতো এটা সুন্দৰ দল আন্তঃ মহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে গঠন কৰিছিলো।

মোৰ কাৰ্য্যকাল চোৱাত ক্ৰিকেটৰ বাবে প্ৰয়োজনীয় বহুতো সা-সামগ্ৰী কিনা হয়। মই আৰু আমাৰ বিভাগীয় সম্পাদকবোৰে খেল পথাৰত অৰ্দ্ধ নিৰ্মাণ হৈ থকা পেভেলিয়ন আৰু স্থায়ী পিট্‌ছখন সম্পূৰ্ণ কৰি গঢ়ি তোলাৰ বাবে কলেজ কৰ্ত্তৃপক্ষক আবেদন জনাওঁ। কিন্তু ক্ৰিকেট বিভাগত বেছি অৰ্থ নথকাৰ বাবে ইমান দিনে এই কাম বোৰত হাত দিব পৰা নাই। গতিকে মই পৰবৰ্ত্তী সকলো সম্পাদকলৈ অনুৰোধ জনাও যে তেওঁলোকে যাতে এই বিষয়ত মনোনিবেশ কৰে।

শেষত মোৰ সকলো প্ৰকাৰৰ ভুলৰ বাবে সকলোৰে পৰা ক্ষমা মাগিছো। গোটেই কাৰ্য-কাল চোৱাত মোক বিভিন্ন দিশত উপদেশ দি সহায় কৰাৰ বাবে অধ্যক্ষ মহোদয় শ্ৰীযুত খগেন্দ্ৰ প্ৰসাদ ডেকা, তত্ত্বাৱধায়ক শ্ৰীবিজেতা পুৰকায়স্থ চাৰ, ভক্তি মেধি চাৰ প্ৰদীপ শীল চাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে মোক সকলো কামতে সহায় কৰাৰ বিশেষকৈ পম, দাহুল, পুতলু, মনা গোলাম, বাপী, কৃষ্ণ, হিৰেন, জন, উজ্জল, নাছিম, হেমন্ত, চম্পত, চাইটি, মাখন, চিমুলৰ লগতে সমুহ বন্ধু বান্ধৱীলৈ আন্তৰিক ধন্যবাদ জনালোঁ। সদৌ শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ উজ্জল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ কাপ এইবেলি ইমানতে সামৰিলো।

জয়তু গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।

তবিবুল ইছলাম (মুকু)

সম্পাদক, ক্ৰিকেট বিভাগ

## —ঃ ফুটবল আৰু ভলীবল বিভাগৰ প্ৰতিবেদন ঃ—

প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ প্ৰতি আস্থা ৰাখি উত্তেজনা পূৰ্ণ নিৰ্বাচনত মহাবিদ্যালয়ত যি সকল ছাত্ৰী ছাত্ৰীয়ে মোক গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ১৯৮৯—৯০ চনৰ কাৰ্য্য নিৰ্বাহকৰ ফুটবল আৰু ভলীবল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰিলে।

নৱ নিৰ্বাচিত ছাত্ৰ সন্থা গঠন হোৱাৰ কিছুদিনৰ পিছতেই আৰম্ভ হৈছিল "মহাবিদ্যালয়ৰ সপ্তাহ' তাত মই মোৰ বিভাগৰ ভলীবল খেল অনুষ্ঠিত কৰো। উক্ত খেলত উচ্চতৰ মাধ্যামিক দ্বিতীয় বাৰ্ষিক কলা শাখাই জয় লাভ কৰে।

এই বছৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৌজন্যত আন্তঃ মহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা হৈ যায়। আৰু তাত আমাৰ মহাবিদ্যালয় যোগদান কৰে। এইবাৰ অক্টোবৰ মাহৰ প্ৰথম সপ্তাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৌজন্যত আয়োজিত হোৱা আন্ত মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত গোৱালপাৰা মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰিব নোৱাৰাৰ বাবে মই নিজে বৰ দুঃখিত।

শেষত মোৰ সকলো প্ৰকাৰৰ ভুলৰ বাবে সকলোৰে পৰা ক্ষমা মাগিছো। গোটেই কাৰ্য্যকাল চোৱাত মোক বিভিন্ন দিশত উপদেশ দি সহায় কৰাৰ বাবে অধ্যক্ষ মহোদয় শ্ৰীযুত খগেন্দ্ৰ প্ৰসাদ ডেকা তত্বাৱধায়ক শ্ৰীভক্তি মেধি চাৰ, শ্ৰীঅমূল্য শৰ্মা চাৰলৈ শ্ৰদ্ধা জনাইছো। লগতে যি সকল বন্ধু বান্ধৱী তথা ছাত্ৰ সন্থাৰ সমূহ সদস্য বৃন্দয় কৰাৰ উপৰিও মোৰ বিভাগীয় কাম কাজত সূচাৰু ৰূপে চলাই নিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো। সদৌ শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন এই বেলি ইমানতে সামৰিলোঁ। তাং— ১৭/১২/৯০

জয়তু গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা

ঃঃ জয় আই অসম ঃঃ

আনন্দ দাস

সম্পাদক; ফুটবল বিভাগ



## অন্তঃদ্বাৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ অন্তঃদ্বাৰ বিভাগৰ সম্পাদক হিচাপে প্ৰতিবেদন লিখাৰ আৰম্ভণিতে মোক এই কলেজৰ অন্তঃদ্বাৰ বিভাগৰ সম্পাদক হিচাবে কাৰ্য্যভাৰ চলোৱাৰ দায়িত্ব অৰ্পন কৰা বাবে গোৱালপাৰা মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ-ছাত্ৰীলৈ মই মোৰ তৰফৰ পৰা কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো।

সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে মই "মহাবিদ্যালয়ৰ সপ্তাহ" সন্মুখীন হওঁ। কিন্তু অন্তঃবাৰ ক্ৰীড়া বিভাগৰ খেল সামগ্ৰী নাই বুলিলেই হয়। গতিকে তেনে এখন মহাবিদ্যালয়ত খেল সামগ্ৰীৰ অভাৱ হোৱাটো নিশ্চয় বৰ পৰিতাপৰ কথা। সেয়ে উপায় বিহীন হৈ যিকণ খেল সামগ্ৰী আছে তাৰ দ্বাৰাই নানান অসুবিধাৰ মাজেৰে "মহাবিদ্যালয় সপ্তাহ"ত অন্তঃদ্বাৰ ক্ৰীড়া বিভাগৰ প্ৰতিযোগীতা সমুহ অনুষ্ঠিত কৰাওঁ। "মহাবিদ্যালয় সপ্তাহ"ত অনুষ্ঠিত প্ৰত্যেকটো খেলতে বহুতো প্ৰতিযোগিতাতে সকলো প্ৰতিযোগী তুমুল প্ৰতিদ্বন্দ্বিতা কৰিছিল।

মই মোৰ কাৰ্য্যকাল ছোৱাৰ ভিতৰত বিভিন্ন অভিজ্ঞাতাৰ পৰা আশা ৰাখিছোঁ ভৱিষ্যতে আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈ সকলে অধিক উন্নত মানদণ্ডৰ খেল খেলিবলৈ সক্ষম হব। যদিহে তেওঁলোকে উন্নত মান দণ্ডৰ খেল সামগ্ৰী আৰু খেল পথাৰ পায়।

মোৰ প্ৰতিবেদনৰ লিখনি দীঘলীয়া নকৰি মূলতঃ বিভাগীয় অভাৱ অভিযোগ বোৰৰ পিনে কতৃপক্ষক দৃষ্টিপাত কৰিবলৈ ইয়াৰে টানি অনুৰোধ জনালোঁ।

শেষত বিভিন্ন দিশত মোক উৎসাহিত কৰাৰ লগতে উপদেশ দিয়াৰ বাবে তত্বাৱধায়ক মাননীয় শিক্ষাগুৰু শ্ৰীভক্তি মেধি লগতে আচাৰ্য্য দেৱ মহোদয়লৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে মোক বিশেষ ভাবে সহায় কৰা বাবে বন্ধুবৰ— নন্দ ঘোষ, যীশু ঘোষ, প্ৰহ্লাদ ঘোষ ( বাপী ), হৰি, দুলাল ঘোষ, জিতেন্দ্ৰ ঘোষ, আফতাবুৰ ৰহমান, সন্তোস ঘোষ, খগেন ঘোষ, প্ৰবীৰ দেৱনাথ, শঙ্কৰ ঘোষ, অক্ষয় ঘোষ, প্ৰশান্ত ঘোষ, পুলিন ঘোষ, মদন ঘোষ, ছাদিক আহামেদ, গোলাম মুস্তাফা, বুলবুল হক, টাইটি; অলকেশ ভুঞা, আৰু মিহিৰ দালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু উজ্জল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন ইয়াতে সামৰণি মাৰিছোঁ।

জয়তু গোৱালপাৰা মহাবিদ্যালয়।

ঃঃ জয় আই অসম ঃঃ

শ্ৰীপ্ৰদিপ কুমাৰ দেৱনাথ।

সম্পাদক, অন্তঃদ্বাৰ ক্ৰীড়া বিভাগ।

## ঃ বহিঃদ্বাৰ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক গোৱালপাৰা মহাবিদ্যালয়ৰ বহিঃদ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰিলে সেই সকললৈ মোৰ পূৰ্ণ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এই বিভাগৰ সম্পাদক হিচাপে শপত গ্ৰহণ কৰাৰ অলপ দিনৰ পিছতেই মহাবিদ্যালয় সপ্তাহ আহি পৰে। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো খেলতে কম সংখ্যক খেলুৱৈয়ে প্ৰতিদ্বন্দ্বিতা কৰে। তাৰ কাৰণে মই বৰ দুঃখিত। তথাপিতো খেল সমূহ শান্তি পূৰ্ণ ভাৱে হৈ যায়। বহিঃদ্বাৰ ক্ৰীড়া বিভাগৰ লৰাৰ উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা শাখাৰ শ্ৰীপ্ৰতুল কুঃ দৈমাৰী, আৰু ছোৱালীৰ উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা শাখাৰ মিচ, গীতা দাসে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা বিভাগীয় দায়িত্ব আৰু কৰ্ত্তব্যৰ প্ৰতি মই জোৰ দি আহিছোঁ, অৱশ্যে বাটত উজুটিও খাইছোঁ। সেই কাৰণে মই কিছুমান কাম কৰিম বুলি ভাবিও কৰিব পৰা নাই। যি নহওঁক ভুল হ'লে ক্ষমা কৰিব বুলি আশা কৰিলোঁ।

সদৌ শেষত নিষ্ঠুৰ বাস্তৱ আৰু সংঘাতৰ সৈতে মুখা-মুখী হৈ নিজৰ আদৰ্শ পথভ্ৰষ্ট নকৰি মাতৃ ভূমিৰ ৰক্ষাৰ কাৰণে বিগত কাল ছোৱাত যি সকলে প্ৰাণ বিসৰ্জন দিলে সেই মহান শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলী আৰু শ্বহীদ পৰিয়াল বৰ্গৰ প্ৰতি হিয়া ভৰা কৃতজ্ঞতা থাকিল আৰু মোক দিহা পৰামৰ্শ আগবঢ়োৱা তত্বাৱধায়ক অধ্যাপক এ, এছ, আৰ, আহমেদ লগতে যি সকল বন্ধু- বান্ধৱীয়ে মোক কাৰ্য্যভাৰ চলাই নিয়াত সহায় সহযোগিতা আগবঢ়ালে তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

জয়তু গোৱালপাৰা মহাবিদ্যালয়।

ঃঃ জয় আই অসম ঃঃ

শ্ৰীপৰিমল বৰ্মন

সম্পাদক, বহিঃদ্বাৰ ক্ৰীড়া বিভাগ

গোঃ মঃ ছাঃ সঃ



## প্ৰতিবেদন "ছাত্ৰী জিৰণি কোঠা"

প্ৰতিবেদনৰ আৰম্ভণিতে, প্ৰদৰ্শনীৰ প'ৰা আৰাম্ভ কৰি বিভিন্ন কামত মোক সহযোগীতা আগবঢ়োৱা বাবে আচৰাফুল, বীনাপাণি, মীনা, মহাবিদ্যালয় ছাত্ৰ সন্থা সমূহ সম্পাদক, সম্পাদিকা সকল তত্বাৱধায়ীকা অধ্যাপিকা কৰবী তালুকদাৰ আৰু ছাত্ৰী জিৰণি কোঠা'ৰ সম্পাদিকাৰ বাবে মোক নিৰ্ব্বাচিত কৰা বাবে সমূহ ছাত্ৰ-ছাত্ৰী বৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

নিৰ্ব্বাচনৰ পিছতে সন্মুখীন হোৱা 'কলেজ সপ্তাহ' ত পতা প্ৰতিযোগীতা মূলক প্ৰদৰ্শনী খন অতি নিম্ন মানদণ্ডৰ হোৱা কেবল বিভাগীয় সম্পাদিকা বুলিয়েই নহয়, এগৰাকী ছাত্ৰী হিচাপেও মই দুঃখিত তথা লজ্জিত। ছাত্ৰ-ছাত্ৰীৰ উদস্যৰ অভাৱেই মনে নিএগামী মানদণ্ডৰ কাৰণ।

সম্পাদিকা হিচাপে, সাধ্যানুসাৰে পৰা খিনি কৰিব চেষ্টা কৰিছো। পিচে, কেৱল নিৰ্ব্বাচিত কৰি বিভাগীয় সম্পাদক পাতিলেই ছাত্ৰ-ছাত্ৰী তথা কৰ্ত্তৃপক্ষৰ দায়িত্ব শেষ নহয়; যিটো সচৰাচৰ পৰিলক্ষিত হৈ আহিছে। জিৰণি কোঠাৰ বাতাবৰণ সুস্থ কৰি ৰখাৰ দায়িত্ব কেবল বিভাগীয় সম্পাদিকাৰ নহয়, ছাত্ৰী বৃন্দৰো দায়িত্ব বোধ বাঞ্চনীয়। আশা ৰাখিছো, ছাত্ৰী বৃন্দই নিজৰ কলেজখনৰ প্ৰতি দায়িত্ব বোধৰ প্ৰতি সচেতন হৈ বিভাগীয় সম্পাদিকাক সহযোগীতা আগবঢ়াব।

"জিৰণি কোঠা" টো এটা গুদাম ঘৰলৈ পৰিবৰ্ত্তিত কৰা হৈছে। খেলৰ সামগ্ৰী, সমাজ সেৱা বিভাগৰ তোঁৰণ, সাংস্কৃতিক বিভাগৰ সামগ্ৰী, কাঠ, ক্ৰমে ইত্যাদি ইত্যাদিয়ে প্ৰায় আধা ঠাই আগুৰি আছে। ছাত্ৰীৰ তুলনাত বহা আসনৰ সংখ্যাৰ কথা বাদেই, কোঠাটোও যথেষ্ঠ সৰু হৈছে। এই সমান্ধে অধ্যক্ষ মহোদয়ক বহু বাৰ আবেদন জনোৱা সত্বেও কোনো গুৰুত্ব প্ৰদান কৰা নাই। আশা কৰোঁ, অনতি পলমে জিৰণি কোঠা'ৰ অসুস্থ পৰিবেশৰ প্ৰতি লক্ষ্য ৰাখি অধ্যক্ষ মহোদয়ে ইয়াৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে।

জয়তু গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা

ঃঃ জয় আই অসম ঃঃ

বৰ্ণালী ৰায়

সম্পাদিকা ছাত্ৰী জিৰণি কোঠা

# সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন

মোৰ বছৰেকীয়া প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে ১৯৮৯—৯০ চনৰ সমাজ সেৱা সম্পাদক হিচাপে মোক নিৰ্ব্বাচিত কৰি জয়যুক্ত কৰিলে তেওঁলোকক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে মই 'মহাবিদ্যালয়ৰ সপ্তাহ'ৰ সন্মুখীন হওঁ। বিভাগীয় সম্পাদক হিচাপে মহাবিদ্যালয় উন্নয়ণৰ হকে সুবিধা অসুবিধাৰে কিমান খিনি কাৰ্য্যকৰী বৰঙণি আগবঢ়ালোঁ তাৰে এটি সমু খটিয়ান আগবঢ়ালোঁ।

মোৰ কাৰ্য্যকালৰ প্ৰথম কাৰ্যসূচী হিচাপে 'মহাবিদ্যালয় সপ্তাহ' ৰ তোৰণ খন সাঁজি উলিওৱা হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে প্ৰথমদিন 'সমাজ সেৱা' প্ৰতিযোগিতা অনুস্থিত হয়। বিশেষকৈ সমাজ সেৱা প্ৰতিযোগিতা সমুহত ছাত্ৰ ছাত্ৰীয়ে অৰিহণা যোগাব বুলি আশা কৰিছিলো। কিন্তু বৰ পৰিতাপৰ বিষয় যে আমাৰ মহাবিদ্যালয়ত শ-শ ছাত্ৰ-ছাত্ৰী থকা স্বত্বেও প্ৰতিযোগিতা অনুস্থিত কৰা সময়ত, আশানুৰূপ প্ৰতিযোগী দেখিবলৈ পোৱা নগল।

এইখিনিতে ১৯৯০ চনত গোৱালপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা 'ৰাষ্ট্ৰীয় সেৱা আঁচনি' শিবিৰ সম্পৰ্কে চমুকৈ আগবঢ়ালোঁ। ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ দপ্তৰ, যুৱ কল্যাণ আৰু ক্ৰিয়া বিভাগৰ সৌজন্যত প্ৰত্যেক বছৰত ৰাজ্যিক পৰ্য্যায়ত বাৰ্ষিক 'ৰাষ্ট্ৰীয় সেৱা আঁচনি' শিবিৰ পতা হয়। অসমত ভাৰত চৰকাৰৰ সেৱাত গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ অধীনত 'ৰাষ্ট্ৰীয় সেৱা আঁচনি' শিবিৰ মহাবিদ্যালয় সমূহত পতা হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ১৯৯০ চনৰ 'ৰাষ্ট্ৰীয় সেৱা আঁচনি' ( National Servic Scheme ) গোৱালপাৰা মহাবিদ্যালয়ত ১৪ জুলাইৰ পৰা ১৮ জুলাই লৈ অনুষ্ঠিত হয়। গোৱালপাৰা মহাবিদ্যালয়ত এয়া আছিল প্ৰথম আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত এয়া দশম 'ৰাষ্ট্ৰীয় সেৱা আঁচনি' শিবিৰ আছিল। প্ৰত্যেক মহাবিদ্যালয়ৰ এজন তত্বাবধায়ক আৰু চাৰিজনকৈ স্বেচ্ছা সেৱক-সেৱিকা প্ৰতিনিধি হিচাপে শিবিৰত যোগদান কৰে।

N. S. S. camp ৰ কাৰ্য্যসূচী বিষয়াৰ দ্বাৰা নিৰ্মিত কাৰ্য্যসূচী অনুসৰি প্ৰত্যেক দিনে দুবাৰকৈ আলোচনা চক্ৰ ( Seminar ) পতা হয়। প্ৰত্যেক দিন আলোচনা চক্ৰত বিশিষ্ট ব্যক্তিয়ে বিষয়বস্তু স্বেচ্ছা সেৱক সেৱিকাকলৈ আলোচনা কৰিছিল। গোৱালপাৰা মহাবিদ্যালয়ত হোৱা N. S. S. camp ত মুঠ ২১৪ জন স্বেচ্ছা সেৱক- সেৱিকাই যোগদান কৰে। তদুপৰি ৩৬ জন



কাৰ্য্যসূচী বিষয়া আৰু দুজন ভাৰ প্ৰাপ্ত অধ্যাপকও যোগদান কৰিছিল।

গোৱালপাৰা মহাবিদ্যালয়ৰ N. S. S. camp ত আমাৰ মহাবিদ্যালয় ২৫ জনীয়া স্বেচ্ছা সেৱক-সেৱিকাৰ দল এটিয়ে যোগদান কৰে। তাৰোপৰি উক্ত শিবিৰত আমাৰ মহাবিদ্যালয়ৰ আচৰাফুল হক আৰু দিলীপ কুমাৰ শৰ্মাই যুগ্ম ভাৱে বছৰটোৰ শ্ৰেষ্ঠ স্বেচ্ছা সেৱকৰ সন্মান লাভ কৰে। যিকি নহওক N. S. S. camp ৰ বিষয়ে বঢ়াই উল্লেখ কৰাৰ প্ৰয়োজন নাই।

মোৰ কাৰ্যাকালত মহাবিদ্যালয়ৰ চৌহদত ফুলৰ বাগিছা এখন কৰাৰ সিদ্ধান্ত লৈছিলো। ইয়াৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত কেইবা খনো আবেদন পত্ৰ দিয়া হয় যদিও কৰ্তৃপক্ষৰ পূঁজিৰ নাটনিৰ বাবে তেনে সিদ্ধান্ত নিস্ফল হয়।

তদুপৰি মহাবিদ্যালয়ৰ চাৰিও কাষে যিবোৰ গেলা-পচা জাৱৰ যোঠৰ আদি সময়ে সময়ে পৰিস্কাৰ কৰা হৈছিল। আনহাতে উল্লেখ যোগ্য বিষয় হ'ল আমাৰ মহাবিদ্যালয়ত প্ৰয়োজনীয় সাঁ-সজুলি যেনে দা, কোৰ, পাঁচি আৰু আদি অভাৱৰ বাবে পৰিকল্পিত কাৰ্য্য ৰূপ ধৰি উঠা নাই। যি কি নহওঁক প্ৰতিবেদনেৰে মহাবিদ্যালয় কৰ্তৃপক্ষৰ প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱবোৰ অনতি পলমে পূৰণ কৰিবলৈ অনুৰোধ জনাওঁ।

মহাবিদ্যালয় খন এখন ৰাজহুৱা শিক্ষা অনুষ্ঠান। সেয়ে প্ৰিয় ছাত্ৰ বন্ধু বৰ্গক অনুৰোধ কৰো যে পৰৱৰ্ত্তী সম্পাদকৰ কাৰ্যাকালত মহাবিদ্যালয়ৰ উন্নয়নৰ হকে চাৰিবেৰৰ মাজত যিবোৰ সমস্যা আছে আটাইবোৰ সমস্যা সমাধানাৰ্থে প্ৰিয় ছাত্ৰ বন্ধু বৰ্গৰ অকৰট সহানুভূতি শীল, গঠণ মুলক দীহা পৰামৰ্শ, সহায় সহযোগ আগবঢ়ালে সমস্যা সমুহ অচিৰে সমাধান হ'ব বুলি আশা কৰো।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

"মহাবিদ্যালয় সপ্তাহত" তোৰণ সাজি উলিওৱাৰ বাবে সৰ্ব্বশ্ৰী মহাশয় নাজিবদ্দিন আহম্মেদ, দিলীপ শৰ্ম্মা, হিমু দাস আৰু সত্য নাৰাযন দেশৱাৰা দেৱক মোৰ হিয়া ভৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ ভবিষ্যতৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি মোৰ বাৰ্ষিক প্ৰতিবেদন ইমানতে সামৰিছো।

জয়তু গোৱালপাৰা মহাবিদ্যালয়।

জয় আই অসম

শ্ৰীউত্তম কুমাৰ ৰাভা
সঃ সমাজ সেৱা

# ঃ ছাত্র জিৰণি কোঠা প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰাম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোক সম্পাদক হিচাপে মনোনিত কৰিছে সেই সকলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

আমি দায়িত্ব ভাৰ লোৱাৰ পিছতে মহাবিদ্যালয় সপ্তাহৰ সন্মুখীন হব লগীয়াত পৰো। মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰে সৈতে যুতীয়া ভাৱে পদৰ্শণী অনুষ্ঠিত কৰো।

গোৱালপাৰা মহাবিদ্যালয় খনত বিভিন্ন প্ৰান্তৰ পৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা লাভ কৰি মহাবিদ্যালয় খনৰ সুনাম অৰ্জ্জন কৰি আহিছে। কিন্তু আটাইতকৈ পৰিতাপৰ কথা হ'ল এই মহাবিদ্যালয়ত ছাত্ৰ জিৰণী কোঠাৰ অভাৱ। মোৰ কাৰ্য্যকালৰ সময় চোৱাত মহাবিদ্যালয় কৰ্তৃপক্ষক ছাত্ৰ জিৰণী কোঠাৰ বাবে কেইবা খনো স্মাৰক পত্ৰ দাখিল কৰিছোঁ। কিন্তু আজিলৈ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী কোঠা সম্পূৰ্ণ নিৰ্ম্মান নহ'ল। ইয়াৰ উপৰিও অস্থায়ী ভাৱে এটা জিৰণী কোঠা আৰু অত্যাৱশকীয় বিশুদ্ধ খোৱা পানীৰ যোগান ধৰাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষক অৱগত কৰি আহিছোঁ। কিন্তু তাৰ কোনো ফলপ্ৰসু নহন। মহাবিদ্যালয় কৰ্তৃপক্ষই কেৱল ক'ব হব বুলি আশ্বাস দিওঁতে দিনবোৰ সৰকি গ'ল।

উচ্চ শিক্ষাৰ কেন্দ্ৰ স্থল হিচাপে বিশেষকৈ এটা ছাত্ৰ জিৰণী কোঠাৰ প্ৰয়োজন। মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা সকলে এক হুলস্থলীয়া পৰিৱেশত ছাত্ৰ-ছাত্ৰী সকলক শিক্ষা দান দিব লগা হৈছে। এই হুলু স্থলীয়া পৰিৱেশৰ বাবে মহাবিদ্যালয় খনত শৈক্ষিক পৰিবেশ বিনষ্ট হৈছে।

সেয়ে মই এই প্ৰতিৱেদনৰ জৰিয়তে মহাবিদ্যালয় কৰ্তৃপক্ষক পুণৰ অনুৰোধ জনাওঁ যাতে অৰ্দ্ধ নিৰ্ম্মিত জিৰণী কোঠাটো পূৰ্ণ নিৰ্ম্মিত কৰি শৈক্ষিক পৰিবেশৰ সৃষ্টি কৰিব বুলি মই আশা কৰিলোঁ। মহাবিদ্যালয় ছাত্ৰ সন্থাৰ একছৰীয়া কাৰ্য্যকালত সকলোবোৰ সমস্যা সমাধান কৰাটো অসম্ভৱ। কিন্তু মোৰ দৃঢ় বিশ্বাস আমাৰ কাৰ্য্য কালত প্ৰস্তাৱিত বিষয় সমূহ গুৰুত্ব সহঃ সমাধান কৰিলে মহাবিদ্যালয় খনৰ উন্নতি আশা কৰিব পাৰি।

সামৰণিৰ আগমূহুৰ্ত্তত আমাৰ কাৰ্য্য কালত বিভিন্ন দিশত গঠন মূলক পৰামৰ্শ দিয়া অপাধ্যক্ষ ডঃ মনোজ কুমাৰ চক্ৰবৰ্ত্তী আৰু তত্বাৱধায়ক শ্ৰীযুত থানেশ্বৰ শৰ্মালৈ শ্ৰদ্ধা নিবেদিছোঁ। লগত মোক বিশেষ ভাৱে সহায় কৰাৰ বাবে বন্ধু বৰ্গ দ্বিপেন, কল্যাণ, ৰণজিৎ, কমল, ৰতন, লতিফ আৰু বান্ধবী অনিমালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ অনিচ্ছা কৃত ভূল ভ্ৰান্তি বাবে ত্ৰুটী মাৰ্জনা মাগিছোঁ। লগতে মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যত কামনা কৰি প্ৰতিবেদন ইমানতে সামৰনি মাৰিছোঁ।

—ঃ জয় আই অসম ঃ—

শ্ৰীনৰপতি ৰায়।

সম্পাদক ছাত্ৰ জিৰণি কোঠা



# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে জ্যেষ্ঠ সকললৈ শ্ৰদ্ধা আৰু কনিষ্ঠলৈ মৰম আৰু বন্ধু-বান্ধবীলৈ প্ৰীতি আৰু সম্ভাষণৰ লগতে গোৱালপাৰা মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰীয়ে নিজস্ব বিবেচনাৰে তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক হিচাপে মোক যোগ্য বিবেচনা কৰি নিৰ্বাচিত কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সম্পাদক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ সময়তে ভাবিছিলো বহুত 'কিবাকিবি' কৰিম, আৰু কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই 'মহাবিদ্যালয় সপ্তাহৰ সন্মুখীন হওঁ আৰু সেই ভবা কিবা কিবি বোৰ সফল কৰিবলৈ উঠি পৰি লাগি যাওঁ। মোৰ বিভাগীয় প্ৰতিযোগিতাবোৰ সঁচাকৈয়ে উন্নত মানদণ্ডৰ হয় আৰু সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষা গুৰু সকলৰ আশানুৰূপ সহায় সহযোগিতাৰে প্ৰতিযোগিতা সমূহ সুচাৰু ৰূপে সম্পন্ন কৰিবলৈ মই সমৰ্থ হওঁ। কিন্তু দুখৰ বিষয় মহা বিদ্যালয় সপ্তাহৰ পিছত অনুষ্ঠীত কৰিব খোজা এখন প্ৰতিযোগিতাতো মই ছাত্ৰ-ছাত্ৰীৰ আশানুৰূপে সহায় নাপালো। মহাবিদ্যালয়ত শ শ ছাত্ৰ ছাত্ৰী থকা সত্বেও প্ৰতিযোগিতাৰ বাবে প্ৰতিযোগী বিচাৰি পোৱা নাযায়। গোৱালপাৰা মহাবিদ্যালয়ৰ দৰে আগশাৰীৰ মহাবিদ্যালয় এখনত প্ৰতিযোগীৰ অভাৱ হোৱাটো সঁচাকৈয়ে পৰিতাপৰ বিষয়। কিন্তু মোৰ কাৰ্যকালৰ অভিজ্ঞতাৰ পৰা গম পাইছো মহাবিদ্যালয়ত উন্নত মান দণ্ডৰ প্ৰযিযোগীৰ অভাৱ নাই। গতিকে মই আশা কৰো তেওঁলোকে এনেদৰে কাৰ্যক্ষেত্ৰৰ পৰা আঁতৰি নপৰি চেষ্টা অব্যাহত ৰাখে, তেতিয়া নিজকে নিশ্চয় আৰু অধিক উন্নত মানদণ্ডৰ কৰি তুলিব পাৰিব।

'ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি' প্ৰবচন ফাঁকিৰ দৰেই মোৰো সেই কৰিম বুলি ভবা 'কিবা কিবি' বোৰ 'কিবাকিবি' হয়েই থাকিল। বিভিন্ন কাৰণত মই ভবা কথা বোৰ বাস্তৱত ৰূপায়িত কৰিবলৈ অপাৰগ হলো। যি কি নহওঁক মোৰ পিছৰ সম্পাদক সকলে ভবা কথাবোৰ কাৰ্যত: পৰিণত কৰিব পাৰে তাৰ বাবে সমূহ ছাত্ৰ ছাত্ৰী তথা কতৃপক্ষই সহায় সহযোগিতা আগবঢ়াব বুলি আশা ৰাখিলো।

শেষত বিভিন্ন দিশত দিহা পৰামৰ্শেৰে মোক সহায় কৰা বাবে মোৰ তত্বাৱধায়ক শিক্ষাগুৰু মাননীয় ৰতন ভট্টাচাৰ্য্য দেৱলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে বিভিন্ন দিশত মোক সহায় কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী, বন্ধু বান্ধবী, শিক্ষা গুৰু সকল আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দকে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিছো। সদৌ শেষত, মোৰ অনিচ্ছাকৃত ভাৱে বৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিছোঁ।

গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন ইয়াতে সামৰণি মাৰিছো।

জয়তু গোৱালপাৰা মহাবিদ্যালয়।

ঃঃ জয় আই অসম ঃঃ

দ্বিবাকৰ কলিতা

সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ

গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।

## আমাৰ প্ৰাক্তন আলোচনী সম্পাদকসকল ঃ

মহেন্দ্ৰ দাস ( ১৯৫৭—৫৮ )
শ্যামাচৰণ দাস ( ১৯৫৮—৬০ )
প্ৰেশ ৰাভা আৰু
নিৰ্মালা কুমাৰ দাস ( ১০৬০—৬১ )
ৰোহিনী কুমাৰ চৌধুৰী ( ১৯৬১—৬২ )
মণি ৰাভা ( ১৯৬২ - ৬৩ )
দ্বিপেন্দ্ৰ চন্দ্ৰ দাস ( ১৯৬৬—৬৭ )
● বিনয় কুমাৰ শৰ্মা ( ১৯৬৭—৬৮ )
মোক্চাদ্ আলী আৰু
নৰেশ দাস কলিতা ( ১৯৬৮—৬৯ ) (অস্থায়ী)
নৰেশ দাস কলিতা ( ১৯৬৯—৭০ )
ত্ৰিদীপ নাথ চক্ৰৱৰ্তী ( ১৯৭০—৭১ )
সুলোচন ৰাভা ( ১৯৭১—৭২ )
অজন্তা দাস ( ১৯৭২—৭৩ )
চাজেৰ ৰহমান ( ১৯৭৩ - ৭৪ )
আনোৱাৰ হুছেইন ( ১৯৭৫ - ৭৬ )
আজিজৰ ৰহমান ( ১৯৭৬—৭৭ )
ভৰত চন্দ্ৰ দত্ত ( ১৯৭৭—৭৮ )
অহিদুৰ জামান ( ১৯৭৮—৮০ )
ইৰ্ছাদ আলী ( ১৯৮১—৮২ )
গৌতম সোম ( ১৯৮৩—৮৪ )
জয়ন্ত মেধী ( ১৯৮৫—৮৬ )
প্ৰশান্ত নাথ ( ১৯৮৬—৮৭ )
চুলতান গিয়াচুদ্দিন আহমেদ ( ১৯৮৭—৮৮ )
নিলাঞ্জন দাস ( ১৯৮৮—৮৯ )

● সদৌ অসম মহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাত তৃতীয় পুৰস্কাৰ বিজয়ী ।



# শুদ্ধৰণী

## সম্পাদকৰ কলমৰ পৰা

| পৃষ্ঠা নং | শাৰী নং | ভুল হৈছে | শুদ্ধ হব |
|---|---|---|---|
| ১ম পৃষ্ঠাৰ | শেষ শাৰীত | শ্লোগন | শ্লোগান |
| ২য় „ | ৭ম „ | বক্তিতা | বক্তৃতা |
| ২য় „ | শেষ শাৰীত | ফলবতি | ফলৱন্তী |
| ৩য় „ | ২য় শাৰী | বিশিষ্ট্য ব্যাক্তি | বিশিষ্ট ব্যক্তি |

## কবিতা কানন

| পৃষ্ঠা নং | শাৰী নং | ভুল হৈছে | শুদ্ধ হব |
|---|---|---|---|
| ৭ | শিৰোনামা | প্ৰাসাঙ্গীক | প্ৰাসঙ্গিক |
| ১১ | স্মৃতি কবিৰ নাম | উজ্জ্বল | উজ্জ্বল |
| ১০ | অন্বেষণ কবিতাৰ ৪ ৰ্থ শাৰী | দ্বপ্নত | স্বপ্নত |

## প্ৰৱন্ধ প্ৰপঞ্চ

| পৃষ্ঠা নং | শাৰী নং | ভুল হৈছে | শুদ্ধ হব |
|---|---|---|---|
| ৫ | ৯ | বালি | বলি |
| ৬ | ১৭ | হব বিদ্ৰো | বিদ্ৰোহৰ |
| ৯ | শেষ শাৰী | প্ৰেৰণৰ | প্ৰেৰণাৰ |
| ১৭ | লিখকৰ নাম | মুজাম্মিল | মোজাম্মিল |
| ১৩ | ৭ | প্ৰভূক্ত | প্ৰভূত্ব |
| ১৬ | ১৭ | অৰ্স্তিত্ব | অস্তিত্ব |
| ৩২ | ২২ | চুৰান্ত | চুড়ান্ত |

## বিবিধা

| পৃষ্ঠা নং | শাৰী নং | ভুল হৈছে | শুদ্ধ হব |
|---|---|---|---|
| ১ | ২০ | প্ৰতিযোগীতা | প্ৰতিযোগিতা |
| ৩ | ১ | ঐ | ঐ |
| ১০ | ১ | সুবন্দি | সুৱদি |
| ১১ | ৩/৫/৬ | সংস্কৃতিক | সাংস্কৃতিক |

## English Section

Page 1 Poetry-After my death

| Incorrect | Correct |
|---|---|
| everly | every |